দি এডভেঞ্চাৰছ্ অব ৰবিন হুড



প্ৰথম অধ্যায়

চাৰ হেনৰী আৰু ৰবিন হুড

বহুদিন আগৰ কথা।

ইংলেণ্ডৰ শ্বেৰ উদ ফৰেষ্ট নামৰ বিশাল অৰণ্য ভূমিখণ্ড তেতিয়া ধনী আৰু অত্যাচাৰীবিলাকৰ সন্ত্ৰাসৰ ঠাই হিচাপে চিহ্নিত হৈছিল। শ্বেৰ উদ ফৰেষ্টৰ নাম শুনিলে ধনী লোকসকলৰ হৃৎকম্পন আৰম্ভ হৈছিল। ধনীত্ৰাস ৰবিন হুড আৰু তেওঁৰ দলবল সেই অৰণ্যতে শিবিৰ পাতি বাস কৰিছিল। এই খবৰ পাই ৰজা জনে কেবাবাৰো সৈন্য-সামন্ত পঠিয়াইছিল ৰবিন হুডক ধৰি আনিবলৈ। কিন্তু ৰবিন হুডক ধৰি অনা দূৰৰ কথা, প্ৰতিবাৰেই ৰজাৰ সৈন্যবোৰ চূৰান্তভাৱে পৰাজিত হৈ উভতি আহিবলৈ বাধ্য হৈছিল।

সেই সময়ত এদিন আবেলি এজন সম্ভ্ৰান্ত লোক শ্বেৰ উদ ফৰেষ্টৰ ফালে যোৱা দেখা গ'ল। মানুহজন গৈছিল ঘোৰাত উঠি। তেওঁৰ পোচাক-পৰিচ্ছদ দেখিলে যিকোনো লোকে বুজিব পাৰে যে তেওঁ এজন নাইট। কিন্তু নাইট হলেও এই মানুহজনক দেখা গ'ল নিৰস্ত্ৰ অৱস্থাত।

মানুহজন যেতিয়া বনৰ ভিতৰলৈ সোমাই পৰিছিল তেতিয়া ৰবিন হুড আৰু তেওঁৰ কেইজনমান সঙ্গী এডাল বিশালাকৃতিৰ আঁহত গছৰ ডালত বহি মানুহজনৰ বিষয়ে আলোচনা কৰি আছিল।

তেওঁলোকৰ শৰীৰত সেউজীয়া পোচাক। সেই সেউজীয়া পোচাক গছৰ পাতৰ সেউজীয়া ৰঙৰ লগত এনেকৈ মিলি গৈছিল যে একেবাৰে ওচৰৰ পৰা নেদেখিলে কোনোৱে ধৰিবই নোৱাৰিব যে গছৰ ওপৰত মানুহ আছে।

তেওঁলোকৰ প্ৰত্যেকৰ লগতেই আছিল ধনু-কাঁড়। আৰু প্ৰত্যেকেই ধনুত কাঁড় জুৰি প্ৰস্তুত হৈ বহি আছিল। তেওঁলোকৰ উদ্দেশ্য হ'ল— অশ্বাৰোহী মানুহজনৰ চালচলনত কোনো ধৰণৰ সন্দেহজনক কিবা এটা

দেখিলেই কাঁড় মাৰি তেওঁৰ দেহা ক্ষত-বিক্ষত কৰি পেলাব।

মানুহজন ওচৰ পোৱাত ৰবিন হুডৰ দলৰ এজনে চিঞৰি ক'লে— সেয়া চোৱা, এজন নাইট এইফালে আহি আছে। মানুহজন নিশ্চয় চহকী। তদুপৰি মোৰ ধাৰণা মানুহজন ৰজা জনৰ পক্ষৰ লোক। আহা তেওঁক আক্ৰমণ কৰি লগত যি আছে সকলোখিনি কাঢ়ি লওঁ।

সঙ্গীজনৰ মুখৰ পৰা এই কথাখিনি শুনি ৰবিন হুডে কলে— নাই ভাই, মানুহজনক দেখি মোৰ ধাৰণা হৈছে তেওঁ কোনো কাৰণে দুঃখিত আৰু চিন্তিত হৈ পৰিছে।

ৰবিন হুড আৰু তেওঁৰ সহচৰসকলৰ মাজত যেতিয়া এনে ধৰণৰ কথা বাৰ্ত্তা চলিছিল ঠিক সেই সময়তে মানুহজন আহি গছজোপাৰ ওচৰ পাইছিল।

ৰবিন হুডে তেতিয়া জাপ মাৰি তললৈ নামি আহি মানুহজনৰ বাট আগচি থিয় হ'ল। মানুহজনে বিৰক্তভাৱে খঙেৰে ক'লে— তুমি মোৰ পথ আগচি ধৰিলা কিয়? কোন তুমি?

— তাৰ আগতে কোৱা, তুমি ৰজা জনৰ সমৰ্থক হয় নে নহয়?

মানুহজনৰ চকুমুখ ৰঙা হৈ পৰিল। ৰবিন হুডৰ প্ৰশ্ন শুনি তেওঁ ক্ৰোধিত হৈ উঠিল।

তেতিয়া তেওঁ খঙেৰে ক'লে— কি ক'লা? মই ৰজা জনৰ সমৰ্থক। মই আজি নিৰস্ত্ৰ, নহ'লে এই অপমানসূচক প্ৰশ্নৰ সমুচিত উত্তৰ অস্ত্ৰৰ দ্বাৰা দিলোহেঁতেন।

— তাৰ মানে আপুনি ৰজা জনক সমৰ্থন নকৰে। নহয় জানো?

— সমৰ্থন কৰা দূৰৰ কথা, মই তাক ঘৃণা কৰোঁ। মই তাক ৰজা বুলি স্বীকাৰেই নকৰোঁ। ইংলেণ্ডৰ ৰজা হ'ল— মহান ৰিচাৰ্ড, জন নহয়।

— আপোনাৰ কথা শুনি আনন্দ পালোঁ। মইও মহামতি ৰিচাৰ্ডকে ৰজা বুলি ভাবোঁ। আপোনাৰ দৰে মইও জনক ঘৃণা কৰোঁ। যি নহওক, এইবাৰ আপুনি মোৰ আৰু এটা প্ৰশ্নৰ উত্তৰ দিয়ক। আপুনি নটিংহামৰ শ্বেৰিফক চিনি পায়।

— হয়, সেই ঘৃণ্য পৰস্বাপহাৰী পিশাচটোক মই চিনি পাওঁ। সেই ধূৰ্ত্তটো এতিয়া ৰজা জনৰ তোষামোদকাৰীসকলৰ মাজৰ এজন।

— আপুনিওতো এজন নাইট। নহয় জানো?

— হয়; আপুনি ঠিকেই অনুমান কৰিছে।

— দয়া কৰি আপোনাৰ নামটো মোক কবনে?

— মানুহে মোক "চাৰ হেনৰী" বুলি মাতে।

— আপোনাক দেখি মোৰ ধাৰণা হৈছে কোনো কাৰণত আপুনি খুব দুঃখিত আৰু চিন্তিত। মোৰ এই অনুমান সঁচানে?

— হয়, আপোনাৰ অনুমান সত্য। অহা কালি মই পৃথিৱীৰ দৰিদ্ৰতম ব্যক্তিত পৰিণত হ'ম।

— অনুগ্ৰহ কৰি বুজাই কওকচোন?

— বাৰু, তেনেহলে শুনক। যোৱা বছৰ মোৰ যাবতীয় সা-সম্পত্তি আৰু ঘৰ-মাটি নটিংহামৰ শ্বেৰিফৰ ওচৰত বন্ধক দি কিছু টকা ধাৰলৈ লৈছিলো। চৰ্ত আছিল এক নিৰ্দ্দিষ্ট দিনত সেই ঋণ পৰিশোধ কৰিব নোৱাৰিলে সিদিনাই মোৰ সকলো সা-সম্পত্তি আৰু ঘৰ-মাটি তেওঁ দখল কৰিব পাৰিব। অহা কালিয়ে সেই দুৰ্ভাগ্যৰ দিন।

— আপুনি এই বাটেৰে ক'লৈ যাব?

— মই যাবলৈ আহিছো ৰবিন হুডৰ ওচৰলৈ। জানোচা তেওঁৰ ওচৰত মই সাহায্য পাওঁ— এই আশাতেই মই শ্বেৰ উড ফৰেষ্টলৈ আহিছো।

— ৰবিন হুডক আপুনি চিনি পায়?

— নাই, নাপাওঁ। কিন্তু শুনিছো কোনো মানুহ যদি বিপদাপন্ন হৈ তেওঁৰ ওচৰত সাহায্য প্ৰাৰ্থনা কৰে, তেওঁ হেনো বিমুখ নকৰে।

— আপুনি ভুল শুনিছে। তেওঁৰ ওচৰত কেৱল সেইসকল লোকেহে সাহায্য পাই যিসকল অত্যাচাৰী জমিদাৰৰ দ্বাৰা উৎপীড়িত হৈছে বা হৈ আছে। তদুপৰি তেওঁ মাথো দুখীয়াকহে সহায় কৰে।

— আপুনি তেনে ভাবে নেকি যে ৰবিন হুডে মোক সহায় নকৰে?

— আপোনাৰ কথাটো অলপ বেলেগ। আপুনি যদিও দুখীয়া নহয়, তথাপি তেওঁ হয়তো আপোনাৰ এই বিপদত সহায় কৰিব। কাৰণ— প্ৰথমতে তেওঁ নটিংহামৰ শ্বেৰিফক মনে প্ৰাণে ঘৃণা কৰে; দ্বিতীয়তে তেৰোঁ মহাপ্ৰাণ ৰিচাৰ্ডকে দেশৰ ৰজা বুলি ভাবে।

ৰবিন হুডৰ কথা শুনি আশান্বিত হৈ চাৰ হেনৰীয়ে ক'লে— তেনেহলে ৰবিন হুডে মোক নিৰাশ নকৰে বুলিয়ে আপোনাৰ ধাৰণা।

– হয়, মোৰ ধাৰণা সেইটোৱে। যিয়ে নহওক, এতিয়া আপুনি ঘোৰাৰ পৰা নামি অলপ বিশ্ৰাম লওক।

ৰবিন হুডৰ কথা শুনি চাৰ হেনৰী ঘোৰাৰ পৰা নামি ঘোৰাটোক সেই আঁহত গছ ডালত বান্ধি ক'লে— ৰবিন হুডৰ লগত আপুনি মোক চিনাকি কৰি দিলে বৰ ভাল হয়।

চাৰ হেনৰীৰ কথা শুনি ৰবিন হুডে লাহেকৈ হাঁহি মাৰি ক'লে— তাৰ বাবে আপুনি ব্যস্ত হব নালাগে। আহক, অলপ কিবা খোৱা যাওক। আপোনাৰ মুখ দেখি ধাৰণা হৈছে আপুনি খুব ক্ষুধাৰ্ত।

– ক্ষুধাৰ্ত ঠিকেই। কিন্তু ক্ষুধাতকৈও অৰ্থ চিন্তাই বৰ্তমান মোৰ মনত প্ৰৱলভাৱে দেখা দিছে।

– অৰ্থ চিন্তাটো এতিয়া থাকক। আগতে কিবা অলপ খাই লোৱা যাওক।

পকেটৰ পৰা কেই টুকুৰামান ৰুটি আৰু একপেকেট পনিৰ উলিয়াই অলপ নিজৰ বাবে ৰাখি বাকীখিনি চাৰ হেনৰীক দি ৰবিন হুডে ক'লে— এই ধৰণৰ নিকৃষ্ট খাদ্য হয়তো আপুনি কোনো দিনে খোৱা নাই, কিন্তু মোৰ ওচৰত ইয়াৰ বাহিৰে আৰু কোনো খোৱা বস্তু নাই।

চাৰ হেনৰীয়ে ক'লে— আপুনি মোক যিমান ডাঙৰ মানুহ বুলি ভাবিছে, মই সিমান ডাঙৰ মানুহ নহয়। আপোনাক আগতেই কৈছো— ধাৰত মোৰ যাবতীয় সম্পত্তি যাবলৈ ওলাইছে। এয়ে যাৰ অৱস্থা ৰুটি আৰু পনিৰ তেওঁৰ বাবে অমৃত।

চাৰ হেনৰীয়ে খাবলৈ আৰম্ভ কৰিলে। ৰবিন হুদেও খাব ধৰিলে। খাই থাকি তেওঁ সুধিলে— সেই শ্বেৰিফৰ ওচৰত আপোনাৰ ধাৰৰ পৰিমাণ কিমান জানিব পাৰোনে?

– নিশ্চয় পাৰিব। মোৰ ঋণৰ পৰিমাণ হ'ল পাঁচশ পাউণ্ড।

– তেনেহলে পাঁচশ পাউণ্ড পালেই আপুনি ঋণমুক্ত হ'ব পাৰিব।

– হয়। কিন্তু কোনে মোক ইমান টকা ধাৰলৈ দিব? ৰবিন হুডে পকেটৰ পৰা এটা মোনা বাহিৰ কৰি চাৰ হেনৰীৰ হাতত দি ক'লে— ইয়াত পাঁচশ পাউণ্ড আছে। এইখিনি শ্বেৰিফক দি আপুনি ঋণমুক্ত হওক।

মোনাটো হাত পাতি লৈ চাৰ হেনৰী ৰবিন হুডৰ মুখৰ ফালে চাই থাকি বিস্মিত কণ্ঠেৰে ক'লে— আপুনি কোন দয়া কৰি কবনে?

ৰবিন হুডে কোনো উত্তৰ নিদি তেওঁৰ কঁকালত ওলমি থকা শিঙাটোত তিনিবাৰ ফুঁক মাৰিলে। লগে লগে বনৰ ভিতৰৰ পৰা এজাক যুৱক ওলাই আহি ৰবিন হুড আৰু চাৰ হেনৰীক আগুৰি ধৰিলে। চাৰ হেনৰীয়ে লক্ষ্য কৰিলে যে তেওঁলোক প্ৰত্যেকৰ হাতত ধনু-কাঁড় আৰু পিন্ধনত সেউজীয়া পোছাক।

যুৱকসকলৰ মাজৰ এজনে সুধিলে— এই মানুহজনক বন্দী কৰিব লাগিবনে?

ৰবিন হুডে হাঁহি মাৰি ক'লে— নেলাগে। এখেত আমাৰ বন্ধু।

চাৰ হেনৰীৰ ফালে চাই ক'লে— চাৰ হেনৰী, ময়ে ৰবিন হুড আৰু এওঁলোক সকলো মোৰ সহচৰ।

ৰবিন হুডৰ কথা শুনি চাৰ হেনৰী অভিভূত হৈ পৰিল। তেওঁ ৰবিন হুডৰ ফালে হাতখন আগবঢ়াই দি অশ্ৰুৰুদ্ধ কণ্ঠেৰে ক'লে— আজিৰ পৰা মইও আপোনাৰ বন্ধু।

ৰবিন হুডে তেতিয়া আনন্দেৰে চাৰ হেনৰীৰ হাতখন নিজৰ হাতৰ মুঠিত লৈ ক'লে— চাৰ হেনৰী, আজিৰ ৰাতিটোৰ বাবে আপুনি আমাৰ আতিথ্য গ্ৰহণ কৰক। কাইলৈ ৰাতিপুৱাই যাতে আপুনি নটিংহাম পাবগৈ পাৰে সেই ব্যৱস্থা মই কৰিম।

ইয়াৰ পিছত তেওঁলোকে বজ্ৰগম্ভীৰ কণ্ঠেৰে বনভূমি মুখৰিত কৰি গভীৰ অৰণ্যৰ ফালে আগবাঢ়িল।

দ্বিতীয় অধ্যায়

ৰবিন হুড কিয় বনবাসী হ'ল

ৰবিন হুড কিয় বনবাসী হ'ল, এই কথা জানিবলৈ হ'লে আমি কিছুবছৰ আগলৈ যাব লাগিব। ঘটনাৰ সূত্ৰপাত হয় আৰ্ল অৱ হাটিংডনৰ বিশাল প্ৰাসাদ হাটিংডন হলত। আৰ্ল অৱ হাটিংডন তেতিয়া ইংলেণ্ডৰ এজন বিখ্যাত লোক। ধনী হলেও তেওঁ আছিল সৎ আৰু হৃদয়বান লোক।

ইংলেণ্ডৰ ৰজা তেতিয়া মহামতি ৰিচার্ড। তেওঁৰ নিচিনা সাহসী আৰু দয়ালু ৰজা ইংলেণ্ডত খুব কমেই আছিল। তেওঁৰ সাহসৰ কাৰণে মানুহে তেওঁৰ নাম দিছিল— "ৰিচার্ড দি লায়ন হার্টেড"। তেওঁৰ শাসনত সৎলোকসকল বৰ আনন্দিত আছিল। কিন্তু অসৎ আৰু বদমাচ মানুহবোৰে তেওঁক যমৰ দৰে ভয় কৰিছিল।

ৰজা ৰিচার্ডৰ শাসনকালক মানুহে সৎ লোকৰ স্বৰ্গ আৰু অসৎলোকৰ যমালয় বুলিছিল। কিন্তু হঠাতে এনে এটা ঘটনা ঘটিল যাৰ ফলত অসৎ লোকবোৰে মূৰ তুলি থিয় হব পৰা সাহসী হৈ উঠিল।

ৰাজ্যৰ সীমান্ত অঞ্চল বিদেশীৰ দ্বাৰা আক্ৰান্ত হোৱাত ৰজা ৰিচার্ডে তেওঁৰ সৈন্য দল লৈ নিজে যুদ্ধযাত্ৰা কৰিলে। যোৱা সময়ত সৰু ভায়েক জনক সাময়িকভাবে ৰাজ্য শাসনৰ দায়িত্বভাৰ দি গ'ল। জনে ৰাজ্য শাসনৰ দায়িত্ব লৈ আৰম্ভ কৰিলে ৰজাৰ বিৰুদ্ধে ষড়যন্ত্ৰ। নটিংহামৰ শ্বেৰিফ, গিচবোৰ্নৰ জমিদাৰ আৰু অনেক স্বাৰ্থপৰ, বদমাচ লোক আহি জনৰ পক্ষত যোগ দিলে। সুযোগ বুজি জনে নিজকে ইংলেণ্ডৰ ৰজা বুলি ঘোষণা কৰি সিংহাসনত আৰোহণ কৰিলে।

জন সিংহাসনত বহাত বহু জমিদাৰে তেওঁৰ লগত হাত মিলানেও আৰ্ল অৱ হাটিংডনে তেওঁৰ লগত হাত নিমিলালে। বৰং তেওঁ নানাভৱে সকলোকে বুজাবলৈ চেষ্টা কৰিলে যে জনক সিংহাসনত বহুওৱা কাৰ্য্য অত্যন্ত অন্যায় হব। কিন্তু চোৰে যেনেকৈ ধৰ্মৰ কাহিনী শুনিবলৈ বেয়া পায় ঠিক তেনেকৈ বদমাচ জমিদাৰবোৰেও আৰ্ল অৱ হাটিংডনৰ কথাত কাণ নিদিলে। অকল সেয়ে নহয়, তেওঁলোকৰ কোনো কোনোৱে আৰ্লৰ লগত প্ৰকাশ্যে শত্ৰুতা কৰিবলৈও আৰম্ভ কৰিলে। যিসকলে তেওঁৰ লগত শত্ৰুতা কৰিবলৈ আৰম্ভ কৰিছিল, তেওঁলোকৰ মাজত প্ৰথমেই নাম লব লাগিব নটিংহামৰ শ্বেৰিফৰ। এওঁৰ বহুদিন আগৰ পৰাই আৰ্লৰ ওপৰত খং আছিল। কাৰণ তেওঁৰ সমুখতে মানুহে আৰ্ল অৱ হাটিংডনৰ প্ৰশংসা কৰিছিল। আগতে তেওঁ আৰ্লৰ বিৰুদ্ধে এটা কথাও উচ্চাৰণ কৰিবলৈ সাহস কৰা নাছিল, কাৰণ ৰজা ৰিচার্ডে আৰ্লক অত্যন্ত ভাল পাইছিল। এবাৰ সুযোগ বুজি তেওঁ ৰজা জনৰ ওচৰত আৰ্লৰ বিৰুদ্ধে নানাভৱে কথা লগাই আৰ্লৰ প্ৰতি ৰজা জনৰ মন বিৰূপ কৰি তোলে।

ৰজা জনক এনেদৰে আৰ্ল অৱ হাটিংডনৰ বিৰুদ্ধে উত্তেজিত কৰাৰ পিছত নটিংহামৰ শ্বেৰিফে গোপনে আৰ্লৰ প্ৰাসাদ আক্ৰমণ কৰাৰ বাবে প্ৰস্তুতি চলাবলৈ ধৰিলে। ইয়াৰ পিছত এদিন গভীৰ নিশা তেওঁ তেওঁৰ

সৈন্যদল লৈ গৈ অতৰ্কিতে হাটিংডন প্ৰাসাদ ঘেৰি ধৰি প্ৰচণ্ডভাৱে আক্ৰমণ চলালে।

আৰ্ল অতৰ্কিত আক্ৰমণৰ বাবে মুঠেও সাজু নাছিল। সেয়ে খুব সাহসী আৰু অস্ত্ৰচালনত সুদক্ষ হলেও শ্বেৰিফৰ সৈন্যৰ ওচৰত পৰাজিত হৈ বন্দী হ'ল। দুষ্ট শ্বেৰিফে তেতিয়া নিজ হাতেৰে আৰ্লক হত্যা কৰি তেওঁৰ প্ৰাসাদ আৰু জমিদাৰী দখল কৰি লয়।

ৰবিন হুড তেতিয়া বালক মাত্ৰ। বিপদ দেখি তেওঁ প্ৰাসাদৰ দুই তলাৰ পৰা তলৰ পুখুৰীত জপিয়াই পৰি সাঁতুৰি পাৰ হৈ পলাই যায়। কিন্তু পলোৱা সময়ত তেওঁ মনে মনে প্ৰতিজ্ঞা কৰে যে সুযোগ পালেই নটিংহামৰ শ্বেৰিফক হত্যা কৰি তেওঁ পিতৃহত্যাৰ প্ৰতিশোধ লব। সেয়ে তেওঁ শ্বেৰ উদ ফৰেষ্টত আত্মগোপন কৰি থাকি সুযোগৰ সন্ধানত প্ৰতীক্ষা কৰি থাকে।

ৰবিনে যেতিয়া শ্বেৰ উদ ফৰেষ্টত আত্মগোপন কৰে, সেই সময়ত আৰু এদল যুৱকে তাত বাস কৰিছিল। তেওঁলোকো আছিল জনৰ বিৰোধী। কিন্তু সংখ্যাত মুষ্টিমেয় হোৱাত আৰু অস্ত্ৰ বলত বলীয়ান নোহোৱাত তেওঁলোকে লোকালয়ৰ পৰা পলাই আহি শ্বেৰ উদ ফৰেষ্টত আশ্ৰয় গ্ৰহণ কৰে।

ইফালে ৰবিন হুডে যেতিয়া বনৰ ফলমূল খাই জীৱন ধাৰণ কৰিছে, তেতিয়া এদিন তেওঁৰ লগত সেই যুৱকসকলৰ দেখা হয়। প্ৰথম দৰ্শনতে তেওঁলোকে ৰবিন হুডক বন্ধু হিচাপে গ্ৰহণ কৰে। ইয়াৰ পিছত ৰবিনৰ ধনুকাঁড়ৰ দ্বাৰা লক্ষ্যভেদৰ কুশলতা আৰু নেতৃত্বসুলভ গুণাৱলী দেখি তেওঁলোকে ৰবিন হুডক নেতা বুলি স্বীকাৰ কৰি লয়।

ৰবিন হুডে ক'লে— তেওঁলোকে অতৰ্কিতে আক্ৰমণ কৰি অসৎ প্ৰকৃতিৰ ধনী মানুহবোৰৰ টকা-পইচা ধন-সম্পত্তি কাঢ়ি আনি দেশৰ দুখীয়া লোকসকলৰ মাজত বিলাই দিব। এনে ধৰণে কাম কৰি যাব পাৰিলে দেশৰ জনসাধাৰণৰ অকুণ্ঠ সহায়, সহযোগিতা লাভ কৰিব পৰা যাব নিশ্চয়।

যুৱকসকলৰ মাজৰ এজনে ক'লে— কিন্তু এনেভাৱে কাম কৰিব লাগিলে আমাৰ দলত আৰু কিছু যুৱক লব লাগিব। তদুপৰি আমি প্ৰত্যেকেই অস্ত্ৰচালনা আৰু ধনুৰ্বিদ্যা শিকিব লাগিব।

আন এজনে ক'লে— আৰু এটা কাম আমি কৰিব লাগিব। ৰজাৰ সৈন্যবোৰে যিভাৱে পোছাক পিন্ধে আমিও তেনেকৈ পোছাক পিন্ধিব লাগিব। আমি যদি সেউজীয়া পোছাক পিন্ধি গছত উঠি পাতৰ আঁৰত লুকাই

থাকো, তেনে আমাক কোনেও দেখা নাপায়। আৰু শিৰস্ত্ৰাণ হিচাপে আমি বিশেষ ধৰণৰ হুড ব্যৱহাৰ কৰিব লাগিব।

দুয়োজনৰে প্ৰস্তাৱ ৰবিন হুডে আনন্দমনে গ্ৰহণ কৰিলে। ইয়াৰ পিছৰ পৰাই ৰবিন হুড আৰু তেওঁৰ সহকৰ্মীসকলে সেউজীয়া পোছাক আৰু শিৰস্ত্ৰাণ পিন্ধা আৰম্ভ কৰিলে।

তৃতীয় অধ্যায়

লিটল যোহন

শ্বেৰ উদ ফৰেষ্টৰ বুকুলৈ নামি আহিছে নিশাৰ ঘোৰ অন্ধকাৰ। গোপন আশ্ৰয় স্থলত বহি ৰবিন হুড আৰু তেওঁৰ বন্ধুসকলে ৰাতিৰ আহাৰ খাই আছিল।

এটা হৰিণ চিকাৰ কৰি আনিছিল তেওঁলোকে। হৰিণটো চেলাই জুইত সেকি ৰোষ্ট বনাই হৰিণৰ মাংস খোৱা আৰম্ভ কৰিলে সকলোৱে।

আহাৰ পৰ্ব শেষ হোৱাৰ পিছত আৰম্ভ হ'ল গল্পগুজৱ। কোনো কোনোৱে গান গাবলৈ আৰম্ভ কৰিলে। বহু ৰাতিলৈকে এনে ভাৱে আনন্দ স্ফূৰ্ত্তিত কটাই আটায়ে শুই পৰিল।

পিছদিনা ৰাতিপুৱা। ৰবিন হুডে তেওঁৰ বন্ধুসকলক ক'লে— শুনা বন্ধুসকল। আজি মই অকলে অভিযানত ওলাম। তোমালোকে তোমালোকৰ নিজ খুচিমতে আজি যিয়ে যি কৰা কৰিবা। এই কথা কৈয়ে তেওঁৰ কাঁড়ৰ তূণটো পিঠিত বান্ধি ধনুখন হাতত লৈ বাহিৰলৈ ওলাই গ'ল। বহু দূৰ বাট যোৱাৰ পিছত তেওঁ এখন নদীৰ পাৰত আহি উপস্থিত হ'ল। নামত নদী বুলিলেও দৰাচলতে সেইটো এটা সৰু জুৰিহে।

নৈখন পাৰ হবলৈ তাৰ ওপৰত এখন ডাঠ তক্তা পাৰি থোৱা আছিল। সেই তক্তাৰ ওপৰেদিয়ে মানুহে নৈখন পাৰ হয়। ৰবিন হুডো সেই তক্তাৰ ওপৰেদি পাৰ হবলৈ ধৰোতে সিটো পাৰৰ পৰা এজন মানুহে চিঞৰি উঠিল— এই পোৱালি। তক্তাৰ পৰা নামি যা। দেখা নাই মই নদী পাৰ হৈ আছোঁ।

ৰবিন হুড অন্যমনস্ক থকা কাৰণে মানুহজনক মন কৰা নাছিল। সেয়ে তেওঁ মানুহজনৰ ফালে চাই ক'লে— তুমি কোনহে বীৰবৰ। তুমিয়ে বৰং আঁতৰি যোৱা, মই আগতে পাৰ হৈ লওঁ। তুমিতো জানাই সকলো কামত যোগ্যজনে অগ্ৰাধিকাৰ পায়। যোৱা— মনে মনে নামি যোৱা তক্তাৰ পৰা।

— কথাটো হয়। তুমি নিজকে যোগ্য ব্যক্তি বুলি ভাবিছা নহয়। ঠিক আছে, তেনেহলে প্ৰমাণ হৈ যক কোন যোগ্য।

— মোৰ আপত্তি নাই। কেনেকৈ যোগ্যতাৰ প্ৰমাণ কৰিবা?

— প্ৰমাণ হব যুদ্ধৰ দ্বাৰা আৰু যুদ্ধ হব এই তক্তাৰ ওপৰত। তুমি যদি মোক পানীত পেলাই দিব পাৰা তেনে তুমিয়ে হবা যোগ্যতৰ, কিন্তু যদি ওলোটাটো হয় অৰ্থাৎ মই যদি তোমাক পানীত পেলাব পাৰো, তেনে মইয়ে হম যোগ্যতম্। কি? সন্মত আছা ইয়াত?

ৰবিন হুড লগে লগে সন্মত হ'ল মানুহজনৰ প্ৰস্তাৱত। তেওঁ ক'লে— ঠিক আছে, তুমি প্ৰস্তুত হোৱা।

তেওঁ ধনুত কাঁড় যুৰিলে।

ৰবিন হুডে কাঁড় যোজনা কৰা দেখি মানুহজনে ক'লে— এয়া কোন দেশীয় ৰীতি ব্ৰাদাৰ। তুমিতো দেখিছা মোৰ হাতত এডাল লাখুটিৰ বাহিৰে একো নাই। সেয়া দেখিও ধনুত কাঁড় যুৰিছা। দন্দ যুদ্ধৰ নিয়ম এইটো নহয়। তুমি যদি সঁচাকৈয়ে মোৰ লগত যুদ্ধ কৰিব খোজা, তেনেহলে তুমিও এডাল লাঠি আনিব লাগিব। নাইবা যদি কোৱা দুয়োজনেই খালি হাতে যুদ্ধ কৰো।

মানুহজনৰ কথা শুনি ৰবিন হুডে লাজ পালে। তেওঁ তেতিয়া মানুহজনৰ ফালে চাই ক'লে— ঠিক আছে, তেনেহলে তুমি ইয়াতেই থিয় হৈ থকা। মইও এডাল লাঠি যোগাৰ কৰি আনো।

এই কথা কৈয়ে তেওঁ জঙ্ঘললৈ গৈ সৰু কিন্তু মজবুত চাই গছৰ ডাল এটা সংগ্ৰহ কৰি আনিলে। তাৰ পিছত তক্তাৰ ওপৰত ভৰি দি ক'লে— আহা ব্ৰাদাৰ, মই এতিয়া প্ৰস্তুত।

মানুহজনে তেতিয়া এখোজ দুখোজকৈ আগবাঢ়ি আহিল আৰু ৰবিনো আগবাঢ়ি গ'ল মানুহজনৰ ওচৰলৈ। তক্তাখনৰ ঠিক মাজত দুয়ো মুখামুখি হৈ থিয় হৈ ৰবিনে ক'লে— এইবাৰ নিজক ৰক্ষা কৰা ব্ৰাদাৰ।

এই কথা কৈয়ে শৰীৰৰ সৰ্ব্ব শক্তি প্ৰয়োগ কৰি তেওঁৰ হাতত থকা গছৰ ডালটোৰে মানুহজনৰ বুকুৰ বাওঁফালে প্ৰচণ্ড কোব সোধালে।

কিন্তু মানুহজনৰ দেহটো যেন লোহাৰে তৈয়াৰী। ৰবিনৰ লাঠিৰ আঘাতত কোনোৰকম যন্ত্ৰণাসূচক শব্দ এটাও তেওঁৰ মুখৰ পৰা নোলাল, বৰং দাঁত উলিয়াই হাঁহি ৰবিনক ক'লে— এইকণ জোৰ লৈয়ে লিটল যোহনৰ লগত যুদ্ধ কৰিবলৈ আহিছা। এইবাৰ মোৰ আঘাত সহ্য কৰা ব্ৰাদাৰ।

মানুহজনে দুয়োখন হাতেৰে লাঠিডাল তুলি লৈ ৰবিনৰ মূৰত প্ৰবল বেগে আঘাত কৰিলে। ৰবিন হুডে সেই আঘাত সহ্য কৰিব নোৱাৰিলে। দুয়োটা চকুৰে অন্ধকাৰ দেখি তেওঁ নৈৰ পানীত পৰি গ'ল।

মানুহজনে তেতিয়া হাঁহি মাৰি পানীৰ পৰা ৰবিনক তুলি আনি তক্তাৰ ওপৰত তুলিলে। তাৰ পিছত ক'লৈ— লাঠিৰ যুদ্ধ হ'ল। এইবাৰ তেনেহলে কাঁড় নিক্ষেপ কৰা পৰীক্ষাটোও হওক।

কাঁড় নিক্ষেপত ৰবিন হুডৰ সমকক্ষ কোনো দ্বিতীয় ব্যক্তি ইংলেণ্ডত নাছিল। সেয়ে মানুহজনৰ কথা শুনি ৰবিনৰ মনত আঘাত লাগিল। সেয়ে তেওঁ মানুহজনৰ ফালে চাই ক'লে— ঠিক আছে, মই যি লক্ষ্যস্থল নিৰ্দ্দিষ্ট কৰি দিম। সেই লক্ষ্য ভেদ কৰিব পাৰিলে বুজিম সঁচাকৈয়ে তুমি সুদক্ষ তীৰন্দাজ।

তেওঁ তক্তাৰ পৰা নামি গৈ বনৰ মাজত এডাল ডাঙৰ গছৰ গুৰিৰ ওপৰৰ এক ইঞ্চি ঠাইৰ পৰা গছৰ বাকলি উঠাই পেলালে। তাৰ পিছত লিটল যোহনৰ ওচৰলৈ ঘূৰি আহি ক'লে— সৌযে দূৰত গছডাল দেখিছা। তাৰ গুৰিৰ ওপৰত মই এটুকুৰা ঠাই চিহ্নিত কৰি আহিছো। ঠাই টুকুৰা দেখিবলৈ পাইছানে?

– পাইছো। তুমি মোক ধনুকাঁড় দিয়া। চোৱা মই লক্ষ্যভেদ কৰিব পাৰো নে নোৱাৰো।

ৰবিন হুদে তেতিয়া ধনুখন আৰু এপাট কাঁড় লিটল যোহনৰ হাতত তুলি দি ক'লে— এই লোৱা ধনুকাঁড়। এইবাৰ তোমাৰ খেলা দেখুওৱা।

লিটল যোহনে ধনুখনত কাঁড় জুৰি অৱলীলা ক্ৰমে কাঁড় এৰি দিলে।

লিটল যোহনে যে লক্ষ্যভেদ কৰিব পাৰিছে, ৰবিন হুডে লক্ষ্য কৰিলে। সেয়ে তেওঁ লিটল যোহনৰ ফালে চাই ক'লে— সঁচাকৈয়ে তুমি বীৰ। এতিয়া মোৰ খেলাটোও এবাৰ চোৱা।

ৰবিন হুডে লিটল যেহনে যেনেকৈ অৱহেলাভাৱে তীৰ নিক্ষেপ কৰিছিল তাতকৈও বেছি অৱহেলাভাৱে কাঁড় নিক্ষেপ কৰিলে।

লিটল যোহনে বিস্মিতভাৱে লক্ষ্য কৰিলে যে ৰবিন হুডৰ কাঁড় পাতে

তেওঁৰ কাঁড় পাত দুইখণ্ড কৰি ফালি পেলাই লক্ষ্যস্থলৰ ঠিক মাজত বিন্ধি ধৰিছে।

তেওঁ মানুহৰ মুখত শুনিছে এনে ধৰণৰ কাঁড়ৰ খেল একমাত্ৰ ৰবিন হুডেই দেখুৱব পাৰে। সেয়ে তেওঁ ৰবিন হুডৰ পিঠিত চাপৰ মাৰি ক'লে— বঢ়িয়া। মই শুনিছিলো এনে ধৰণৰ আশ্চৰ্য্য লক্ষ্যভেদ একমাত্ৰ ৰবিন হুডৰ বাহিৰে কোনোৱে নোৱাৰে।

— ৰবিন হুডক তুমি চিনি পোৱা নেকি?

— নাই, নাপাও। কিন্তু নাপালেও তেওঁৰ কথা বহু মানুহৰ মুখত মই শুনিছো। সেয়ে মই আজি তেওঁৰ লগত দেখা কৰিবলৈ ওলাইছোঁ।

— কিয় কোৱাচোন?

— মই ৰবিন হুডৰ দলত যোগ দিব বিচাৰিছোঁ। এইবাৰ অনুগ্ৰহ কৰি বাট এৰি দিয়া। মই যাওঁ।

— তুমি আৰু ৰবিন হুডৰ সন্ধানত যাব নালাগে বন্ধু। তেওঁ তোমাৰ সমুখত থিয় হৈ আছে।

— তুমিয়ে ৰবিন হুড!

— হয়, ময়ে সেই হতভাগ্য ৰবিন হুড। আহা মোৰ লগত।

এইবুলি কৈ লিটল যোহনক লগত লৈ বনৰ ভিতৰলৈ কিছু দূৰ যোৱাৰ পিছত ৰবিনে তেওঁৰ কঁকালৰ পৰা বাঁহীটো হাতত লৈ তিনিটা ফুঁক দিলে।

লগে লগে শতাধিক যুৱক আহি ৰবিন আৰু লিটল যোহনক ঘেৰি থিয় হ'ল। লিটল যোহনে লক্ষ্য কৰিলে যুৱক দলৰ প্ৰত্যেকেই সেউজীয়া ৰঙৰ পোছাক পিন্ধা আৰু তেওঁলোক প্ৰত্যেকৰে হাতত আছে ধনু আৰু পিঠিত বান্ধি লৈছে কাঁড়।

ৰবিন হুডে তেওঁলোকৰ লগত লিটল যোহনক পৰিচয় কৰাই দি ক'লে— এওঁৰ নাম লিটল যোহন। আজিৰ পৰা এওঁ আমাৰ বন্ধু। আমাৰ লগতে এওঁ থাকিব।

ৰবিন হুডৰ কথা শুনি যুৱকসকলে হৰ্ষধ্বনি দি বনভূমি কম্পিত কৰি তুলিলে।

চতুৰ্থ অধ্যায়

চাৰ গী অৰ গিচবৰ্ণ

নটিংহামৰ শ্বেৰিফৰ বন্ধু চাৰ গী অৰ গিচবৰ্ণ এক বিৰাট অঞ্চলৰ জমিদাৰ। মানুহজন যেনে চয়তান তেনে নিৰ্দয়। এওঁৰ অত্যাচাৰত ওচৰ-পাজৰৰ গৰীব দুখীয়া মানুহবোৰ অতিষ্ঠ হৈ পৰিছিল।

চাৰ গীৰ বিস্তীৰ্ণ খেতি পথাৰৰ এফালে কিছু সংখ্যক গৰীব মানুহ বাস কৰিছিল। এওঁলোকৰ মাজৰ এজনৰ নাম চাইমন।

সেইদিনাখন চাইমনে তেওঁৰ বাৰীৰ সমুখৰ মাটিত হাঁহ চৰাইছিল আৰু তেওঁৰ পত্নী বেটচীয়ে বাৰাণ্ডাত বহি চাউল ধুই আছিল। হঠাৎ চাইমনৰ আৰ্ত্ত চিংকাৰ শুনি বেটচী সেইফালে চাই দেখিলে চাৰ গীৰ চিপাহীবোৰে তেওঁৰ স্বামীক ধৰি টানি নিছে।

বেটচী দৌৰি আহি চিপাহীবোৰলৈ চাই চিএঞৰি উঠিল— তোমালোকে মোৰ স্বামীক ধৰি নিছা কিয়? তোমালোক কোন? মোৰ স্বামীৰ অপৰাধ কি?

চিপাহীবোৰৰ দলপতি জনে ক'লে— তোমাৰ স্বামীৰ অপৰাধ অত্যন্ত গুৰুতৰ। এওঁৰ হাঁহজাকে চাৰ গীৰ মাটিত সোমাই খেতিবাতি নষ্ট কৰিছে।

চাইমনে ক'লে— আপুনি কি কৈছে জামাদাৰ চাহাব। চাৰ গীৰ খেতি কাহানিবাই কাটি লৈ গৈছে।

– চয়তান! আৰু কথা কৈছ। ৰ' তোক মজা দেখুৱাওঁ।

জামাদাৰ চাহেব আগবাঢ়ি আহি চাইমনৰ মুখত প্ৰচণ্ডভাৱে এটা ঘোচা মাৰিলে। ঘোচা খাই বেচেৰা চাইমনে আৰ্তনাদ কৰি উঠিল।

জামাদাৰে তেওঁৰ লগৰীয়াসকলক ক'লে— তোমালোকে এটা কাম কৰা। কেইটামান হাঁহ মালিকৰ বাবে লোৱা। হাঁহ পালে তেওঁ বৰ আনন্দিত হ'ব।

চিপাহীহঁতে তেতিয়া দহটামান হাঁহ ধৰি আনি ক'লে— চাওক হুজুৰ, হাঁহবোৰ কেনে শকত-আৱত।

জামাদাৰে হাঁহ কেইটালৈ চাই আনন্দমনে ক'লে— এইবাৰ ব'লা। আৰু বেছি দেৰি কৰা উচিত নহয়। তোমালোক হাঁহবোৰ লৈ মোৰ ঘৰলৈ যোৱা। মই আৰু বাৰ্লেহি এই মানুহটোক মালিকৰ ওচৰলৈ লৈ যাওঁ।

চিপাহীকেইজনে হাঁহকেইটা লৈ গ'ল। জামাদাৰ আৰু বাৰ্লেহি চাইমনক টানি লৈ যাব ধৰিলে।

স্বামীৰ দুঃখ দেখি নিৰুপায় বেটচী তেতিয়া কান্দি কান্দি কবলৈ ধৰিলে— হে ভগবান, গৰীবৰ ওপৰত এয়া কি অত্যাচাৰ? এই অত্যাচাৰৰ জানো কোনো প্ৰতিকাৰ নাই?

বেটচী এনেকৈ কান্দি থকা দেখি ওচৰৰ এজনী তিৰোতা আহি ক'লে— কান্দি কোনো লাভ নহব বাইদেউ! পুৰুষবিলাকক দেখিলেনে? জমিদাৰৰ চিপাহী দেখি কেনেকৈ নেজ পকাই আঁতৰি গ'ল। এওঁলোকৰ দ্বাৰা কোনো কাম নহব। ইয়াৰ প্ৰতিকাৰ আমিয়ে কৰিম।

– আমি ইয়াৰ প্ৰতিকাৰ কেনেকৈ কৰিম? জমিদাৰৰ বিৰুদ্ধে থিয় হোৱা শক্তি জানো আমাৰ আছে?

– আমাৰ নাথাকিলেও এজনৰ আছে। তেওঁ হ'ল ৰবিন হুড। আমি তেওঁৰ ওচৰত সহায় বিচাৰিম।

– মনে মনে থাকা। কোনোবাই শুনিলে বিপদ হ'ব। বেটচী তেওঁৰ শুভকামনাকাৰিণীক মনে মনে থাকিবলৈ ক'লেও তেওঁলোকৰ কথা কিন্তু ৰবিন হুডৰ কাণত পৰিল।

ৰবিন হুডৰ দলৰ এজন যুৱকে চাইমনৰ বিপদৰ কথা জনাই দিলে তেওঁক। যুৱকৰ পৰা সকলো কথা শুনি ৰবিনে লিটল যোহনক একাষৰীয়াকৈ মাতি নি তেওঁৰ লগত কি যেন পৰামৰ্শ কৰিলে। তাৰ পিছত দুয়ো ভেৰা ৰখীয়াৰ পোছাক পিন্ধি ধনুকাঁড় কাপোৰৰ তলত লুকাই লৈ চহৰৰ ফালে ওলাই গ'ল। যোৱাৰ সময়ত ৰবিনে তেওঁৰ বন্ধুসকলক কৈ গ'ল তেওঁলোক যেন প্ৰস্তুত হৈ বনৰ প্ৰান্তত লুকাই থাকে।

ৰবিন আৰু লিটল যোহন বনৰ ভিতৰেদি দ্ৰুত পদক্ষেপে গিচবোৰ্ণ প্ৰাসাদৰ ফালে যাব ধৰিলে। গৈ থাকোতে দুয়ো দেখিবলৈ পালে যে হাত বন্ধা অৱস্থাত এজন মধ্যবয়স্ক মানুহক দুজন চিপাহীয়ে ধৰি টানি টানি লৈ গৈছে। মানুহজনক দেখিয়ে ৰবিন হুড আৰু লিটল যোহনে বুজি পালে যে তেৱেঁই সেই হতভাগ্য চাইমন।

তেওঁলোকে তেতিয়া চিপাহী দুজনৰ অলক্ষ্যে সমুখৰ ফালে আগবাঢ়ি

গৈ বাটৰ কাষত বহি চিপাহীহঁতলৈ অপেক্ষা কৰি থাকিল।

অলপ পিছতে চিপাহী দুজন অহা দেখা গ'ল। সিহঁতে চাইমনৰ হাত দুটা বান্ধি টানি টানি লৈ আহিছিল। তেওঁলোক ওচৰ পোৱাত ৰবিন হুড আৰু লিটল যোহন থিয় হ'ল। ৰবিন চিপাহী দুজনৰ ওচৰলৈ গৈ ক'লে— গুড মৰ্নিং চাৰ। এই মানুহজন বোধহয় চোৰ?

তেওঁৰ কথাৰ উত্তৰত জামাদাৰে ক'লে— নহয়, এওঁ চোৰ নহয়। চাৰ গীৰ খেতিপথাৰত এওঁৰ হাঁহ এপাল সোমাই দি কোমল ধান গছবোৰ খুৱাইছে। আমি সেয়ে এওঁক চাৰ গীৰ ওচৰলৈ ধৰি আনিছো।

ৰবিন হুডে তেতিয়া জামাদাৰ আৰু চিপাহীৰ ফালে চাই ক'লে— এদিনাখন আমি গিচবোৰ্ণ প্ৰাসাদৰ ওচৰত দুজন চিপাহীয়ে মাৰামাৰি কৰা দেখিছিলো। কেনেকৈ সিহঁতে মাৰামাৰি কৰিছিল জানে? ঠিক এনেকৈ। বুলি কৈয়ে তেওঁৰ হাতৰ লাঠিডালেৰে সেই জামাদাৰ আৰু চিপাহীক মৰিয়াবলৈ ধৰিলে। লগে লগে লিটল যোহনৰ লাঠিডালো পৰিবলৈ ধৰিলে সিহঁতৰ পিঠি আৰু কঁকালত।

ৰবিনে তেতিয়া তেওঁলোকক মৰিয়াই আৰু কয়— হাঁ, ঠিক এনেকৈ, ঠিক এনেকৈ।

মাৰৰ কোবত জামাদাৰ চাহেব আৰু বাৰ্লোহি চাইমনক তাতে এৰি থৈ সোঁসোঁকৈ দৌৰ মাৰিলে নিজৰ পিঠি বচাবলৈ।

ৰবিনে তেতিয়া হাঁহি হাঁহি চাইমনৰ হাতৰ বান্ধোন খুলি দি ক'লে— এইবাৰ তুমি ঘৰলৈ যাব পাৰা বন্ধু। ঘৰলৈ গৈ তোমাৰ পৰিবাৰক ক'বা তেওঁ যাৰ ওচৰত গোচৰ দিম বুলি ভাবিছিল সেই মানুহেই তোমাক মুক্ত কৰিছে।

চাইমনে তেতিয়া ৰবিন আৰু তেওঁৰ সহকৰ্মীক ধন্যবাদ জনাই ঘৰলৈ আগবাঢ়িল।

ৰবিনে ক'লে— মোৰ মূৰত এটা বুদ্ধি খেলাইছে বন্ধু। এই বুলি লিটল যোহনৰ কাণে কাণে মুখ দি তেওঁ কি যে ক'লে। তেওঁৰ কথাত লিটল যোহন আনন্দিত হৈ ক'লে— চমৎকাৰ বন্ধু। মইও তোমাৰ লগত যাম।

চাৰ গী যেতিয়া তাৰ প্ৰাসাদৰ দৰবাৰ কক্ষত বহি বন্ধু-বান্ধৱৰ লগত কথা পাতি আছিল। সেই সময়তে জামাদাৰ আৰু বাৰ্লো ম্লান মুখে তেওঁৰ সমুখত হাজিৰ হৈ অভিবাদন কৰি থিয় হ'ল। তেওঁলোকৰ ফালে চাই চাৰ গীয়ে ক'লে— কি খবৰ। তোমালোক এই সময়ত ক'ৰ পৰা আহিলা?

চাৰ গীৰ প্ৰশ্নৰ উত্তৰত জামাদাৰে তেতিয়া যি যি ঘটিছিল সকলো কথা খুলি ক'লে। মাথোন হাঁহ চুৰিৰ ঘটনাটো ব্যক্ত নকৰিলে।

তেওঁৰ কথা শুনি চাৰ গীয়ে ক'লে— সাধাৰণ দুজন ভেৰাঁৰখীয়াৰ হাতত মাৰ খাই আহিছ। তহঁতে আৰু মাৰ খোৱা উচিত।

– তেওঁলোক সাধাৰণ ভেৰাৰখীয়া নহয় হুজুৰ। তেওঁলোক চেৰ উদ ফৰেষ্টৰ ডকাইত দলৰ মানুহ।

– হয় হুজুৰ। তেওঁলোকে সেই কথাই ক'লে।

চাৰ গী উত্তেজিতভাৱে চকীৰ পৰা উঠি শুধিলে– ক'ত সিহঁত।

ঠিক সেই সময়তে খিৰিকীৰে এপাট কাঁড় আহি চাৰ গীৰ সমুখৰ টেবিলৰ ওপৰত বিন্ধি ধৰিলে। কাঁড়ডালৰ ফালে চাওঁতেই চাৰ গীয়ে দেখিবলৈ পালে কাঁড়ডালত এখন কাগজ আঁৰি থোৱা আছে। তেওঁ তেতিয়া কাঁড় পাতত লাগি থকা কাগজখন খুলি আনিলে। তাত লিখা আছিল— "দুখীয়া মানুহবোৰো তোমাৰ নিচিনা মানুহ। তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰিলে তাৰ ফল ভাল নহব।"

চিঠিখন পঢ়ি চাৰ গীৰ মুখখন খঙত ৰঙা হৈ পৰিল। তেওঁ তেতিয়া সেই জামাদাৰজনৰ ফালে চাই চিঞৰি ক'লে— তুমি গৈ মোৰ সৈন্যসকলক কোৱা তেওঁলোক যেন এই মুহূৰ্ত্ততে অস্ত্ৰশস্ত্ৰ লৈ বাহিৰ ওলাই। তুমিও যোৱা। সেই মনুহ দুজনক গ্ৰেপ্তাৰ কৰি আনিবই লাগিব।

জামাদাৰ চাহেবে তেতিয়াই বাহিৰলৈ গৈ সেনাপতিক চাৰ গীৰ আদেশ জনালে।

জামাদাৰৰ কথা শুনি সেনাপতি এডল অশ্বাৰোহী সৈন্য লৈ ওলাই আহিল।

তেওঁলোক ছেৰ উদ ফৰেষ্টৰ ওচৰলৈ অহাত জামাদাৰে ক'লে— সৌ চোৱা। সেই মানুহ দুজন বনৰফালে দৌৰিছে।

সেনাপতিয়ে দেখিবলৈ পাইছিল তেওঁলোকক। সেয়ে তেওঁ সৈন্যসকলৰ ফালে চাই আদেশ দিলে— আগবাঢ়ি যোৱা। সিহঁত দুজনক ধৰিবই লাগিব।

সৈনিকবোৰে তেতিয়া তীৰবেগে ঘোৰা দৌৰাই বনৰ ওচৰ পালে। কিন্তু শত কষ্ট কৰিও তেওঁলোকে সেই মানুহ দুজনক ধৰিব নোৱাৰিলে। সৈনিকবোৰে বনৰ ওচৰ পোৱাৰ আগতে তেওঁলোক দুজন অৰণ্যৰ মাজত সোমাই পৰিল।

সৈনিকহঁত তেতিয়া থিয় হৈ সেনাপতিৰ নিৰ্দ্দেশৰ বাবে অপেক্ষা কৰিবলৈ ধৰিলে। সেনাপতিয়ে নিৰ্দ্দেশ দিলে— অৰণ্যৰ ভিতৰলৈ সোমাই যোৱা সিহঁত নিশ্চয় বেছি দূৰ আগবাঢ়িব পৰা নাই। যেনেকৈয়ে নহওক সিহঁত দুজনক আমি ধৰিমেই।

ঠিক সেই সময়ত কোনে যেন তিনিবাৰ শিঙা বজালে। লগে লগে বনৰ ভিতৰৰ পৰা শত শত ধনুধাৰী দৌৰি আহি সৈনিকহঁতক আগুৰি পেলাই ধাৰাসাৰে কাঁড় বৰ্ষণ কৰিবলৈ ধৰিলে। বেচেৰা সৈনিকহঁতৰ অৱস্থা তেতিয়া ৰীতিমত কাহিল। তেওঁলোক যে পলাই গৈ প্ৰাণ ৰক্ষা কৰিব সেই পথো বন্ধ।

সেনাপতিয়ে তেতিয়া হাতৰ পৰা অস্ত্ৰ পেলাই দি দুয়োখন হাত ওপৰলৈ তুলি ক'লে— আমি আত্মসমৰ্পণ কৰিছো। দয়া কৰি যুদ্ধ বন্ধ কৰক।

ৰবিন হুডে তেতিয়া গম্ভীৰ পদক্ষেপে সেনাপতিৰ সমুখলৈ আহি থিয় হ'ল। তাৰ পিছত সহকৰ্মীসকলৰ ফালে চাই ক'লে— এওঁলোকৰ গাৰ পৰা সকলো পোছাক খুলি লোৱা।

লগে লগে ৰবিন হুডৰ মানুহে সৈনিকসকলৰ গাৰ পৰা পোছাক খুলি ল'লে আৰু সিহঁতৰ হাতবোৰ পিছফালে বান্ধি পেলালে। সেনাপতি আৰু জামাদাৰৰ হাতো ভালকৈ বন্ধা হ'ল।

ৰবিন হুডে তেতিয়া সেনাপতিৰ ফালে চাই ক'লে— এইবাৰ তুমি তোমাৰ সৈন্যবোৰ লৈ তোমাৰ মালিকৰ ওচৰলৈ ঘূৰি যাব পাৰা। তেওঁক কবা যে দুখীয়াক অত্যাচাৰ কৰিলে তেওঁৰ দশা তোমালোকতকৈও বেয়া হব। বুজিলা।

চাৰ গীৰ সেনাপতি ইয়াৰ আগত কোনোদিন এইভাৱে পৰাজিত আৰু অপমানিত হোৱা নাছিল। তেওঁ তেতিয়া শিৰ নত কৰি অৰণ্যৰ বাহিৰ হৈ গ'ল।

পঞ্চম অধ্যায়

শ্বেৰ উড ফৰেষ্টত নটিংহামৰ শ্বেৰিফ

কিছুদিন পিছৰ কথা।

সেইদিনা ৰবিন হুদে ছদ্মবেশে নতুন এডভেঞ্চাৰৰ সন্ধানত বাহিৰ হ'ল। যোৱা সময়ত কাকো লগত লৈ নগ'ল। অৰণ্যৰ পৰা ওলাই আহি গাঁৱলীয়া পথেৰে তেওঁ আগবাঢ়িল। কিছুদূৰ যোৱাৰ পিছত দেখিবলৈ পালে— এজন কচাই এখন ঘোঁৰা গাড়ীত কেইটামান ছাল চেলাই লোৱা ভেড়া আৰু খাঁহী ছাগলী লৈ আহিছে। গাড়ীখন ৰবিনৰ ওচৰ পোৱাত তেওঁ কচাইক শুধিলে— এইবোৰ ক'লৈ লৈ যোৱা ভাই।

কচায়ে ক'লে— মই যাম নটিংহামৰ বজাৰলৈ। তালৈ গৈ এইবোৰ কাটি কাটি বিক্ৰী কৰিম।

মানুহজনৰ কথা শুনি ৰবিনে এটা বুদ্ধি পাঙিলে। সেয়ে তেওঁ মানুহজনলৈ চাই ক'লে— তুমি যদি তোমাৰ গাড়ী-ঘোৰাসহ মাংসবোৰ বিক্ৰি কৰা তেনেহলে মই তোমাক ভাল দাম দিবলৈ সন্মত আছোঁ।

কচায়ে ক'লে— গাড়ী-ঘোৰা নি তুমি কি কৰিবা?

— মাংসৰ দোকান দিম।

— তোমাৰ টকা আছে।

— আছে। কিমান দাম লবা।

— পঞ্চাশ পাউণ্ড। তাৰ কমত নিদিওঁ।

— বেছ! মই সন্মত। এই লোৱা।

পকেটৰ পৰা এখন মোনা উলিয়াই তাৰ পৰা পঞ্চাশ পাউণ্ড বাহিৰ কৰি কচাইৰ হাতত দি ৰবিন হুডে ক'লে— হিচাপ কৰি চোৱা। ঠিক আছেনে নাই।

কচায়ে টকাখিনি গণি লৈ গাড়ীৰ পৰা নামি ক'লে— ঠিকেই আছে। এতিয়া গাড়ী-ঘোৰা লৈ তুমি যাব পাৰা।

ৰবিন হুডে তেতিয়া সেই গাড়ীত উঠি কিছুসময়ৰ ভিতৰতে নটিংহামৰ বজাৰত উপস্থিত হ'ল। তাৰ পিছত মাংস বিক্ৰী কৰা ঠাইলৈ গৈ গাড়ীখন থিয় কৰি থৈ এখন ষ্টল ভাড়ালৈ লৈ চেলাই থোৱা ভেৰা খাঁহীবোৰ আঁৰি দি চিঞৰিবলৈ ধৰিলে— ইয়ালৈ আহক। টাটকা মাংস লৈ যাওক। আজি মই পানীৰ দামত মাংস বিক্ৰী কৰিছো। তিনি পেনীৰ মাংস এক পেনীত পাব। আহক। পৰীক্ষা কৰি লওক।

ইমান সস্তাত মাংস বিক্ৰী হোৱা শুনি বহু মানুহ গোট খালে তাত। সকলোৱে ভিৰ কৰি মাংস কিনিবলৈ ধৰিলে। নটিংহামৰ শ্বেৰিফেও তিনি পেনীৰ মাংস এক পেনীত বিক্ৰী হোৱা বুলি শুনি কথাটো সত্য হয় নে নহয় পৰীক্ষা কৰি চাবলৈ ৰবিনৰ দোকানৰ সমুখত উপস্থিত হ'ল। তেওঁ ভাবিছিল মানুহজনে বোধহয় বেয়া মাংস বিক্ৰী কৰিছে। কিন্তু মাংসৰ চেহেৰা দেখি তেওঁ গম পালে পশুবোৰ সেইদিনাই জবাই কৰা হৈছে। কাৰণ তেতিয়াও মাংসৰ লগত ৰঙা তেজ লাগি আছিল।

দেখি তেওঁৰ ধাৰণা হ'ল মানুহজন বোধহয় বহুত পশুৰ মালিক। সেয়ে ইমান সস্তাত মাংস বিক্ৰী কৰিব পাৰিছে।

এই কথা ভাবিয়ে তেওঁ ৰবিন হুডৰ সমুখলৈ আহি ক'লে— হেৰা। তুমি ইমান সস্তাত মাংস বিক্ৰী কৰিছা কিয়? তোমাৰ লোকচান হোৱা নাই।

ৰবিন হুডে শ্বেৰিফক দেখিয়ে চিনিব পাৰিছিল। সেয়ে তেওঁ বিনীতভাৱে ক'লে— নাই হুজুৰ। মোৰ মুঠেও লোকচান হোৱা নাই। ইচ্ছা কৰিলে ইয়াতকৈও কম দামত বিক্ৰী কৰিব পাৰো।

— তোমাৰ বোধহয় বহুত ছাগলী আছে, নহয় জানো?

— হয় হুজুৰ। মই সেইবোৰ যিমান সোনকালে পাৰো বিক্ৰী কৰি সংখ্যা কমাবলৈ চাইছো।

শ্বেৰিফে ভাবিলে ছাগলীবোৰ যদি তেওঁ কিনিব পাৰে তেনে বেয়া নহয়। মাংস সদায় কিনিব লাগে। গতিকে সেইবোৰ একেলগে কিনি লব পাৰিলে ভালেই হব।

মনে মনে এই কথা চিন্তা কৰি তেওঁ ক'লে— তুমি যদি ইচ্ছা কৰা মই তোমাৰ আটাইবোৰ ছাগলী কিনি লব পাৰো। অৱশ্যে কিনি লোৱাৰ আগতে ছাগলীবোৰ মই এবাৰ পৰীক্ষা কৰি চাম।

ৰবিন হুডে মনে মনে এইটোকে বিচাৰিছিল। সেয়ে তেওঁ আনন্দ

মনে ক'লে— ভাল কথা। আপুনি মোৰ লগত ওলাওক আজিয়ে দেখুৱাম ছাগলীবোৰ। আপুনি দামটো লগত লৈ আহিব। ছাগলীবোৰ দেখি যদি পছন্দ হয় আজিয়ে মই বিক্ৰী কৰি দিম।

— বাৰু। তুমি তেনে অলপ সময় অপেক্ষা কৰা। মই এঘন্টাৰ ভিতৰত আহিমগৈ।

শ্বেৰিফ তাৰ পৰা গুছি গ'ল।

* * *

শ্বেৰিফ চাহাব ঠিক সময়তে আহি উপস্থিত হ'ল। তেওঁক দেখি ৰবিন হুডে ক'লে— টকা লৈ আহিছে নে হুজুৰ।

— হয়, আনিছো। এইবাৰ ব'লা।

— ৰবিনে তেতিয়া আগে আগে গ'ল। শ্বেৰিফে তেওঁক অনুসৰণ কৰি যাবলৈ ধৰিলে।

ভালেমান দূৰ যোৱাৰ পিছত শ্বেৰিফে দেখিলে কচাইৰ গাড়ীখন শ্বেৰ উড ফৰেষ্টৰ ফালে আগবাঢ়িছে। তেওঁ জানে শ্বেৰ উড ফৰেষ্ট ৰবিন হুড আৰু তেওঁৰ দলৰ মানুহে দখল কৰি ৰাখিছে। তেওঁ সেয়ে কচাইক ক'লে— হেৰা। সেইফালে কলৈ যোৱা। সেইফালে শ্বেৰ উদ ফৰেষ্ট।

কচাইৰূপী ৰবিন হুডে ক'লে— সেয়া কি কথা হুজুৰ। মোৰ ঘৰ সেই বনৰ ওচৰতে।

— বনৰ ওচৰতে? তাত থাকিবলৈ তোমাৰ ভয় নালাগে। মই শুনিছো সেই বনত ৰবিন হুড নামে এজন ডকাইত থাকে।

— ঠিকে শুনিছে হুজুৰ। কিন্তু তেওঁলোকে আমাক একো অন্যায় নকৰে। আমি আমাৰ মতে থাকো, তেওঁলোকে তেওঁলোকৰ মতে থাকে। কিন্তু আপোনাৰ সেইফালে যাবলৈ ভয় লাগিছে নেকি?

শ্বেৰিফে মনে মনে ভয় কৰিলেও সেই কথা প্ৰকাশ নকৰি ক'লে— নাই, নাই। ভয় কিয় কৰিম। ব'লা।

ইয়াৰ পিছত ৰবিন হুডে শ্বেৰিফক লৈ বনৰ প্ৰায় ওচৰ চাপি হঠাৎ পোছাকৰ ভিতৰৰ পৰা এটা শিঙা উলিয়াই তিনিবাৰ ফুকালে। লগে লগে বনৰ ভিতৰৰ পৰা প্ৰায় দুশ ধেনুধাৰী যুৱক দৌৰি আহি শ্বেৰিফ চাহাবক ঘেৰি ধৰিলে।

ৰবিন হুডে তেতিয়া তেওঁলোকৰ ফালে চাই ক'লে— বন্ধুসকল।

এখেত হ'ল মাননীয় শ্বেৰিফ অৱ নটিংহাম। আজি এখেতে দয়া কৰি আমাৰ আতিথ্য স্বীকাৰ কৰিছে তোমালোকে সসন্মানে এখেতক আমাৰ শিবিৰলৈ লৈ ব'লা।

শ্বেৰিফে বুজিব পাৰিলে যে তেওঁ ৰবিন হুডৰ হাতত বন্দী। কিন্তু তেতিয়া কিবা এটা কৰাৰ কোনো উপায় নাছিল। সেয়ে তেওঁ ৰবিন হুডৰ সঙ্গীসকলৰ দ্বাৰা পৰিবেষ্টিত হৈ চকু বন্ধা অৱস্থাত এটা ঘোৰাৰ পিঠিত উঠি জঙ্ঘলৰ ভিতৰত প্ৰৱেশ কৰিলে।

* * *

বহুদূৰ পথ যোৱাৰ পিছত এঠাইত ঘোৰাটো ৰৈ গ'ল। ৰবিন হুডে তেতিয়া শ্বেৰিফৰ চকুৰ বান্ধোন খুলি দি ক'লে— এইবাৰ দয়া কৰি নামি আহক হুজুৰ। আমি যথাস্থান আহি পাইছো।

শ্বেৰিফ চাহাবৰ অৱস্থা তেতিয়া গুৰুতৰ। তেওঁৰ তেতিয়া ধাৰণা হৈছিল এইবাৰ বোধহয় ৰবিন হুডে তেওঁৰ মূৰটো দুছেও কৰি কাটি পেলাব।

ৰবিনে কিন্তু মূৰ কটা কথা এবাৰো ব্যক্ত কৰা নাই। বৰং শ্বেৰিফ চাহাবক ৰীতিমত যত্নসহকাৰে খাবলৈ দিলে।

বন্ধাবঢ়া বৰ ভালেই হৈছিল। মাংসৰ ৰোষ্ট, মাংসৰ কাৰি আৰু মাখন মিহলোৱা ৰুটি খাবলৈ দিয়া হ'ল শ্বেৰিফক। তাৰ উপৰি মিঠাই আৰু দামী মদো তেওঁক দিয়া হ'ল।

খোৱা লোৱা হোৱাৰ পিছত শ্বেৰিফৰ শোৱাৰ ব্যৱস্থা কৰি দিলে ৰবিন হুডে। লগে লগে তেওঁৰ সহকৰ্মীসকলৰ ফালে চাই ক'লে— তোমালোকে পাল পাতি শ্বেৰিফ চাহাবক পহৰা দিবা। তেখেতৰ টোপনিত যাতে ব্যাঘাত নহয় সেইফালে আমি বিশেষভাৱে নজৰ ৰাখিব লাগিব।

শ্বেৰিফে বুজি পালে যে তেওঁ যাতে পলাই যাব নোৱাৰে, এয়া তাৰেই ব্যৱস্থা।

* * * * * *

পিছদিনা ৰাতিপুৱা উঠিয়ে ৰবিন হুডে শ্বেৰিফ চাহাবক দেখা কৰিলে। তাৰ পিছত তেওঁলৈ চাই বিনীতভাৱে ক'লে— আমাৰ মানুহবোৰে হুজুৰৰ বাবে খোৱা লোৱাৰ ব্যৱস্থা কৰিছিল, সেইবাবে তেওঁলোকে সামান্য কিছু মূল্য আশা কৰে।

শ্বেৰিফে তেতিয়া তেওঁৰ জেপৰ পৰা টকাৰ মোনাটো উলিয়াই বিশ

পাউণ্ড দি ক'লে— খোৱাৰ মূল্য বাবদ বিশ পাউণ্ড দিছো। আশাকৰো ইয়াৰেই আপোনাৰ মানুহখিনি সন্তুষ্ট হ'ব।

ৰবিনে ক'লে— এয়া কি হুজুৰ। আপুনি কি ভিক্ষাৰীক ভিক্ষা দিছে? আমাৰ মানুহখিনিৰ দাবী হ'ল পাঁচশ পাউণ্ড। দাবীটো আপুনি এতিয়াই পূৰ্ণ কৰিব লাগিব।

শ্বেৰিফে বুজি পালে পাঁচশ পাউণ্ড নিদিলে তেওঁ ৰবিন হুডৰ হাতৰ পৰা মুক্তি নাপাব। সেয়ে টকাৰ মোনাটো ৰবিন হুডৰ হাতত দি ক'লে— ইয়াত চাৰিশ আশী পাউণ্ড আছে, আগতে যি বিশ পাউণ্ড দিছো সেই লৈ পাঁচশ পাউণ্ড হ'ল। এইবাৰ মোক মুক্তি দিবনে?

ৰবিনে ক'লে— এয়া কি কথা কৈছে হুজুৰ। আমি জানো আপোনাক বন্দী কৰি ৰাখিছো? আপুনি আমাৰ মহামাননীয় অতিথি। আপুনি যেতিয়াই যিফালে যাব খোজে, তেতিয়াই সেইফালে যাব পাৰে। কোনেও আপোনাক কোনোধৰণে বাধা নিদিয়ে। অৱশ্যে অৰণ্য অতিক্ৰম নকৰা পৰ্যন্ত আপোনাৰ চকুহাল বন্ধা থাকিব। আপুনি জানো এতিয়া ঘৰলৈ ঘূৰি যাব খোজে?

— নিশ্চয় যাব খোজো।

— ভাল কথা। এতিয়াই আপোনাৰ যাত্ৰাৰ ব্যৱস্থা কৰি দিছো।

ৰবিন হুডৰ ব্যৱস্থামতে শ্বেৰিফে মনে মনে গৰজি গৰজি নটিংহাম অভিমুখে যাব ধৰিলে।

ষষ্ঠ অধ্যায়

গ্যামওৱেল হল আক্ৰমণ

সেইদিনাখন ৰাতিপুৱা ৰবিন হুডৰ দলৰ উইল স্কাৰলেট লিঙ্কন চহৰলৈ গৈছিল। তেওঁলোকৰ দলৰ পোছাকৰ বাবে সেউজীয়া কাপোৰ কিনিবলৈ। কাপোৰ কিনি তেওঁ যেতিয়া শ্বেৰ উড ফৰেষ্টলৈ ঘূৰি আহে তেতিয়া সন্ধ্যা হওঁ হওঁ অৱস্থা।

তেওঁ ইমান পলম কৰা দেখি ৰবিন হুডে সুধিলে— তুমি ঘুৰি আহোঁতে ইমান পলম কৰিলা কিয় স্কাৰলেট?

স্কাৰলেটে ক'লে— পলম কৰাৰ কাৰণ হ'ল মই গ্যামওৱেল হলৰ সংবাদ লবলৈ গৈছিলোঁ।

– গ্যামওৱেল হলৰ সংবাদ। কিয়, কি হৈছে তাত?

– যোৱা নিশা চাৰ গী তেওঁৰ সৈন্যদল লৈ গ্যামওৱেল প্ৰাসাদ আক্ৰমণ কৰি অধিকাৰ কৰি লৈছে আৰু গ্যামওৱেল প্ৰাসাদৰ তৰুণ মালিক স্কোৱাৰ গ্যামওৱেলক হত্যা কৰিছে।

খবৰটো শুনি ৰবিন হুড ভীষণভাৱে উত্তেজিত হৈ পৰিল। কিয়নো স্কোৱাৰ গ্যামওৱেল আছিল তেওঁৰ লৰালি কালৰ খেলাৰ সংগী, বন্ধু।

বাল্যবন্ধুৰ মৃত্যুসংবাদ শুনি তেওঁ স্থিৰে থাকিব নোৱাৰিলে। উত্তেজনাত অধিৰ হৈ তেওঁ তেওঁৰ সংগীসকলৰ ফালে চাই ক'লে— বন্ধুসকল! আজি নিশা আমি গ্যামওৱেল প্ৰাসাদ আক্ৰমণ কৰিম। চাৰ গীক আজি আমি উপযুক্ত শাস্তি দিম।

– ঠিক আছে। সন্ধিয়াৰ পিছতে আমি যাত্ৰা কৰিম।

* * * * * *

সেইদিনাখন আছিল আঁউসী। সন্ধিয়াৰ লগে লগে ৰবিন হুড সহকৰ্মীসকলক লৈ গ্যামওৱেল হলৰ অভিমুখে আগবাঢ়িল।

ৰবিন আৰু তেওঁৰ দলবল যেতিয়া গ্যামওৱেল হলৰ সমুখত উপস্থিত হ'ল তেতিয়া নিশা প্ৰায় বাৰ বাজিছে। ৰবিনে দেখিলে যে প্ৰাসাদলৈ সোমোৱা কাঠৰ পাট্টাখন তেতিয়া পুখুৰীৰ ওপৰলৈ তুলি থোৱা আছে। তেওঁ জানে যে সেই পাট্টাখনৰ লগত এটা পুলি ফিট কৰা আছে আৰু সেই পুলিৰ লগত আঁৰি থোৱা আছে এখন গধুৰ কাহি। তেওঁ আৰু জানে যে প্ৰাসাদৰ মূল দুৱাৰৰ ভিতৰত আছে এটা হাতল। সেই হাতলটো বাওঁফালে ঘুৰালে পাট্টাখন পুখুৰীৰ ওপৰলৈ নামি আহে। আকৌ হাতলটো সোঁফালে ঘুৰালে পাট্টাখন ওপৰলৈ উঠি যায়।

সেয়ে তেওঁ বন্ধুসকলৰ ভিতৰৰ পৰা লিটল যোহন, উইল স্কাৰলেট, উইল ষ্টটলে আৰু ছজনক লৈ নিঃশব্দে পুখুৰীলৈ নামি গৈ সাঁতুৰি পাৰ হ'ল। তাৰ পিছত মূল দুৱাৰৰ ওচৰলৈ গৈ দুৱাৰত খুন্দিয়াই ক'লে— ভিতৰত কোন আছা মাত দিয়া।

ভিতৰৰ পৰা উত্তৰ আহিল— কোন তুমি? আগতে তোমাৰ পৰিচয় দিয়া।

ৰবিনে ক'লে— মই ৰবিন হুড। চাৰ গীৰ লগত দেখা কৰিব খুজিছো।

— ৰবিন হুড!

নামটো শুনিয়ে দ্বাৰৰক্ষী বেচেৰাৰ অন্তৰাত্মা কঁপি উঠিল। সেয়ে তেওঁ থোকাথুকি মাতেৰে ক'লে— আপুনি অকমান সময় অপেক্ষা কৰক। মই এতিয়াই চাৰ গীৰ ওচৰলৈ গৈ আপুনি অহা কথা জনাওগৈ।

দ্বাৰৰক্ষী খৰখেদাকৈ প্ৰাসাদৰ ভিতৰলৈ দৌৰি গ'ল।

* * * * * *

ইফালে চাৰ গী তেতিয়া বন্ধু-বান্ধৱ আৰু শুভাকাংক্ষীসকলকলৈ বিৰাট এখন টেবিলৰ ওচৰত ডিনাৰ খাবলৈ বহিছে। টেবিলৰ ওপৰত দুটা প্ৰকাণ্ড গাহৰীৰ ছাল বখলীয়াই ৰোষ্ট কৰি ৰখা হৈছে। নিমন্ত্ৰিত ভদ্ৰলোকসকল সেই ৰোষ্ট কৰা গাহৰীৰ দেহৰ পৰা ছুৰিৰ সাহায্যত মাংস কাটি লৈ মনৰ আনন্দত ভোজন আৰম্ভ কৰিছে। তাৰ লগত মদ্যপানো চলিছে। ঠিক সেই সময়তে দ্বাৰ ৰক্ষী হাবুডাবু খাই দৌৰি আহি চাৰ গীৰ সমুখত থিয় হৈ ক'লে— চাৰ, শ্বেৰ উদ ফৰেষ্টৰ ৰবিন হুডে এতিয়াই আপোনাক দেখা কৰিব বিচাৰে।

দ্বাৰ ৰক্ষীৰ মুখত ৰবিন হুডৰ নাম শুনি নিমন্ত্ৰিত ভদ্ৰলোকসকলৰ দেহৰ কঁপনি উঠিল। কোনো কোনো জনৰ হাতৰ পৰা মদৰ গিলাচ পৰি গ'ল। চাৰ গীৰ অৱস্থাও প্ৰায় তদ্ৰূপ। তথাপি তেওঁ মনৰ ভয় বাহিৰত প্ৰকাশ নকৰি ক'লে— ৰবিন হুড অকলে আহিছে নেকি? নে তেওঁৰ লগত দলবল আছে?

— তেওঁ অকলেই আহিছে চাৰ।

— ঠিক আছে। তেওঁক ইয়ালৈ লৈ আহা।

দ্বাৰ ৰক্ষী ওলাই গ'ল।

* * * * * *

দ্বাৰ ৰক্ষী ঘূৰি অহি ক'লে— চাৰ গী আপোনাক দেখা কৰিবলৈ সন্মত হৈছে। আপুনি আহক। মই দুৱাৰ খুলি দিছো।

— দুৱাৰ খোলা হ'ল। লগে লগে লিটল যোহন বাঘৰ দৰে জাপ মাৰি দ্বাৰ ৰক্ষীক আক্ৰমণ কৰি তাৰ ডিঙি চেপি অজ্ঞান কৰি পেলালে।

ইপিনে ৰবিন হুডে দ্রুতবেগে গৈ পূর্বোক্ত হাতলটো বাওঁফালে ঘূৰাই দিলে।

মিনিটৰ ভিতৰতে পাট্টাখন ওপৰৰ পৰা তললৈ নামি আহিল। লগে লগে ৰবিনৰ দলৰ সঙ্গীসকল নিঃশব্দে সেই পাট্টাখনৰ ওপৰেদি আহি মূল দুৱাৰেদি ভিতৰত প্ৰৱেশ কৰিলে।

ৰবিন হুডে তেতিয়া নিম্নস্বৰে ক'লে— শুনা ভাইসকল, মই এতিয়া চাৰ গীৰ লগত দেখা কৰিবলৈ যাওঁ। তোমালোকে ধনুত কাঁড় যুৰি প্ৰস্তুত হৈ থাকা।

ৰবিন হুডে পোনে পোনে প্ৰাসাদৰ ডাইনিং হলত প্ৰৱেশ কৰি চাৰ গীৰ ফালে চাই ক'লে— এই যে চাৰ গী অব গীচবোৰ্ণ। ভালে আছে নে?

চাৰ গীয়ে ক'লে— হয় ভালেই আছো। কিন্তু তুমি মোৰ লগত কিয় দেখা কৰিবলৈ আহিছা জানিব পাৰোনে?

— নিশ্চয় পাৰে। মই আহিছো মোৰ বাল্যবন্ধু স্কোৱাৰ গ্যামওৱেলৰ খবৰ কৰিবলৈ। তেওঁ এতিয়া ক'ত?

চাৰ গীয়ে ক'লে— তেওঁৰ খবৰ জানিবলৈ হ'লে তুমি অলপ কষ্ট কৰি সৰগলৈ যাব লাগিব। কোৱা যদি তোমাকো তালৈ পঠিয়াই দিয়াৰ ব্যৱস্থা কৰো।

— নাই। আপুনি আৰু কষ্ট কৰিব নালাগে। মোৰ পথ মই নিজেই ঠিক কৰি লম। যি হওক মই খবৰ পালো আপুনি যোৱা নিশা এই প্ৰাসাদ আক্ৰমণ কৰি স্কোৱাৰ গ্যামওৱেলক হত্যা কৰি প্ৰাসাদটো দখল কৰিছে। এইবাৰ আপুনি তাৰ মূল্য দিব লাগিব।

ৰবিন হুডৰ কথা শুনি খণ্ডত জ্বলি উঠি চিঞৰি ক'লে— কোন আছা। এই উদ্ধত যুৱকক তৎক্ষণাৎ বন্দী কৰা।

লগে লগে এদল সশস্ত্ৰ সৈনিক আহি ৰবিন হুডক ঘেৰি ধৰিলে। কিন্তু কি আচৰিত। তেওঁলোক আহি থিয় হোৱাৰ লগে লগে সকলোৰে আৰ্ত্তনাদ কৰি মেজৰ ওপৰত লুটিখাই পৰিল। চাৰ গী সভয়ে লক্ষ্য কৰিলে কোনে যেন অলক্ষ্যৰ পৰা তীৰ মাৰি তেওঁৰ সৈনিকসকলৰ বুকু-পিঠি বিন্ধাই দিলে।

ঘটনাটো ভালদৰে বুজাৰ আগতে ৰবিন হুডৰ সহকৰ্মীসকল ধনুকাঁড় লৈ ডাইনিং হলত সোমাই আহিল। ইফালে চাৰ গীৰ সৈন্যসকলো তালৈ দৌৰি আহিল। মুহূৰ্ত্তৰ ভিতৰতে ডাইনিং হলটো যুদ্ধক্ষেত্ৰত পৰিণত হ'ল।

যিসকল ভদ্রলোক আৰু ভদ্ৰমহিলা খোৱাৰ টেবিলত খাবলৈ বহিছিল তেওঁলোক তেতিয়া ভয়ত কঁপি কঁপি টেবিলৰ তলত লুকাল।

ইফালে ৰবিনৰ সৈন্যসকলে কাঁড় মাৰি চাৰ গীৰ সৈন্যসকলক এজনৰ পিছত এজনকৈ সৰগলৈ পঠিয়ালে। চাৰ গীয়ে বুজিব পাৰিলে এই মুহূৰ্ত্তে নপলালে ৰবিন হুডে তেওঁক বন্দী কৰি লৈ যাব।

তেওঁ একে জাপে টেবিলৰ ওপৰত উঠি হাতৰ তৰোৱালখনেৰে লাইটবোৰ ভাঙি পেলালে। লগে লগে আলোকিত ভোজনকক্ষ গাঢ় অন্ধকাৰত ডুব গ'ল।

চাৰ গীয়ে যেতিয়া লাইটবোৰ ভাঙি আছে ঠিক সেই সময়ত ৰবিন হুডে তেওঁক লক্ষ্য কৰি কাঁড় নিক্ষেপ কৰিলে। কাঁৰপাত চাৰ গীৰ ভৰিত বিন্ধিছিল। ঠিক সেই মুহূৰ্ত্তে ঘৰটো অন্ধকাৰ হৈ যোৱাত ৰবিন হুডে তেওঁক আৰু দেখা নাপালে। কিন্তু তেওঁযে সাংঘাতিকভাৱে আহত হৈছে ই নিশ্চিত।

গাঢ় অন্ধকাৰতে চাৰ গীৰ অনুসন্ধান কৰিবলৈ ধৰিলে ৰবিন হুডে। কিন্তু ক'তো চাৰ গীক দেখিবলৈ নাপাই বুজিলে যে অন্ধকাৰতে গা-ঢাকি তেওঁ পলায়ন কৰিছে।

ৰবিনে তাত বেছি দেৰি নকৰি সদলবলে প্ৰাসাদৰ পৰা ওলাই শ্বেৰউদ ফৰেষ্ট অভিমুখে ৰাওনা হ'ল।

সপ্তম অধ্যায়

এমন ডেল

বহুদিন পাৰ হৈ গ'ল।

মনে মনে বহি থাকি ৰবিন হুডৰ মনটো বেয়া লাগিছিল। সেয়ে তেওঁ সিদিনা বন্ধুসকলক ক'লে— এনেকৈ মনে মনে বহি থাকি ভাল লগা নাই। মই ঠিক কৰিছো আমি নতুন এডভেঞ্চাৰৰ সন্ধানত বাহিৰ হ'ম।

ৰবিনে তেওঁৰ চিৰলগৰী ধনুকাঁড় আৰু শিঙা লৈ বাহিৰ ওলাল। লিটল যোহন, উইল স্কাৰলেট, ষ্টাটলে আৰু কেইজনমান সঙ্গী লগত ল'লে তেওঁ।

কিছুদূৰ যোৱাৰ পিছত এটা শব্দ শুনি থমকি ৰ'ল তেওঁলোক। শব্দটো লক্ষ্য কৰি আগবাঢ়ি গৈ দেখিলে সুন্দৰ চেহেৰাৰ এজন যুৱক এজোপা গছৰ তলত বহি আছে। যুৱকৰ পিঠিৰ ফালে ওলমি আছে এখন বেহেলা। ইয়াৰ বাহিৰেও ধনু আৰু কাঁড়পূৰ্ণ তুণ ওচৰত পৰি আছে।যুৱকজন ইমানেই অন্যমনস্ক আছিল যে ৰবিন হুড আৰু তেওঁৰ সঙ্গীসকলৰ উপস্থিতিৰ কথা তেওঁ গমেই পোৱা নাছিল। ৰবিনৰ ধাৰণা হ'ল যুৱকজনে যেন কিবা এটা কথাত মানসিক আঘাত পাইছে আৰু সেই বিষয়লৈয়ে চিন্তাত বিভোৰ হৈ আছে।

তেওঁক এনে ধৰণৰ চিন্তামগ্ন অৱস্থাত দেখি উইল স্কাৰলেট ওচৰলৈ গৈ সুধিলে— তুমি কোন আৰু কিয় ইয়ালৈ আহিছা?

স্কাৰলেটৰ প্ৰশ্নত যুৱকৰ চিন্তাসূত্ৰ ছিগি গ'ল। তেওঁ ভয়েৰে স্কাৰলেটৰ ফালে এবাৰ দৃষ্টি নিক্ষেপ কৰি তেওঁৰ ধনুকাঁড় হাতত তুলি লৈ তীৰ যোজনা কৰিলে।

তেওঁ কাঁড় মাৰিবলৈ উদ্যত হোৱা দেখি স্কাৰলেটে মৃদুভাৱে হাঁহি ক'লে— ধনুকাঁড় পেলাই দিয়া বন্ধু। আমি তোমাৰ লগত শত্ৰুতা কৰিবলৈ অহা নাই।

— মোৰ নাম উইল স্কাৰলেট। সেই যে সুন্দৰ চেহেৰাৰ যুৱকজন থিয় হৈ আছে তেওঁ হ'ল আমাৰ নেতা ৰবিন হুড।

— ৰবিন হুড। আৰ্তবন্ধু ৰবিন হুড। কি আচৰিত। মই যে তেওঁৰ লগত দেখা কৰাৰ বাবেই ইয়ালৈ আহিছো।

— যুৱকজনে ৰবিন হুডৰ ওচৰলৈ দৌৰি গৈ তেওঁৰ হাতখন টানি আনি এটা চুমা খালে। তাৰ পিছত ৰবিনৰ মুখৰ ফালে চাই ক'লে— মই তোমাৰ ওচৰলৈয়ে আহিছিলো।

ৰবিন হুডে হাঁহি মাৰি ক'লে— সেইটো বুজিলো। কিন্তু এতিয়াও আমি তোমাৰ পৰিচয় পোৱা নাই। কি নাম তোমাৰ?

— মানুহে মোক এমন ডেল বুলি মাতে।

— তুমি বোধহয় বেহেলাবাদক?

— হয়, বেহেলা বজোৱা মোৰ চখ।

— তোমাক দেখি খুব ক্ষুধাতুৰ যেন লাগিছে। গোটেই দিন বোধহয় একো খোৱা নাই?

— ঠিকেই অনুমান কৰিছা। যোৱাকালিৰ পৰা মই একো খোৱা নাই— নানা কাৰণত.......

— কাৰণ পিছত শুনিম। এতিয়া আমাৰ শিবিৰলৈ ব'লা। তালৈ গৈ আগতে কিছু খাই লোৱা, তাৰ পিছত তোমাৰ কাহিনী ক'বা।

ৰবিনে মৰেমেৰে এমন ডেলৰ হাতত ধৰি আগবাঢ়িল।

* * * * * *

ৰবিন হুডৰ শিবিৰলৈ আহি খোৱা লোৱা কৰি সুস্থ হ'ল এমন ডেল। ৰবিন আৰু তেওঁৰ বন্ধুসকলে তেতিয়া তেওঁক বেহেলা বজাবলৈ অনুৰোধ জনালে। তেওঁলোকৰ অনুৰোধত এমন ডেলে বেহেলাটো লৈ সুৰ দিবলৈ আৰম্ভ কৰিলে।

বেহেলা বাজি উঠিল। সেই সুৰ শুনি বিষাদত ভৰি উঠিল ৰবিন হুডৰ মন।

এমন ডেলে তেতিয়াও বজাই আছে। তেওঁৰ মনটোও বিষাদত আচ্ছন্ন। বজাই থাকোতে তেওঁৰ দুচকুৰে টপ টপকৈ চকুলো পৰিবলৈ ধৰিলে।

বজোৱা হোৱাৰ পিছত ৰবিন হুডে সুধিলে— এয়া তুমি কি বজালা বন্ধু। এয়াটো বেহেলা বাদন নহয়— এয়া যে কান্দোন।

এমন ডেলে ক'লে— ঠিকেই কৈছা বন্ধু। মোৰ জীৱনত এতিয়া কান্দোনৰ বাহিৰে একো নাই।

— কি হৈছে মোক খুলি কোৱাচোন।

— তেনে শুনা বন্ধু। মই এজনী ছোৱালীক ভাল পাওঁ। ছোৱালীজনীৰ নাম মেৰী। তেৰোঁ মোক ভালপায়। বিয়াৰ কথা-বতৰাও একপ্ৰকাৰ ঠিক হৈছিল। কিন্তু কিছুদিন আগতে এক বিপত্নীক বৃদ্ধ জমিদাৰে মেৰীক দেখি বিয়া কৰাবলৈ নাচি উঠে। মেৰীৰ বাপেকক নগদ এহেজাৰ পাউণ্ড কন্যাদানৰ বাবে দিবলৈ সন্মত হ'ল তেওঁ। মেৰীৰ বাপেক বৰ অৰ্থপিশাচ। টকাৰ লোভত তেওঁ বৃদ্ধ জমিদাৰৰ প্ৰস্তাৱত ৰাজী হ'ল। অহা কালি সেই বুঢ়াৰ লগত মেৰীৰ বিয়া।

এমন ডেলৰ কথা শুনি ৰবিন হুডে ক'লে— ঠিক আছে। এই বিয়া যাতে হব নোৱাৰে সেই ব্যৱস্থা মই কৰিম। কিন্তু বিয়াখন ক'ত হব জানানে?

— ফেয়াৰ ফৰ্ড চাৰ্চত, অহা কালি সন্ধিয়া।

— ঠিক আছে, আমি সেই বিয়া চাবলৈ যাম। তুমিও আমাৰ লগত যাব লাগিব।

এমন ডেলে আহত কণ্ঠেৰে ক'লে— এয়া তুমি কি কৈছা বন্ধু। মই যাম মেৰীৰ বিয়া চাবলৈ?

স্কাৰলেটে ক'লে— ৰবিন হুডে যেতিয়া কথা দিছে এই বিয়া কোনো পধ্যে নহয়।

স্কাৰটেলৰ কথা শুনি এমন ডেলৰ মৃতদেহলৈ প্ৰাণ আহিল। তেওঁ তেতিয়া ৰবিন হুডৰ ফালে চাই ক'লে— মোক তুমি ক্ষমা কৰা বন্ধু। তোমাৰ উদ্দেশ্য মই বুজা নাছিলো।

ৰবিন হুডে তেওঁৰ কথাৰ কোনো উত্তৰ নিদি স্কাৰলেটৰ পিনে চাই ক'লে— ওচৰে পাঁজৰে কোনো ধৰ্মযাজক আছেনে?

স্কাৰলেটে ক'লে— আছে। ফাউন্টেন আবিৰত এজন ধৰ্মযাজক থাকে। তেখেতৰ নাম ফ্ৰায়াৰ টাক। মানুহজন খুব সাহসী আৰু বলবান।

ৰবিন হুডে আনন্দমনে ক'লে— ঠিক আছে। মই এতিয়াই টাকৰ সন্ধানত যাম। এই টাকৰ দ্বাৰাই কাম সমাধা কৰিম।

ৰবিন হুডে তেওঁৰ ধনুকাঁড় আৰু শিঙাটো লৈ তেতিয়াই ৰাওনা হ'ল।

অষ্টম অধ্যায়

টাকৰ সন্ধানত

ফ্ৰায়াৰ টাকৰ সন্ধানত ফাউন্টেন আবিৰ উদ্দেশ্যত যাবলৈ হ'লে সৰু এখন নৈ পাৰ হব লাগে। নৈখনৰ ওচৰলৈ আহি ৰবিনে দেখিলে নৈখন পাৰ হবলৈ তাৰ ওপৰত এডাল দীঘল গছ পেলাই ৰখা হৈছে। এজন শকত মানুহ এডাল গছৰ তলত বহি মহা আনন্দত ভোজন পৰ্ব সম্পন্ন

কৰিছে। ৰবিন তেওঁৰ ওচৰলৈ আগবাঢ়ি গৈ ক'লে— ফাউন্টেন আবি কোন পিনে জানেনে?

মানুহজনে ৰবিন হুডৰ ফালে চাই আকৌ ভোজনত মনোনিবেশ কৰিলে।

কিছুসময় পিছত খোৱা শেষ কৰি মানুহজনে ক'লে— ফাউন্টেন আবিত আপুনি কাক দেখা কৰিব?

– তাৰ ধৰ্মযাজক ৰেভাৰেণ্ড টাকক।

– ৰেভাৰেণ্ড টাক। আপুনি ফ্ৰায়াৰ টাকৰ কথা কৈছে।

– হয়। তেখেতকেই মোৰ দৰ্কাৰ।

– দৰ্কাৰ কি জানিব পাৰোনে?

– সেই কথাও আপোনাক ক'ব লাগিব নেকি?

– কোৱা নোকোৱা আপোনাৰ কথা। পিছে ক'লে ভাল হ'লহেঁতেন। বাইবেল পঢ়িছেনে? "সেই যে যীশুই ক'লে, মোৰ জৰিয়তে নগলে কোনোৱে ঈশ্বৰৰ ওচৰলৈ যাব নোৱাৰে।" এয়াও প্ৰায় তেনে ধৰণৰ কথা। অৰ্থাৎ মোৰ সহায় নললে কোনো টাকৰ ওচৰলৈ যাব নোৱাৰে। মানে যিয়ে টাক সিয়ে মই। অৰ্থাৎ মই যি টাকও সেই। অৰ্থাৎ.....

– বন্ধ কৰক। অৰ্থাৎৰ কোনো দৰ্কাৰ নাই। মই নিজেই তেওঁক বিচাৰি উলিয়াব পাৰিম।

– মই আপোনাক লৈ নগলে হেজাৰ চেষ্টা কৰিও টাকৰ সন্ধান নাপাব।

– ভাল কথা। আপুনিয়ে মোক লৈ ব'লক।

– লৈ যোৱাৰটো খুব ইচ্ছা। কিন্তু যাওঁ কেনেকৈ? টাকৰ ওচৰলৈ যাব লাগিলে নৈখন পাৰ হব লাগিব।

– অসুবিধা কি? নৈৰ ওপৰত গছৰ সাঁকো আছে।

– সেইখিনিতে যত গোলমাল। মোৰ এতিয়া যি অৱস্থা সেই সৰু গছডালৰ সাঁকোৰে খোজকাঢ়ি পাৰ হোৱা মোৰ পক্ষে সম্ভৱ নহয়। অৱশ্যে আপুনি যদি কান্ধত লৈ মোক পাৰ কৰি দিব পাৰে, তেতিয়া কোনো অসুবিধা নাই।

– মানুহজনৰ কথা শুনি ৰবিন হুডে তৰোৱাল উলিয়াই তাৰ বুকুৰ সমুখত দাঙি ধৰি ক'লে— মই তোমাৰ কান্ধত উঠি সিপাৰলৈ যাম।

তুমি যদি ৰাজী নোহোৱা তেতিয়াই মোৰ তৰোৱাল তোমাৰ বুকুত সোমাই যাব। বুজিলা?

মানুহজনে ভয় পাই উবুৰি খাই পৰি ক'লে— তেনে উঠা মোৰ পিঠিত।

মানুহজনে ৰবিন হুডক কান্ধত তুলি গছডালৰ ওপৰেদি যাব ধৰিলে অলপ যোৱাৰ পিছত মানুহজনে নৈত জাপ মাৰি পৰিল। ৰবিন হুড মানুহজনৰ কান্ধৰ পৰা ছিটিকি পৰিল।

মানুহজনে বিদ্যুৎবেগে ৰবিনৰ খাপৰ পৰা তৰোৱালখন খুলি লৈ মূৰটো লক্ষ্য কৰি ক'লে— এইবাৰ মোক কান্ধত লব লাগিব বুজিছা।

নিৰুপায় ৰবিনে পানীতে হাউলি কান্ধ পাতি ক'লে— উঠা তেনে।

মানুহজনে তেতিয়া ৰবিন হুডৰ কান্ধত উঠি আৰাম কৰি বহি ক'লে— বলা এতিয়া।

সেই তিনি চাৰি মোন ওজনৰ মানুহজনক কান্ধত লৈ পানী ঠেলি আগবঢ়াটো ৰীতিমত কঠিন কাম ৰবিনৰ পক্ষে। অনেক কষ্টেৰে তেওঁ নৈৰ পাৰলৈ নি নমাই দি ফোপাবলৈ ধৰিলে।

ঠিক সেই সময়তে উইল স্কাৰলেট ক'ৰ পৰা যেন আহি সেই সাঁকোৰ ওচৰত হাজিৰ হ'ল। লগে লগে তেওঁৰ নজৰ পৰিল ৰবিন হুডৰ ওপৰত।

ৰবিন হুদক তিতি বুৰি ফোপাই থকা দেখি তাৰাতাৰি সাঁকোৰে নৈ পাৰ হৈ ৰবিনৰ ওচৰলৈ গৈ সুধিলে— টাক চাহাবক তুমি ক'ত পালা?

স্কাৰলেটৰ কথা শুনি বিস্মিত হ'ল ৰবিন। ক'লে— কি কৈছা তুমি? ক'ত টাক।

— সেয়া কি? তেওঁ চোন তোমাৰ সমুখত থিয় হৈ আছে।

ৰবিনে তেতিয়া থিয় হৈ সোঁহাতখন ৰেভাৰেণ্ড টাকৰ ফালে আগবঢ়াই দি ক'লে— আপোনাৰ সাহস আৰু প্ৰত্যুৎপন্নমতি দেখি মই খুব সন্তুষ্ট ৰেভাৰেণ্ড টাক। মই ৰবিন হুড আপোনাৰ লগত মই বন্ধুত্ব পাতিব বিচাৰোঁ। ৰেভাৰেণ্ড টাকে হাঁহি মাৰি ক'লে— আমাৰ বন্ধুত্বটো বহুত আগতেই হৈ গৈছে।

ৰবিনে তেতিয়া এমন ডেল আৰু মেৰীৰ সকলো কথা টাকক সবিস্তাৰে কৈ শেষত ক'লে— অহা কালি মই এমন ডেলৰ লগত মেৰীৰ বিয়া পাতিব খোজো। আশা কৰো আপুনি মোক সহায় কৰিব।

হাঁহি মাৰি ৰেভাৰেণ্ড টাকে ক'লে— মই সন্মত।

ৰবিনে ক'লে— তেনে আপুনি অহা কালি আবেলি সাজু হৈ থাকিব। আমি আহি আপোনাক লগত লৈ ফেয়াৰ ফোৰ্ড গীৰ্জালৈ যাম।

টাকে ক'লে— ঠিক আছে। মই সাজু হৈ থাকিম। টাকৰ সন্মতি লৈ ৰবিন হুদ আৰু স্কাৰলেট নিজৰ শিবিৰলৈ ঘূৰি গ'ল।

নৱম অধ্যায়

মেৰীৰ বিয়া

পিছ দিনা আবেলি প্ৰায় তিনিমান বজাত ৰবিন হুডে কেইজনমান সঙ্গী লগতলৈ ফাউন্টেন আবিত উপস্থিত হ'ল। এমন ডেলকো লগত ল'লে। তেওঁলোক আটায়ে আহিছিল ঘোৰাত উঠি।

ৰেভাৰেণ্ড টাক কাপোৰ কানি পিন্ধি সাজুহৈ আছিল। ৰবিনে ক'লে— আপুনি ঘোৰাত উঠি যাব লাগিব ৰেভাৰেণ্ড টাক।

টাকে ক'লে— সেই কথা মোক কব নালাগে। মোৰ চহিচ এতিয়াই ঘোৰালৈ ইয়াত হাজীৰ হব। ইতিমধ্যে অলপ কিবা খাই লোৱা যাওক। আহক।

ৰবিন হুডে ক'লে— খোৱালোৱা কৰিলে আপোনাৰ আকৌ কান্ধত উঠাৰ বাসনা নহয়তো।

লাহেকৈ হাঁহি টাকে ক'লে— সেয়া হব। পিছে আজি মানুহৰ কান্ধত উঠিব নালাগে। সেই কামটো আজি ঘোৰাৰ দ্বাৰাই হব।

তেওঁৰ কথা শুনি ৰবিন হুডে হো-হো কৰি হাঁহি দিলে।

* * * * * *

ইয়াৰ পিছত হাঁহি ধেমালিৰ মাজেদি ভোজন শেষ কৰি বেলা পাঁচ বজাৰ সময়ত ৰবিন হুড, লিটল যোহন, উইল স্কাৰলেট, উইল ষ্টাটলে, ফ্ৰায়াৰ টাক, এমন ডেল আৰু কেইজনমান ঘোৰাত উঠি ফেয়াৰ ফোৰ্ড চাৰ্চৰ উদ্দেশ্যে ৰাওনা হ'ল।

দলটো যেতিয়া চাৰ্চত আহি উপস্থিত হ'ল তেতিয়া তাত বিবাহ অনুষ্ঠানৰ প্ৰস্তুতি আৰম্ভ হৈ গৈছে।

ৰবিন হুড ছদ্মবেশত আহিছিল। তেওঁ ঘোৰাৰ পৰা নামি লিটল যোহনক লগত লৈ চাৰ্চৰ ভিতৰত প্ৰৱেশ কৰিলে। আনসকলে বাহিৰত অপেক্ষা কৰি থাকিল। ৰবিনে তেওঁলোকক কৈ গ'ল তেওঁৰ পৰা সংকেত পালেই যেন ভিতৰলৈ সোমাই যায়।

প্ৰধান হলত দৰা-কইনাৰ বাবে ৰখা নিৰ্দ্দিষ্ট ঠাইত সেই বৃদ্ধ জমিদাৰ আৰু মেৰী আহি থিয় হৈছে। মেৰীৰ ফালে চাই ৰবিনে দেখিলে বেচেৰীৰ মুখখন বিষণ্ণতাৰে ভৰি আছে। এইমাত্ৰ সম্প্ৰদান কাৰ্য্য সম্পন্ন হ'ব। সেয়ে ৰবিন হুড দ্ৰুতবেগে আগবাঢ়ি গৈ দৰা-কইনাৰ মাজত থিয় হ'ল।

তেওঁক তেনেকৈ থিয় হোৱা দেখি ধৰ্মযাজক মহোদয়ে তেওঁৰ ফালে চাই ৰূঢ়স্বৰে ক'লে— কোন তুমি? ইয়ালৈ আহি বাধা দিছা কিয়?

ৰবিনে ছদ্মবেশ খুলি পেলাই ক'লে— মই ৰবিন হুড।

ৰবিন হুড! নামটো শুনি আৰু ৰবিন হুডক সশৰীৰে সমুখত দেখি ধৰ্মযাজক মহোদয়ৰ হৃৎকম্পন আৰম্ভ হ'ল। দৰাবেশী বৃদ্ধ জমিদাৰো তেতিয়া কলপাত কঁপাদি কঁপিবলৈ ধৰিলে। কিন্তু মেৰীয়ে মুঠেও ভয় খোৱা নাই। তাই বাৰে বাৰে ৰবিন হুডলৈ কৃতজ্ঞ দৃষ্টিত চাই আছে।

ৰবিন হুডে ধৰ্মযাজকৰ ফালে চাই ক'লে— হেৰা অধৰ্মযাজক। তুমি কি কাৰণে এই মৃত্যুমুখী বান্দৰটোৰ লগত এনেহেন সুন্দৰী ছোৱালীজনী বিয়া দিব খুজিছা?

তাৰ পিছত দৰাৰ ফালে চাই ক্ৰোধেৰে ক'লে— হেৰা বুঢ়া বান্দৰ, বিয়া কৰোৱাৰ বৰ চখ দেখিছো।

বৃদ্ধই ভয়ে ভয়ে ক'লে— এওঁৰ দেউতাকেই মোৰ লগত.........

ৰবিনে প্ৰচণ্ড ধমক দি বৃদ্ধৰ মুখ বন্ধ কৰিলে— মনে মনে থাক, বৃদ্ধ হনুমান।

বেচেৰা দৰাই তেতিয়া ধৰ্মযাজকৰ ফালে নিৰুপায় দৃষ্টিত অসহায়ভাৱে চাই থাকিল।

ৰবিনে মেৰীৰ ফালে চাই ক'লে— প্ৰিয় ভনী। তুমি এমন ডেল নামৰ কোনো যুৱকক চিনি পোৱা?

ৰবিন হুডৰ কথা শুনি মেৰীৰ মনটো আনন্দত নাচি উঠিল। স্থান

কাল পাহৰি তাই কৈ উঠিল— এমন ডেল। ক'ত তেওঁ। মই তেওঁক ভাল পাওঁ। তেওঁকেই মই বিয়া কৰাব বিচাৰো।

ৰবিনে তেতিয়া তেওঁৰ শিঙাটো তিনিবাৰ বজালে। লগে লগে তেওঁৰ সহকৰ্মীসকল এমন ডেল আৰু ৰেভাৰেণ্ড টাককলৈ হলঘৰৰ ভিতৰত প্ৰৱেশ কৰিলে।

বৃদ্ধ জমিদাৰ আৰু তেওঁৰ ধৰ্মযাজক মহোদয় তেওঁলোকক দেখি পলোৱাৰ চেষ্টা কৰিছিল। ৰবিনে তেওঁৰ সঙ্গীসকললৈ চাই আদেশ দিলে— তোমালোকে সেই বুঢ়া বান্দৰ দুজনক বান্ধি থোৱা। তেওঁলোক যেন পলাব নোৱাৰে।

ৰবিনৰ আদেশমতে সঙ্গীসকলে বুঢ়া জমিদাৰ আৰু ধৰ্মযাজকক বান্ধি পেলালে।

ৰবিনে তেতিয়া এমন ডেলক আনি দৰাৰ ঠাইত থিয় কৰাই টাকলৈ চাই ক'লে— ৰেভাৰেণ্ড টাক। মই অনুৰোধ কৰিছো যথাবিহিত নিয়মানুসাৰে এওঁলোকৰ শুভ পৰিণয় সুসম্পন্ন কৰক।

উপস্থিত ভদ্ৰলোক আৰু ভদ্ৰমহিলাসকললৈ চাই ৰবিনে ক'লে— আপোনালোকে ভয় নাখাব। বিবাহ কাৰ্য্য সম্পন্ন হোৱাৰ পিছত আপোনালোকে বিবাহৰ মিঠাই খাই যাব।

* * * * *

ইয়াৰ পিছত ৰেভাৰেণ্ড টাকে শাস্ত্ৰসন্মত পদ্ধতিৰে এমন ডেল আৰু মেৰীৰ বিয়া সম্পন্ন কৰিলে।

বিয়া শেষ হোৱাৰ পিছত ৰবিন হুডে সমাগত ভদ্ৰলোক আৰু ভদ্ৰমহিলা সকলক মিঠাই আদি খুৱাই দৰা-কইনা আৰু ৰেভাৰেণ্ড টাকক লগত লৈ শ্বেৰ উদ ফৰেষ্ট অভিমুখে ৰাওনা হ'ল।

যোৱাৰ আগতে বৃদ্ধ জমিদাৰ আৰু ধৰ্মযাজকৰ বান্ধোন খুলি দি ক'লে— ইয়াৰ পিছত আৰু কোনোদিন এই ধৰণৰ অপৰাধ কৰাৰ চেষ্টা নকৰিবা, বুজিলা?

* * * * * *

ৰবিন হুডৰ শিবিৰ সিদিনা আনন্দ নিকেতনত পৰিণত হ'ল। মহা আনন্দত আহাৰাদি শেষ কৰাৰ পিছত ৰবিন হুডে এমন ডেলৰ ফালে চাই ক'লে— আজি আমি তোমাৰ বেহেলা বাদন শুনিম বন্ধু।

এমন ডেলে ক'লে— নিশ্চয় শুনাম।

এই বুলি কৈয়ে বেহেলাটো টানি আনি স্বৰ-সংযোগ কৰিলে। আজি বেহেলাৰ পৰা কৰুণ সুৰ ওলোৱা নাই। এমন ডেলৰ মনৰ আনন্দ আজি মূৰ্ত হৈ উঠিছে ললিত ৰাগ-ৰাগিনীত।

* * * * * *

সেইদিনা নিশাটো মহা আনন্দেৰে শ্বেৰ উড ফৰেষ্টত অতিবাহিত কৰি পিছদিনা ৰাতিপুৱা এমন ডেলে ৰবিন হুডৰ ওচৰত বিদায় মাগিলে। ৰবিনে তেতিয়া এমন ডেল আৰু মেৰীৰ হাতত দুখন টকাৰ মোনা উপহাৰ দি ক'লে— সময় পালে তোমালোক ইয়ালৈ দুই এদিন থাকিবলৈ আহিবা।

মেৰীয়ে ক'লে— আপোনাৰ কথা চিৰদিন আমাৰ মনত থাকিব।

এমন ডেলে ক'লে— মইয়ে তোমাক কি বুলি ধন্যবাদ দিম ভাষা বিচাৰি পোৱা নাই।

ৰবিন হুড আৰু তেওঁৰ সঙ্গীসকলে এমন ডেল আৰু মেৰীক অৰণ্যৰ শেষ সীমাত আ'গবঢ়াই থৈ আৰু এবাৰ তেওঁলোকক শুভেচ্ছা জনাই শিবিৰলৈ উভতি আহিল।

দশম অধ্যায়

শ্বেৰিফৰ চক্ৰান্ত

গিছবোৰ্ণৰ অত্যাচাৰী জমিদাৰ চাৰ গী সেইদিনা আহত হৈ পলাই যোৱাৰ পিছত প্ৰায় দুমাহ পাৰ হৈ গৈছে।

গ্যামওৱেল হলত সেইদিনা সেই পৰাজয় আৰু অপমানৰ কথা তেওঁ কোনেপধ্যে পাহৰিব পৰা নাই। সকলো সময়তে তেওঁ ভাবিছে ৰবিন হুডক জব্দ কৰাৰ কথা।

সেই সময়তে তেওঁ এদিন শুনিবলৈ পালে ৰবিন হুডে নটিংহামৰ শ্বেৰিফক শ্বেৰ উদ ফৰেষ্টলৈ ধৰি লৈ গৈ তেওঁৰ পৰা পাঁচশ পাউণ্ড মুক্তিপণ আদায় কৰিছে। খবৰটো শুনাৰ পিছত তেওঁ নটিংহামলৈ গৈ

শ্বেৰিফৰ লগত দেখা কৰিলে। চাৰ গীয়ে ক'লে— ৰবিন হুডৰ ধাৰণা তাৰ সমকক্ষ ধনুৰ্বিদ ইংলেণ্ডত দ্বিতীয় এজন নাই। তদুপৰি তাৰ অহংকাৰো গগণস্পৰ্শী হৈ উঠিছে। সেয়ে আমি যদি এখন ধনুৰ্বিদ্যা প্ৰতিযোগিতা আয়োজন কৰো, তেনেহলে সি নিশ্চয় ছদ্মবেশেৰে আহি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব। ৰবিন হুডে যেতিয়া লক্ষ্যভেদ কৰিবলৈ আহিব সেই সময়তে তাক আমি বন্দী কৰিম।

চাৰ গীৰ প্ৰস্তাৱত শ্বেৰিফে সন্মতি জনালে। স্থিৰ হ'ল— শ্বেৰিফৰ প্ৰাসাদৰ সমুখৰ প্ৰাঙ্গনত অনুষ্ঠিত হব এই প্ৰতিযোগিতা।

* * * * * *

চাৰি দিন পিছৰ কথা।

সেইদিনাখন ৰবিন হুড আৰু লিটল যেহন ছদ্মবেশে আহি নটিংহাম চহৰৰ এখন ৰেষ্টোঁৰাত বহি গল্প কৰি খোৱা লোৱা কৰিছিল। হঠাৎ ৰাষ্টাত ঢোলৰ শব্দ শুনি তেওঁলোক সচকিত হৈ উঠিল।

ঢোলৰ শব্দ বন্ধ হোৱাৰ লগে লগে শুনিবলৈ পোৱা গ'ল ঘোষকৰ কথা— নগৰবাসী সকল! মনোযোগ দি শুনা। অহা দেওবাৰে ৰাতিপুৱা আঠবজাৰ সময়ত নটিংহাম প্ৰাসাদাৰ সমুখৰ প্ৰাঙ্গণত এখন ধনুৰ্বিদ্যা প্ৰতিযোগিতা অনুষ্ঠিত হব। সমগ্ৰ ইংলেণ্ডৰ বচা বচা ধনুৰ্বিদসকলে উক্ত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব। যিজন লোক শ্ৰেষ্ঠ ধনুৰ্বিদ হিচাপে স্বীকৃত হব তেওঁক এপাত সোণৰ কাঁড় পুৰস্কাৰ দিয়া হব।

তেওঁলোকে দেখিলে ঘোষকৰ ঠিক পিছতে এডাল সোণৰ কাঁড় ডাঙি ধৰি আৰু এজন মানুহ ধীৰে ধীৰে আগবাঢ়িছে। তেওঁৰ পিছফালে আছে এদল ৰক্ষী সেনা।

ঘোষকৰ কথা শুনি ৰবিন হুড আৰু লিটল যোহন বাহিৰলৈ ওলাই আহিল।

বাহিৰলৈ আহি ৰবিন হুডে লিটল যোহনক ক'লে— শুনা বন্ধু, মই এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিম।

লিটল যোহনে জানে যে ৰবিনে যি কাম কৰিম বুলি ভাবে সেই কামৰ পৰা তেওঁক প্ৰতিনিবৃত্ত কৰা সম্ভৱ নহয়। সেয়ে কোনো প্ৰতিবাদ নকৰিলে।

নিৰ্দ্দিষ্ট দেওবাৰে ৰবিন হুডে ছদ্মবেশে ৰাওনা হ'ল নটিংহাম প্ৰাসাদৰ উদ্দেশ্যে। কিছু সময় পিছত লিটল যোহন আৰু উইল স্কাৰলেটও ওলাই

আহিল। তেওঁলোক সাধাৰণ ভদ্ৰলোকৰ ছদ্মবেশত ৰবিন হুডক সহায় কৰিবলৈ গ'ল।

ৰবিন হুড প্ৰতিযোগিতাৰ ঠাইত উপস্থিত হ'ল। প্ৰতিযোগিতাৰ ঠাইখন ৰচিৰে বেৰা দি ঘেৰি ৰখা হৈছে। দৰ্শকসকল যাতে সেই বেৰাৰ ভিতৰত সোমাব নোৱাৰে তাৰ বাবে শ্বেৰিফৰ সৈন্যই পহৰা দি আছে। বেৰখনৰ তিনিফালে দৰ্শকৰ কাৰণে ঠাই নিৰ্দ্দিষ্ট কৰি ৰাখিছে। নিমন্ত্ৰিত ভদ্ৰলোক আৰু ভদ্ৰমহিলাৰ বাবে কেইশাৰীমান চকী সজাই থোৱা আছে। মাজত দুখন চকীৰ সমুখত সজোৱা আছে এখন টেবিল। সেই চকী দুখনত বহিব নটিংহামৰ শ্বেৰিফ আৰু গিচবোৰ্ণৰ জমিদাৰ চাৰ গী।

বিশিষ্ট লোকসকলৰ আসনৰ ওচৰতে নিৰ্দ্দিষ্ট হৈছে প্ৰতিযোগীসকলৰ স্থান। তাতো দুশাৰী চকী সজাই থোৱা আছে। ৰবিন হুডে দেখিবলৈ পালে যে ইতিমধ্যে কেইজনমান প্ৰতিযেগী আহিছেই। তেওঁলোকে তেতিয়া নিজৰ মাজত গল্প-গুজব আৰম্ভ কৰিছে। প্ৰতিযোগীসকল আহিছে বিচিত্ৰ ধৰণৰ পোছাক পিন্ধি। কোনোজনে পিন্ধিছে ৰঙা ভেলভেটৰ পায়জামা আৰু হালধীয়া ট্ৰাউজাৰ, কোনোজনৰ পায়জামা-ট্ৰাউজৰ সম্পূৰ্ণ ৰঙা, কোনোজনৰ নীলা। কোনোজনৰ বা ডোৰা-কাটা।

প্ৰতিজন প্ৰতিযোগীৰে পিঠিত তীৰ পূৰ্ণ তূণ আৰু হাতত ধনু।

ৰবিন হুডে তেওঁৰ ঘোৰাৰ পৰা নামোতেই এজন অশ্বপালক তেওঁৰ ওচৰলৈ আগবাঢ়ি আহি অভিবাদন জনাই ক'লে— আপোনাৰ ঘোৰাটো মোৰ হাতত এৰি দি প্ৰতিযোগীসকলৰ বাবে নিৰ্দ্দিষ্ট স্থানত আসন গ্ৰহণ কৰক।

ৰবিনে ঘোৰাটো তেওঁক চমজাই দি ক'লে— প্ৰতিযোগিতা কেতিয়া আৰম্ভ হব ভাই?

অশ্বপালকে ক'লে— ঠিক আঠ বজাত। এতিয়া সাত বাজিল আৰু এঘন্টা পিছতে প্ৰতিযোগিতা আৰম্ভ হব।

– শ্বেৰিফ চাহাব কেতিয়া আহিব?

– তেখেত আহিব সাৰে সাত বজাত।

– নিমন্ত্ৰিত অতিথি হিচাপে কোন কোন আহিছে জানানে?

– জানো। অশ্বশালাৰ অধিনায়কে সকলো খবৰ ৰাখিব লাগে।

মানুহজনে যে ডাঙৰ কাম কৰে এই কথাটো বুজাবলৈ নিজকে অশ্বশালাৰ

অধিনায়ক বুলি জাহিৰ কৰিলে। আচলতে কিন্তু তেওঁ ঘোৰাশালৰ হেড চহিচ।

ৰবিন হুডে তেওঁৰ কথা শুনি মনে মনে হাঁহি ক'লে— ঠিকেই কৈছা ভাই। অশ্বশালাৰ অধিনায়ক এলাপেচা লোক নহয়। কোন কোন আহিব কোৱাচোন শুনো।

অশ্বাধিনায়কে তেতিয়া যথাসম্ভৱ গাম্ভীৰ্য্য বজাই ৰাখি অতিথিসকলৰ নাম আৰু পদবী কব ধৰিলে। তেওঁ ক'লে— আজি ইয়ালৈ আহিছে চাৰ গী অৱ গিচবোৰ্ণ, আৰ্ল অব্ লিঙ্কনচায়াৰ, কাউণ্ট অৱ কেণ্ট, লৰ্ড আৰু লেডী কিউকমবাৰ, চাৰ আৰু লেডী ফেয়াৰফকস অৱ বাস্তাৰভিল আৰু বহুত।

— পুৰস্কাৰ বিতৰণ কৰিব কোনে?

— শ্বেৰিফে নিজে।

— মাননীয় আৰু মাননীয়া অতিথিসকল চাঁগে আহি পাইছে?

— হয়। তেওঁলোকে এতিয়া নটিংহাম প্ৰাসাদত খোৱা বোৱা কৰিছে।

— তুমি ইয়াত কিমান দিন চাকৰী কৰিছা?

— বহুত দিন। বোধহয় দহবছৰৰো বেছি।

— ইয়াৰ আগত ক'ত আছিলা?

— আগতে মই আৰ্ল অৱ হাটিংডনৰ ঘোৰাৰখীয়া আছিলো।

— হয় নেকি? সেই কাম কিয় এৰিলা? আৰ্ল অৱ হাটিংদন বোধহয় মানুহ বৰ ভাল নাছিল?

— ছিঃ ছিঃ! তেনে কথা মুখলৈ নানিব। তেওঁৰ নিচিনা মানুহ পৃথিৱীত খুব কম আছে। কিন্তু........

অশ্বপালকৰ কথা শেষ হোৱাৰ আগতে আৰু এজন প্ৰতিযোগী আহি উপস্থিত হ'ল। সেইজনো ঘোৰাত উঠি অহা দেখি অশ্বপালকে ক'লে— এতিয়া আৰু কথা পতা সম্ভৱ নহয়। আপোনাৰ ঘোৰাটো থৈ আহি সেই ভদ্ৰলোকৰ ঘোৰাটোও নিব লাগিব।

এই কথা কৈয়ে অশ্বপালক ওৰফে অশ্বপালকৰ অধিনায়ক ওৰফে হেড চহিচ ৰবিন হুডৰ ঘোৰাটো লৈ আঁতৰি গ'ল। ৰবিন হুডে তেতিয়া প্ৰতিযোগীসকলৰ বাবে ৰখা নিৰ্দ্দিষ্ট ঠাইত উপস্থিত হৈ হাঁহিমুখে অন্যান্য প্ৰতিযোগীসকলৰ শুভেচ্ছা গ্ৰহণ কৰি এখন চকীত বহিল।

* * * * * *

ঠিক সাৰে সাত বজাত হঠাৎ ঘন্টাধ্বনি হ'ল। লগে লগে এজন ঘোষকে উচ্চস্বৰে ঘোষণা কৰিলে— আপোনালোকে শুনক। মাননীয় অতিথিবৃন্দৰ লগত মাননীয় শ্বেৰিফ মহাশয় ইয়ালৈ আহিছে। এতিয়া তেখেতসকলৰ পৰিচয় শুনি কৃতাৰ্থ হওক।

প্ৰথমে আহিছে মহামান্য লৰ্ড আৰু লেডী কিউকমবাৰ। তেখেতসকলৰ পিছত আহিছে মাননীয় শ্বেৰিফ অৱ নটিংহাম আৰু চাৰ গী অৱ গিচবোৰ্ণ। তেখেতসকলৰ পিছত আহিছে চাৰ আৰু লেডী ফেয়াৰফকস অৱ বাষ্টাৰভিল। তেখেতসকলৰ পিছত কাউন্ট অৱ কেন্ট আৰু আৰ্ল অৱ লিঙ্কনচায়াৰ।

ঘোষণা শেষ হোৱাৰ লগে লগে মাননীয় আৰু মাননীয়া ব্যক্তিসকল যি যাৰ নিৰ্দ্দিষ্ট আসন তাত উপবেশন কৰিলে।

তেখেতসকলে আসন গ্ৰহণ কৰাৰ পিছতে জাক-জমক পোছাক পিন্ধা এজন লোকে সেই সোণৰ কাঁড় পাত ৰূপৰ ট্ৰে এখনত লৈ আহি ট্ৰেখন শ্বেৰিফ চাহাবৰ আসনৰ সমুখৰ টেবিলখনৰ ওপৰত নমাই থ'লে।

লগে লগে বাজি উঠিল অৰ্কেষ্ট্ৰা। আমাৰ দেশত এষাৰ কথা আছে যে "খাজনাতকৈ বাজনা বেছি", ইয়াতো প্ৰায় সেই ৰকম অৱস্থা।

ইফালে হাজাৰ হাজাৰ দৰ্শক আহি প্ৰাঙ্গনৰ তিনিফালে থিয় হৈছে। তেওঁলোকৰ মৃদুগুঞ্জনত মুখৰিত হৈ পৰিছে প্ৰতিযোগিতাৰ ময়দান।

* * * * * *

প্ৰতিযোগিতা আৰম্ভ হবলৈ আৰু মাত্ৰ দহ মিনিট বাকী। তেতিয়া শ্বেৰিফ চাহাব থিয় হৈ প্ৰতিযোগিতাৰ গুৰুত্ব বৰ্ণনা কৰি এটি বক্তৃতা দিলে। অৱশেষত এইদৰে কৈ তেওঁ, বক্তৃতা শেষ কৰিলে— সমুখৰ ফালে সৌযে তিনিডাল কাঠি পোতা আছে। সেই কাঠিকেইডাল যিয়ে কাঁড় মাৰি দ্বিখণ্ডিত কৰিব পাৰিব, তেৱেঁই ইংলেণ্ডৰ শ্ৰেষ্ঠ তীৰন্দাজ বুলি স্বীকৃত হব। প্ৰত্যেক প্ৰতিযোগীক তিনিপাতকৈ কাঁড় নিক্ষেপ কৰাৰ সুযোগ দিয়া হব।

অলপ পৰৈ শ্বেৰিফ চাহাবে আকৌ ক'লে— এতিয়া প্ৰতিযোগিতা আৰম্ভ হব। প্ৰতিযোগী হিচাপে ইয়াত দহজন তীৰন্দাজ উপস্থিত হৈছে আজি। তেওঁলোকক মই অনুৰোধ কৰিছো, তেওঁলোকে যেন এজন এজনকৈ আহি কাঁড় নিক্ষেপ কৰে।

শ্বেৰিফ চাহাবে তেওঁৰ বক্তৃতা শেষ কৰি আসন গ্ৰহণ কৰিলে। তেওঁ বহাৰ লগে লগে এজন ঘোষক আগবাঢ়ি আহি ক'লে— প্ৰথম প্ৰতিযোগী আগবাঢ়ি আহক।

প্ৰতিযোগীসকলে ইতিমধ্যে নিজৰ ভিতৰত বুজাপৰা কৰি স্থিৰ কৰিছে যে সোঁফালৰ পৰা এজন এজনকৈ তেওঁলোক যাব। এই ব্যৱস্থা অনুসৰি প্ৰথম প্ৰতিযোগী ধীৰ পদক্ষেপেৰে আগবাঢ়ি আহি নিশানৰ ওচৰত থিয় হ'ল। মানুহজনৰ পোছাক তলৰ পৰা ওপৰলৈ ৰঙা। আনকি মূৰত যিটো টুপি পিন্ধিছে সেইটোও ৰঙা ৰঙৰ। মাথো ৰঙা ৰঙৰ জোতা নোপোৱাত জোতাৰ ৰংটো ব্যতিক্ৰম। তেওঁৰ জোতাযোৰ বাদামী ৰঙৰ।

তেওঁ থিয় হোৱাৰ লগে লগে শ্বেৰিফ চাহাবে ক'লে— আপুনি তিনিডাল কাঁড় নিক্ষেপ কৰিব লাগিব। আপোনাৰ কাঁড়ে যদি সমুখৰ সৌ কাঁঠি তিনিটা ফালি পেলাব পাৰে, তেনে আপোনাৰ নাম ঘোষণা কৰি অন্য আসনত বহিবলৈ দিয়া হ'ব। ইয়াৰ পিছত আৰু তিনিডাল কাঠি পুতি দ্বিতীয় প্ৰতিযোগীক মতা হ'ব।

যাৰ কাঁড়ে কাঠি ফালি পেলাব নোৱাৰিব, তেওঁলোকক লগে লগে বাতিল কৰা হ'ব। যিজন প্ৰতিযোগীয়ে কাঠি তিনিডাল ফালি পেলাব পাৰিব, তেওঁলোকৰ নাম ঘোষণা কৰি আপোনাৰ ওচৰত বহিবলৈ দিয়া হ'ব।

এনেকৈ প্ৰত্যেক প্ৰতিযোগীৰ কাঁড় নিক্ষেপ শেষ হ'লে, যিসকলে কাঠিবোৰ ফালি পেলাবলৈ সক্ষম হৈছে, তেওঁলোকৰ মাজত আৰু এটা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সেইটো হ'ল এটি চকাৰ লগত সৰু সুতাৰে দহোটা আপেল ওলমাই দি চকাটো লাহে লাহে ঘূৰোৱা হ'ব। সেই আপেল কেইটাৰ মাজত এটা থাকিব টিকটিকিয়া ৰঙা। বাকীবিলাক ৰঙা হালধীয়া। যিজন প্ৰতিযোগীয়ে সেই ঘূৰি থকা আপেলবোৰৰ ভিতৰত ৰঙা আপেলটোৰ ঠিক মাজত এটা ফুটা কৰিব পাৰিব, তেৱেঁই হ'ব শ্ৰেষ্ঠ তীৰন্দাজ।

এইবাৰ আপুনি কাঁড় নিক্ষেপ কৰক।

* * * * * *

প্ৰথম প্ৰতিযোগী তেতিয়া পোনহৈ থিয় দি কাঁড় নিক্ষেপৰ বাবে প্ৰস্তুত হ'ল। তেওঁ তূণৰ পৰা এপাত কাঁড় বাহিৰ কৰি সেইপাত ঘূৰাই পকাই পৰীক্ষা কৰি দেখিলে যে কাঁড়ডাল পোন হয় নে নহয়। পৰীক্ষাৰ পিছত সন্তুষ্ট হৈ তেওঁ সেই কাঁড়ডাল ধনুত যোজনা কৰি সজোৰে নিক্ষেপ কৰিলে।

কাঁড় পাত পোনে পোনে গৈ প্ৰথম কাঠিডালৰ গাৰ ওচৰেদি গৈ পিছফালৰ তক্তাত বিন্ধিলে। ইয়াৰ পিছত তেওঁ দ্বিতীয় কাঁড় নিক্ষেপ কৰিলে। সেইপাতো ঠিক একে অৱস্থাই প্ৰাপ্ত হ'ল। অৱশেষত তৃতীয় কাঁড় নিক্ষেপ কৰিলে। কিন্তু কাঁড়পাতে তৃতীয় কাঠিৰ ওচৰ চাপিবই নোৱাৰিলে।

শ্বেৰিফ চাহাব থিয় হৈ ক'লে— প্ৰথম প্ৰতিযোগী ব্যৰ্থ হৈছে। এওঁক বাতিল কৰা হ'ল। এইবাৰ দ্বিতীয় প্ৰতিযোগী আগবাঢ়ি আহক।

লগে লগে তেওঁৰ কথাৰ প্ৰতিধ্বনি কৰি ঘোষকে ক'লে— দ্বিতীয় প্ৰতিযোগী আহক।

ঘোষকৰ কথা শেষ হোৱাৰ লগে লগে দ্বিতীয় প্ৰতিযোগী আগবাঢ়ি আহিল। এওঁৰ পিন্ধনত ৰঙা ভেলভেটৰ পাইজামা আৰু হালধীয়া ট্ৰাউজাৰ। পোছাকৰ বাহাদুৰি দেখুৱালে কি হ'ব, তেওঁৰ কাঁড়ে এডাল কাঠিও স্পৰ্শ কৰিব নোৱাৰিলে।

তেওঁকো বাতিল কৰা হ'ল।

ইয়াৰ পিছত আহিল তৃতীয় প্ৰতিযোগী। এওঁ হ'ল ডোৰা কটা পোছাক পিন্ধা মানুহজন। এইজনে প্ৰথম কাঁড়েৰেই প্ৰথম কাঠিটো ফালি পেলালে। লগে লগে আৰম্ভ হ'ল জনতাৰ উল্লাসধ্বনি আৰু হাততালি।

উল্লাসধ্বনি কমাৰ লগে লগে দ্বিতীয় কাঁড় নিক্ষেপ কৰিলে। এই কাঁড় পাতে দ্বিতীয় কাঠিডাল স্পৰ্শ কৰিলেও ফালি পেলাব নোৱাৰিলে। তৃতীয় কাঁড় ডালৰ অৱস্থাও একেই হ'ল।

শ্বেৰিফ চাহেব থিয় হৈ সেই তীৰন্দাজৰ ফালে চাই ক'লে— আপোনাৰ কাঁড়ে প্ৰতিডাল কাঠি ফালি পেলাব নোৱাৰিলেও, এডাল কাঠি ফালিব পাৰিছে। এতেকে আপোনাক বাতিল কৰা নহ'ল। মই আগতে যি কথা ঘোষণা কৰিছিলো, সেইমতে আপুনি দ্বিতীয় পৰ্য্যায়ৰ বাবে মনোনীত হোৱাৰ যোগ্য। আপোনাৰ আগৰ যি দুজনক বাতিল কৰা হৈছে তেওঁলোকৰ দ্বাৰা নিক্ষিপ্ত কাঁড়ৰ অৱস্থা দেখি মই আকৌ পূৰ্বৰ ঘোষণা সংশোধন কৰি আপোনাক দ্বিতীয় পৰ্য্যায়ৰ বাবে মনোনীত তীৰন্দাজ হিচাপে সোঁফালৰ চকীবোৰৰ এখনত বহিবলৈ অনুৰোধ জনালো।

মানুহজনে শ্বেৰিফ চাহাবক অভিনন্দন জনাই নিৰ্দ্দিষ্ট ঠাইত আসন গ্ৰহণ কৰোতেই চতুৰ্থ প্ৰতিযোগীক আহ্বান কৰা হ'ল।

এই মানুহজনৰ পোছাকৰ তেনে পৰিপাট্য নাথাকিলেও প্ৰথম কাঁড়তেই তেওঁ সাফল্য লাভ কৰিলে। ইয়াৰ পিছত যেতিয়া দ্বিতীয় কাঠিটোও ফালি

পেলালে, তেতিয়া জনতা প্ৰচণ্ড আনন্দত নাচি উঠিল।

জনতাৰ আনন্দধ্বনি স্তিমিত হোৱাৰ লগে লগে তৃতীয় তীৰ নিক্ষেপ কৰিলে। কিন্তু দুখৰ বিষয় এই কাঁড়ে তৃতীয় কাঠি ফালি পেলাব নোৱাৰিলে।

শ্বেৰিফ চাহেবে এওঁক অভিনন্দন জনাই দ্বিতীয় পৰ্য্যায়ৰ প্ৰতিযোগিতাৰ বাবে মনোনীত কৰিলে।

ইয়াৰ পিছত আহিল পঞ্চম প্ৰতিযোগী।

এওঁৰ পোছাকো বেচ বিচিত্ৰ ধৰণৰ। মূৰত ৰঙা কেপ, ডিঙিত নীলা পাৰি লগোৱা হালধীয়া ৰঙৰ স্কাৰ্ফ, গাত খাকি হাফ চাৰ্ট, কঁকালত ডাঠ বেল্ট, বেল্টৰ তলত গাঢ় নীলা ৰঙৰ ট্ৰাউজাৰ, ভৰিত ডোৰাকাটা মোজা আৰু ক'লা ৰঙৰ বুট জোতা। এওঁৰ ধনুখনো বিচিত্ৰ। নানা ৰকম ৰঙ দি ধনুখনৰ কাঠিবোৰ চিত্ৰিত কৰা।

এই মানুহজনেও দুটা কাঠি ফালি পেলাবলৈ সক্ষম হ'ল। কিন্তু তৃতীয় কাঁড় পাতে তৃতীয় কাঠিডাল বগৰাই পেলালে।

এওঁকো দ্বিতীয় পৰ্য্যায়ৰ বাবে মনোনীত কৰা হ'ল।

ইয়াৰ পিছত আহিল ষষ্ঠ প্ৰতিযোগী। এওঁৰ পোছাক প্ৰায় চাৰ্কাচৰ ক্লাউনৰ দৰে। এওঁৰ চালচলনো ক্লাউনৰ নিচিনা। নানা ৰকমৰ অঙ্গী-ভঙ্গী কৰি এওঁ যেতিয়া প্ৰথম কাঁড় নিক্ষেপ কৰিলে, তেতিয়া দেখা গ'ল কাঁড় পাত কাঠিবোৰৰ অনেক দূৰেদি পাৰহৈ গ'ল। দ্বিতীয় আৰু তৃতীয় কাঁড়ৰ অৱস্থাও একে ৰকম হ'ল।

শ্বেৰিফ চাহেবে তেওঁক বাতিল বুলি ঘোষণা কৰিলে।

ইয়াৰ পিছত সপ্তম আৰু অষ্টম প্ৰতিযোগীৰ দশাও প্ৰায় ক্লাউনৰ নিচিনাই হ'ল। তেওঁলোককো বাতিল বুলি ঘোষণা কৰিলে।

এওঁলোকৰ পিছত আহিল নৱম প্ৰতিযোগী। এওঁৰ পোছাক মূৰৰ পৰা ভৰিলৈ বগা। বগা জোতা, বগা মোজা, বগা ট্ৰাউজাৰ, বগা চাৰ্ট, বগা টুপি। এনেকি এওঁৰ বেল্টডালো বগা।

এইজনেও দুটা কাঠি ফালি পেলাবলৈ সক্ষম হোৱাত শ্বেৰিফ চাহেবে এওঁক দ্বিতীয় পৰ্য্যায়ৰ বাবে মনোনীত কৰিলে।

একেবাৰে শেষত আগবাঢ়ি আহিল দশম প্ৰতিযোগী। এওঁৰ বিশেষত্ব হ'ল গাত চামৰাৰ কোট। এৱেঁই ৰবিন হুড।

তেওঁ আহি থিয় হোৱাত শ্বেৰিফ চাহেবে তীক্ষ্ণ দৃষ্টিৰে তেওঁৰ মুখৰ

ফালে চালে। তাৰ পিছত ভেৰিৰ জোতাৰে ওচৰত বহি থকা চাৰ গীৰ জোতাত এটা টোকৰ মাৰি ৰবিন হুডৰ ফালে তেওঁৰো দৃষ্টি আকৰ্ষণ কৰিলে। চাৰ গীও জোতাৰ টোকৰ মাৰি শ্বেৰিফ চাহাবক বুজাই দিলে যে তেৰোঁ ৰবিন হুডক চিনি পাইছে।

শ্বেৰিফ চাহাব তেতিয়া থিয় হৈ ছদ্মবেশী ৰবিন হুডৰ ফালে চাই ক'লে— শুনা যুৱক! তোমাৰ আগত যি ন জন প্ৰতিযোগী এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছে, তেওঁলোকৰ মাজৰ এজনে এডাল কাঠি আৰু তিনিজনে দুডাল কাঠি ফালি পেলাবলৈ সক্ষম হৈছে। তোমাৰ কাঁড়ে যদি তিনিওটা কাঠি ফালি পেলাব পাৰে, তেনেহলে দ্বিতীয় পৰ্য্যায়ৰ প্ৰতিযোগিতাৰ দৰকাৰ নহব। কিন্তু সেইটো যদি নহয় তেনেহলে অবস্থানুসাৰে ব্যৱস্থা অৱলম্বন কৰা হব। অৰ্থাৎ হয় তোমাক বাতিল কৰা হব, নহয় তোমাক দ্বিতীয় পৰ্য্যায়ৰ বাবে মনোনীত কৰা হব।

এতিয়া তুমি কাঁড় নিক্ষেপ কৰিব পাৰা।

শ্বেৰিফৰ কথা শেষ হোৱাৰ লগে লগে ৰবিন হুডে প্ৰথম কাঁড় নিক্ষেপ কৰিলে। কাঁড় পাত পোনে পোনে গৈ প্ৰথম কাঠিডাল ফালি পেলালে।

ইয়াৰ পিছত দ্বিতীয় পাত কাঁড়েও দ্বিতীয় ডাল কাঠি ফালি পেলালে।

জনতাৰ মাজত তেতিয়া আলোচনা আৰম্ভ হৈছে। এজনে ক'লে— এই যুৱকজনেই বোধহয় জয়ী হব।

অন্য এজনে ক'লে— দুডাল কাঠি ইয়াৰ আগতো তিনিজনে ফালি পেলাইছে। চাওক তৃতীয় কাঁড়ৰ কি অৱস্থা হয়।

ইফালে ৰবিনে তেতিয়া তৃতীয় কাঁড় নিক্ষেপ কৰাৰ বাবে প্ৰস্তুত হৈছে। এইটো যেন একো কথাই নহয় এই ধৰণৰ ভাব দেখুৱাই অৱহেলা ক্ৰমে তৃতীয় কাঁড় পাত নিক্ষেপ কৰিলে।

লগে লগে আৰম্ভ হৈ গ'ল জনতাৰ মহোল্লাস।

ৰবিনৰ তৃতীয় কাঁড়ডালে তৃতীয় কাঠি ফালি পেলোৱাত জনতা মহোল্লাসত ফাটি পৰিল। কোনোৱে চিঞৰি অভিনন্দন জনাইছে। কোনোৱে আনন্দত কমাল জোকাৰি অভিনন্দন জনাইছে। বহুতে দিছে হাততালি।

জনতাৰ উল্লাস ধ্বনি অলপ স্তিমিত হোৱাত শ্বেৰিফ চাহাব থিয় হৈ হাত দাঙি জনতাক শান্ত হবলৈ ক'লে।

তাৰ পিছত ৰবিন হুডৰ ফালে চাই ক'লে— আজিৰ এই প্ৰতিযোগিতাৰ উদ্যোক্তাসকলে যি পৰীক্ষাৰ ব্যৱস্থা কৰিছিল, তুমি সেই পৰীক্ষাত সসন্মানে উত্তীৰ্ণ হৈছা। গতিকে বিজয়ীৰ সন্মান আৰু পুৰস্কাৰ তোমাৰেই প্ৰাপ্য।

এই বুলি কৈ ট্ৰেৰ ওপৰৰ পৰা সোণৰ কাঁড়পাত তুলি লৈ থিয় কৰি ধৰিলে শ্বেৰিফে। এইটোৱে আছিল তেওঁৰ পূৰ্ব পৰিকল্পিত সংকেত। এই সংকেত পোৱাৰ লগে লগে দহ বাৰজন প্ৰহৰী দৌৰি আহি ৰবিন হুডক ধৰি পেলাই তেওঁৰ হাত দুখন বান্ধি পেলালে।

ৰবিন হুড বন্দী হোৱা দেখি শ্বেৰিফে তেওঁৰ মনৰ আনন্দ ঢাকি ৰাখিব নোৱাৰিলে। তেওঁ তেতিয়া ৰবিন হুডৰ ফালে চাই ক'লে— সমাজদ্ৰোহী চয়তান, তোৰ জীৱন আজিয়ে শেষ। মই এতিয়াই ৰজাৰ ওচৰলৈ তোৰ গ্ৰেপ্তাৰৰ সংবাদ জনাবলৈ এজন সংবাদ বাহকক পঠাম। সি ঘূৰি নহালৈ তোক মই নটিংহাম প্ৰাসাদাৰ অন্ধকাৰ কাৰাগাৰত বন্দী কৰি ৰাখিম। তোৰ বিচাৰ হব ৰাজদ্বাৰত। বিচাৰত তোৰ কি দণ্ড হব মই ভালকৈ জানো।

এই কথা কৈ তেওঁ প্ৰহৰীসকলৰ ফালে চাই আদেশ দিলে— এই চয়তানক অন্ধকাৰ কাৰাগাৰত বন্দী কৰি ৰাখা। অহাকালি ৰজাৰ পৰা নিৰ্দ্দেশ আহিলে পৰবৰ্ত্তী ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্বেৰিফৰ কথা শুনি প্ৰহৰীহঁতে ৰবিন হুডক টানি টানি প্ৰাসাদাৰ ফালে লৈ গ'ল।

* * * * * *

এই ঘটনা দেখি জনতা আচৰিত হ'ল। কি হ'ল তেওঁলোকে একো বুজিবই নোৱাৰিলে। কিন্তু একো নুবুজিলেও তেওঁলোক উত্তেজিত হৈ উঠিছে। প্ৰতিযোগিতাত যিজনে শ্ৰেষ্ঠ-স্থান অধিকাৰ কৰিছে, তেওঁক পুৰস্কাৰ নিদি গ্ৰেপ্তাৰ কৰা হ'ল কিয়? এই বিষয়টো লৈ তেওঁলোকৰ মাজত তেতিয়া আলোচনা আৰম্ভ হৈ গৈছে।

জনতাৰ উত্তেজনা লক্ষ্য কৰি চাৰ গীয়ে মনে মনে শ্বেৰিফক ক'লে— জনতাৰ ফালে লক্ষ্য কৰিছেনে?

– তেওঁলোক খুব উত্তেজিত হৈছে যেন লাগিছে।

– ঠিক সেইটোৱে। আপুনি ঘটনাটো তেওঁলোকক জনাই দিয়ক। ৰবিন হুডৰ নাম নকব। আপুনি তেওঁলোকক কওক– যাক গ্ৰেপ্তাৰ কৰা হৈছে, সি এজন ৰাজদ্ৰোহী। মোৰ ধাৰণা এই কথা শুনিলে তেওঁলোকৰ উত্তেজনা কমিব।

চাৰ গীৰ কথামতে শ্বেৰিফে তেতিয়া জনতাৰ ফালে চাই ক'লে— বন্ধুসকল! এইমাত্ৰ যি ঘটনা ঘটি গ'ল তাক দেখি আপোনালোক নিশ্চয় হতবুদ্ধি হৈ পৰিছে। যিজন মানুহক পুৰস্কাৰ দিয়াৰ কথা, তাক পুৰস্কাৰ নিদি গ্ৰেপ্তাৰ কৰা হৈছে দেখি হতবুদ্ধি হোৱাৰেই কথা। যি হওক এইবাৰ আচল কথা শুনক। যি মানুহজনে প্ৰতিযোগিতাত শ্ৰেষ্ঠ স্থান অধিকাৰ কৰিছে আচলতে সি এজন ৰাজদ্ৰোহী। মই যেতিয়া তাক পুৰস্কাৰ দিবলৈ সাজু হৈছিলো, ঠিক সেই সময়ত মোৰ ৰক্ষী বাহিনীৰ অধিনায়কে তাক চিনিব পাৰিলে। মহানুভৱ ইংলণ্ডেশ্বৰে এওঁক গ্ৰেপ্তাৰ কৰাৰ বাবে পৰোৱানা জাৰি কৰিছিল। সেয়ে চিনি পোৱাৰ লগে লগে ৰক্ষী বাহিনীৰ অধিনায়কে এওঁক গ্ৰেপ্তাৰ কৰে আৰু আচামীক কি কৰা হ'ব সেই সম্বন্ধে মোৰ নিৰ্দ্দেশ জানিব বিচাৰিছে। মই তেওঁক ৰজাৰ আদেশ নহালৈকে আমাৰ প্ৰাসাদত বন্দী কৰি ৰাখিবলৈ কৈছো। আশা কৰো কাইলৈ ৰাতিপুৱাই এওঁৰ সম্বন্ধে ৰজাৰ আদেশ জানিব পাৰিম।

ইয়াৰ পিছত আপোনালোকে বিবেচনা কৰক যে এওঁক গ্ৰেপ্তাৰ কৰা উচিত হৈছে নে অনুচিত হৈছে।

শ্বেৰিফৰ বক্তৃতা শুনি জনতাই সমস্বৰে কৈ উঠিল— আপুনি ঠিকেই কৰিছে। এওঁক বন্দী কৰি খুব ভাল কাম কৰিছে।

কোনোবা এজনে কৈ উঠিল— এওঁৰ প্ৰাণদণ্ড কেতিয়া হ'ব চাৰ?

শ্বেৰিফে ক'লে— এওঁক দণ্ড দিব ৰজা জনে। গতিকে এওঁৰ প্ৰাণদণ্ড হ'ব নে অন্য কোনো দণ্ড হ'ব সেইটো আগতীয়াকৈ মই ক'ব নোৱাৰিম।

শ্বেৰিফৰ কথাত জনতা আনন্দিত মনে প্ৰাঙ্গনৰ পৰা আঁতৰি গ'ল।

ইফালে দুজন মানুহে জনতাৰ মাজৰ পৰা দ্ৰুতগতিৰে শ্বেৰ উড ফৰেষ্টৰ ফালে যাব ধৰিলে। এওঁলোক হ'ল ছদ্মবেশী লিটল যোহন আৰু উইল স্কাৰলেট।

লিটল যোহনৰ মুখৰ ভাব তেতিয়া ভয়ঙ্কৰ হৈ পৰিছে। স্কাৰলেটৰ ফালে চাই তেওঁ ক'লে— যিমান সোনকালে সম্ভৱ ৰবিনক আমি মুক্ত কৰিম।

স্কাৰলেটে ক'লে— নিশ্চয়। শ্বেৰিফক আমি বুজাই দিম যে ৰবিন হুডৰ সহচৰসকলৰ তেওঁলোকৰ নেতাক মুক্ত কৰাৰ ক্ষমতা আছে।

দ্বাদশ অধ্যায়

ৰবিন হুডৰ মুক্তি লাভ

লিটল যোহন আৰু স্কাৰলেটে শুনি আহিছিল যে শ্বেৰিফ মহাশয়ে ৰবিন হুডৰ গ্ৰেপ্তাৰৰ কথা ৰজা জনক জনোৱাৰ বাবে পিছদিনা ৰাতিপুৱা তেওঁৰ ওচৰলৈ এজন সংবাদবাহক পঠাব। সেয়ে তেওঁলোকে পৰামৰ্শ কৰি ঠিক কৰিলে যে শ্বেৰিফৰ সেই সংবাদবাহকক ৰজাৰ ওচৰ পাবলৈ দিয়া নহব, বাটতেই তাক হত্যা কৰা হব।

এই সিদ্ধান্ত কাৰ্য্যকৰী কৰাৰ বাবে তেওঁলোকে শ্বেৰ উদৰ আড্ডালৈ ঘূৰি আহি দুজন যুৱকক পঠাই দিলে সংবাদবাহকক হত্যা কৰাৰ বাবে। যুৱক দুজন তেতিয়া ঘোড়াত উঠি সংবাদবাহকৰ উদ্দেশ্যে ৰাওনা হ'ল।

এঘন্টামানৰ ভিতৰতে তেওঁলোকে সংবাদবাহকক দেখিবলৈ পালে। তেৰোঁ আহিছিল ঘোৰাত উঠি। কিন্তু তেতিয়া ঘোৰাৰ পৰা নামি এডাল গছৰ তলত বহি জিৰণি লৈছিল। ঘোৰাটো বান্ধি থৈছিল গছডালত। ৰবিন হুডৰ সহচৰ দুজনো ওচৰলৈ আহি ঘোৰাৰ পৰা নামিল। তাৰ পিছত তেওঁলোকৰ এজনে সংবাদবাহকজনক সুধিলে— আপুনি কলৈ যাব জানিব পাৰোনে?

মানুহজনে গৰ্বেৰে উত্তৰ দিলে– মই যাম ৰজাৰ লগত দেখা কৰিবলৈ।

ৰজাৰ লগত দেখা কৰিবলৈ যাব? তেনেহলে আপুনিটো সাধাৰণ লোক নহয়। কি উদ্দেশ্যে ৰজাৰ লগত দেখা কৰিবলৈ যাব অনুগ্ৰহ কৰি কবনে?

– কিয় নকম। যোৱাকালি আমাৰ প্ৰভুই কুখ্যাত ডকাইত ৰবিন হুডক গ্ৰেপ্তাৰ কৰি নটিংহাম প্ৰাসাদত বন্দী কৰি ৰাখিছে। এই খবৰটো জনোৱাৰ বাবেই মই ৰজাৰ লগত দেখা কৰিবলৈ ওলাইছো।

খবৰটো শুনি যেন তেওঁলোক খুব আনন্দিত হৈছে, এই ধৰণৰ ভাব দেখুৱাই ক'লে— ৰবিন হুডক তেনে গ্ৰেপ্তাৰ কৰা হৈছে? সঁচাকৈয়ে এইটো এটা ভাল খবৰ। তাৰ অত্যাচাৰত কোনো ভদ্ৰলোক শান্তিৰে থাকিব পৰা

নাছিল।

তেওঁলোকৰ কথা শুনি সংবাদবাহকে ক'লে– আপোনালোকেও দেখিছো ৰবিন হুডক ঘৃণা কৰে। শুনিছো মানুহজন দুখীয়াৰ বন্ধু, ধনীৰ টকা পইচা কাঢ়ি নি দুখীয়ালোকৰ মাজত বিলাই দিয়ে। তেওঁলোকক সহায় কৰি লাভ কি? তেওঁলোকটো অমানুহ। সঁচা কথা ক'বলৈ গ'লে দুখীয়াবোৰক মই খুব ঘৃণা কৰো।

ৰবিনৰ সহচৰ দুজনেও তেওঁৰ কথাত সঁহাৰি জনালে। তেওঁলোকে ক'লে যে তেওঁলোকেও দুখীয়া বিলাকক ঘৃণা কৰে।

তেওঁলোকৰ কথা শুনি সংবাদবাহক খুব আনন্দিত হ'ল। তেওঁ তেতিয়া তেওঁলোকৰ ফালে চাই ক'লে— আপোনালোকৰ কিবা খৰখেদা আছে নেকি?

– কিয় কওকচোন।

– খৰখেদা নাথাকিলে ইয়াত বহি অলপ আলাপ-আলোচনা কৰিব পৰা যায়।

ৰবিনৰ সঙ্গী দুজনে এনেধৰণৰ সুযোগকে বিচাৰিছিল। সেয়ে তেওঁলোকে আনন্দমনে মানুহজনৰ প্ৰস্তাৱ মানি লৈ এডাল গছৰ তলত বহি তেওঁৰ লগত গল্প আৰম্ভ কৰিলে।

কিছুসময় ইটো সিটো কথা পতাৰ পিছত তেওঁলোকৰ এজনে হঠাৎ কৈ উঠিল– ৰবিন হুড যি ধৰণৰ ধূৰ্ত্ত, সি হয়তো নটিংহাম প্ৰাসাদৰ পৰা পলাই যাব।

তেওঁৰ কথা শুনি সংবাদবাহকে হাঁহি মাৰি ক'লে— নাই নোৱাৰে। ৰবিন হুডক য'ত বন্দী কৰি ৰখা হৈছে, তাৰ পৰা পলোৱা সম্ভৱ নহয়। তাক ক'ত ৰাখিছে জানে?

– নাজানো। ক'ত ৰখা হৈছে তাক।

– তাক ৰখা হৈছে ভূগৰ্ভস্থ কাৰাগাৰত। প্ৰাসাদৰ পিছ ফালৰ অংশৰ ঠিক তলত এই কাৰাগাৰ। তাতৈ সোমোৱা বা তাৰ পৰা ওলাই অহা অসম্ভৱ।

– কিয়?

– কাৰণ কাৰাগাৰৰ দুৱাৰ মুখত সকলো সময়তে সশস্ত্ৰ প্ৰহৰী থাকে। চিৰিৰ মুখতো সশস্ত্ৰ প্ৰহৰী থাকে। তাৰ উপৰিও শত শত প্ৰহৰীয়ে সকলো সময়তে প্ৰাসাদটো পহৰা দি আছে। তেওঁলোকৰ চকুত ধূলি মাৰি ৰবিন হুড কোনোপধ্যে পলাব নোৱাৰে।

কাৰাগাৰৰ অৱস্থান জানিব পাৰি ৰবিনৰ সঙ্গী দুজন মনে মনে আনন্দিত হ'ল। লগে লগে দুয়োজনৰ মাজত চকুৱে চকুৱে কথা হৈ গ'ল। কিন্তু মনৰ ভাব গোপন কৰি প্ৰকাশ্যে তেওঁলোকে এনে কথা ক'লে যিটো শুনি সংবাদবাহকে ভাবিলে যে এই খবৰ পাই মানুহ দুজন খুব আনন্দিত হৈছে।

* * *

কিছুসময় জিৰণি লোৱাৰ পিছত সংবাদবাহক থিয় হৈ ক'লে— এইবাৰ মই যাব লাগিব। আপোনালোকো লণ্ডনলৈ যাব নেকি?

তাৰ প্ৰশ্নৰ উত্তৰ নিদি ৰবিনৰ সঙ্গী দুজনে হঠাৎ তাক আক্ৰমণ কৰিলে। তেওঁলোকৰ এজনে মানুহজনৰ ডিঙি চেপি ধৰিলে আৰু আনজনে বুকু আৰু পেটত প্ৰচণ্ড ঘোচা সোধালে। ঘোচা খোৱাৰ লগে লগে মানুহজনে জ্ঞান হেৰুৱাই মাটিত লুটি খাই পৰিল। তেওঁলোকে তেতিয়া মানুহজনক টানি নি ওচৰৰ এটুকুৰা জঙ্গলৰ ভিতৰত পেলাই লৈ হাত ভৰি বান্ধি মুখত সোপা দি থলে।

ইয়াৰ পিছত তাৰ পকেটৰ পৰা শ্বেৰিফৰ চিঠিখন বাহিৰ কৰি লৈ তাৰ ঘোড়াটোৰ ওচৰলৈ ঘূৰি আহি লাগাম আৰু পিঠিৰ জিন খুলি লৈ সেই জঙ্গলৰ ভিতৰত এৰি দি খেদাই দিলে।

এইখিনি কাম কৰিবলৈ পাঁচ মিনিটো সময় নালাগিল। তেওঁলোকে তেতিয়া দ্ৰুতগতিত ঘোড়া চেকুৰাই শ্বেৰ উড ফৰেষ্টলৈ আহি লিটল যোহন আৰু উইল স্কাৰলেটক সকলো কথা জনালে। শ্বেৰিফৰ চিঠিখন তেওঁলোকে লিটল যোহনৰ হাতত দিলে।

লিটল যোহনে তেতিয়া সহকৰ্মীসকলৰ ফালে চাই ক'লে— শুনা বন্ধুসকল। আজি ৰাতি আমি আমাৰ নেতাক মুক্ত কৰি লৈ আহিম। শ্বেৰিফক আমি আজি বুজাই দিম যে ৰবিন হুডক বন্দী কৰি ৰখাৰ ক্ষমতা কাৰো নাই।

নিশা বাৰবজাত ৰবিন হুডৰ সঙ্গীসকল শ্বেৰ উদ ফৰেষ্টৰ পৰা বাহিৰ ওলাল। আজি তেওঁলোক আটায়ে গৈছে ঘোড়াত উঠি আৰু অস্ত্ৰ-সজ্জিত হৈ। লিটল যোহন আৰু স্কাৰলেট গৈছে সমুখত। তেওঁলোকৰ পিছত গৈছে দুশ অস্ত্ৰধাৰী অশ্বাৰোহী।

নটিংহাম চহৰৰ উপকণ্ঠত তেওঁলোক যেতিয়া উপস্থিত হ'ল, তেতিয়া নিশা প্ৰায় দেড় বাজিছে। লিটল যোহনে তেতিয়া সঙ্গীসকলৰ ফালে চাই

ক'লে— তোমালোকে ইয়াতে অপেক্ষা কৰা। মই আৰু স্কাৰলেট নটিংহাম প্ৰাসাদলৈ যাওঁ। মোৰ ধাৰণা, আমি দুজনেই ৰবিনক মুক্ত কৰিব পাৰিম। তথাপিও তোমালোক সকলো সময়তে প্ৰস্তুত হৈ থাকিবা। তিনিবাৰ শিঙাৰ শব্দ শুনিলে তোমালোকে দ্ৰুতগতিত আগবাঢ়ি গৈ প্ৰাসাদ আক্ৰমণ কৰিবা।

এই কথা কৈ লিটল যোহন আৰু স্কাৰলেট চহৰলৈ আগবাঢ়িল।

ইমান ৰাতি দুজন মানুহ ৰাস্তাৰে দ্ৰুতগতিত যোৱা দেখি ৰাস্তাৰ কুকুৰবোৰে ভুকিবলৈ ধৰিলে। কিন্তু কিছু সময়ৰ ভিতৰতে তেওঁলোক দুজন নটিংহাম প্ৰাসাদৰ সমীপত আহি হাজিৰ হ'ল। তেওঁলোকে তেতিয়া ঘোড়াৰ পৰা নামি ঘোড়া দুটা এজোপা গছত বান্ধি থৈ নিঃশব্দে অগবাঢ়ি গ'ল প্ৰাসাদৰ পিছফালৰ দুৱাৰখনলৈ।

দুৱাৰ মুখতে এজন সশস্ত্ৰ প্ৰহৰী বহি আছিল। মানুহজনে তেতিয়া বহি বহি টোপনিয়াইছিল। স্কাৰলেটে হাতত সাৰে ভৰিত সাৰে আগবাঢ়ি গৈ তাৰ মূৰত প্ৰচণ্ডজোৰে আঘাত কৰিলে। লগে লগে মানুহজন অজ্ঞান হৈ ধানৰ বস্তাৰ দৰে কাটি হৈ পৰি গ'ল।

স্কাৰলেটে তেতিয়া তাৰ দেহৰ পৰা পোছাকটো খুলি লৈ নিজে পিন্ধি ললে আৰু নিজৰ পোছাকটো তাক পিন্ধাই দিলে। ইয়াৰ পিছত তেওঁলোকে হাত ভৰি বান্ধি পেলাই থৈ দুৱাৰ খুলি ভিতৰলৈ সোমাই গ'ল।

অলপ দূৰ যোৱাৰ পিছতে তেওঁলোকে আৰু এটা গেট দেখিবলৈ পালে। সেই গেটৰ দুৱাৰৰ ওচৰতো এজন প্ৰহৰী বহি টোপনিয়াই আছিল। এইবাৰ লিটল যোহন আগবাঢ়ি গ'ল তাৰ ওচৰলৈ। তৰ পিছত মানুহজনৰ বুকুত এনে এটা ঘোচা মাৰিলে যে এটা ঘোচাতেই সি জ্ঞান হেৰুৱাই লুটি খাই পৰিল। লিটল যোহনে তেতিয়া তাৰ গাৰ পৰা পোছাক খুলি আনি নিজে পিন্ধি ল'লে আৰু নিজৰ পোছাকযোৰ তাক পিন্ধাই দিলে।

এই মানুহজনক বান্ধি থোৱা নহ'ল। কাৰণ লিটল যোহনৰ এটা ঘোচাতে তাৰ প্ৰাণবায়ু উৰি গ'ল।

প্ৰহৰী দুজনক আঘাত কৰি লিটল যোহন আৰু স্কাৰলেটে দুৱাৰ খুলি দিলে। দুৱাৰ খোলাৰ লগে লগে দেখা গ'ল এটা চিৰি। সেইফালে চোৱাৰ লগে লগে দেখিলে চিৰিটো তললৈ নামি গৈছে। চিৰিটো দেখি তেওঁলোকে বুজিলে যে সেইটোৱে কাৰাগাৰলৈ যোৱা পথ।

চিৰি দি কেইই ধাপমান নামি যোৱাৰ লগে লগে কাৰাগাৰৰ দুৱাৰ

চকুত পৰিল। তাতো এজন প্ৰহৰী আছিল। কিন্তু সি তেতিয়া দুৱাৰৰ ফালে মুখ কৰি থিয় দি আছিল কাৰণে আগন্তুক লিটল যোহন আৰু উইল স্কাৰলেটক দেখা পোৱা নাছিল।

লিটল যোহনে বুজি পালে এই মুহূৰ্ত্ততে তাক ঘায়েল কৰিব নোৱাৰিলে সি চিঞৰি দিব। এই কথা মনলৈ অহাৰ লগে লগে তেওঁ বিদ্যুৎবেগে তললৈ নামি গৈ দুয়ো হাতেৰে মানুহটোৰ ডিঙি চেপি ধৰিলে। মানুহজন এনে অতৰ্কিত আক্ৰমণৰ বাবে প্ৰস্তুত নাছিল। সি তাৰ দুই হাতেৰে লিটল যোহনৰ হাত দুখন ডিঙিৰ পৰা এৰুৱাবলৈ আপ্ৰাণ চেষ্টা কৰিলে। কিন্তু শত চেষ্টাতেও লিটল যোহনৰ বজ্ৰমুঠি খুলিব নোৱাৰিলে।

ইফালে স্কাৰলেটো আহি সেইখিনি পাইছে। তেওঁ আহিয়ে মানুহজনৰ বুকুত প্ৰচণ্ডজোৰে এটা ঘোচা সোধালে। লিটল যোহনৰ হাতৰ চাপত তেতিয়া তাৰ শ্বাসৰুদ্ধ হৈ গৈছিল। এই অৱস্থাত স্কাৰলেটৰ ঘোচাৰ বেগ সি সহ্য কৰিব নোৱাৰিলে। একে ঘোচাতে সি সংজ্ঞা হেৰুৱাই পেলালে।

লিটল যোহনে তাৰ পকেটৰ পৰা কাৰাগাৰৰ চাবিপাত বাহিৰ কৰি আনি দুৱাৰখন খুলি পেলালে। ইতিমধ্যে স্কাৰলেটে প্ৰহৰীৰ গাৰ পৰা পোছাকযোৰ খুলি লৈ তাক টানি টানি ঘৰৰ ভিতৰলৈ নি এটা চুকত পেলাই থ'লে আৰু তাৰ পোছাকযোৰ ৰবিনৰ বাবে ৰাখি থ'লে। ইফালে লিটল যোহন তেতিয়া ৰবিনৰ ফালে আগুৱাই গৈছে। তেওঁক কাৰাৰক্ষী বুলি ভাবি ৰবিন হুডে ক'লে— একখোজ আগবাঢ়ি আহিলেই তোমাক মই শেষ কৰি পেলাম।

লিটল যোহনে হাঁহি ক'লে— শেষ কৰাৰ আৱশ্যক নহব বন্ধু। মই লিটল যোহন আৰু মোৰ সঙ্গীজন হ'ল স্কাৰলেট। প্ৰহৰীহঁতক ঘাইল কৰি তেওঁলোকৰ পোছাক পিন্ধি আহিছো আমি। ব'লা, এতিয়া ওলাই যাওঁ।

ৰবিনে ক'লে— তেওঁলোকে মোৰ ভৰি দুখন শিকলিৰে বান্ধি থৈছে। শিকলি খুলিব নোৱাৰিলে মই পলাম কেনেকৈ।

লিটল যোহনে আগতে এনে ধৰণৰ কিবা এটা অনুমান কৰি ছেনি আৰু হাতুৰী লগত লৈ আহিছিল। তেওঁ তেতিয়া ছেনি আৰু হাতুৰীৰে শিকলি কটা আৰম্ভ কৰিলে।

শিকলি কটা শব্দ বেচ জোৰে হৈছিল। শব্দটো অন্যান্য প্ৰহৰীয়ে শুনিবলৈ পাই কাৰাগাৰৰ ফালে দৌৰি আহিল।

লিটল যোহনে ইতিমধ্যে ৰবিনৰ ভৰিৰ পৰা শিকলি খুলি পেলাইছে। ৰবিন হুডে একেজাপে আগবাঢ়ি আহি দুৱাৰৰ পাল্লাৰ পিছফালে লুকাই

থাকিল। লিটল যোহনো লুকাই থাকিল তেওঁৰ পিছফালে।

ইফালে স্কাৰলেটে তেতিয়া দুৱাৰৰ বাহিৰলৈ আহি ৰক্ষীকেইজনলৈ চাই ক'লে— সোনকালে আহা ভাইহঁত! ৰবিন হুডে শিকলি চিঙি পেলাইছে।

ৰক্ষীহঁতে তেওঁক প্ৰহৰী বুলি ভাবি পোনে পোনে কাৰাগাৰৰ ভিতৰলৈ সোমাই গ'ল। সিহঁত ভিতৰ সোমোৱাৰ লগে লগে ৰবিন হুড আৰু লিটল যোহন বাহিৰলৈ ওলাই আহি দুৱাৰখন বন্ধ কৰি দিলে।

ৰবিন হুড ওলাই অহাৰ লগে লগে স্কাৰলেটে তেওঁৰ হাতত প্ৰহৰীৰ পোছাকযোৰ দি ক'লে— সোনকালে পিন্ধি লোৱা ৰবিন।

ৰবিন হুডে তাৰাতাৰি প্ৰহৰীৰ পোছাকটো পিন্ধি ল'লে। তাৰ পিছত তিনিও বন্ধু দ্ৰুতবেগে চিৰিৰে ওপৰলৈ উঠিব ধৰিলে।

ওপৰলৈ উঠি দুৱাৰ পাৰ হোৱাৰ লগে লগে এদল ৰক্ষী সমুখত উপস্থিত হ'ল। ৰবিনে তেতিয়া তেওঁলোকৰ ফালে চাই ক'লে— শীঘ্ৰে কাৰাগাৰলৈ যোৱা। ৰবিন হুডে তাৰ ভৰিৰ শিকলি কাটি কাৰাগাৰৰ দুৱাৰ ভাঙিবলৈ চেষ্টা কৰিছে। আমি ৰক্ষীসকলক খবৰ দিবলৈ আহিছো।

ৰবিনৰ মুখত এই খবৰ পাই সিহঁত কাৰাগাৰৰ ফালে দৌৰী গ'ল। সিহঁত যোৱাৰ পিছত ৰবিন আৰু দুই সঙ্গী বাহিৰ ওলাই ৰাস্তাৰে গহীন গম্ভীৰভাৱে খোজ কাঢ়ি গ'ল। এনেকৈ তেওঁলোকে খোজ কাঢ়ি গ'ল যেন এইমাত্ৰ পহৰা দিয়া কাম শেষ কৰি ঘৰলৈ উলটি আহিছে।

অলপ পিছতে এদল নগৰ ৰক্ষীৰ লগত দেখা হ'ল তেওঁলোকৰ। নগৰ ৰক্ষীৰ অধিনায়কে সুধিলে— ইমান ৰাতি এইফালে ক'লৈ যোৱা তোমালোক।

তাৰ প্ৰশ্ন শুনি ৰবিন হুডে কৈ উঠিল— পহৰা শেষ হলেও আমি জানো প্ৰাসাদতে থাকিব লাগিব। আমাৰ নিজা ঘৰ-সংসাৰ নাই নেকি?

ৰবিন হুডৰ কথা শুনি সিহঁতে আৰু একো নকলে। ওচৰেদি পাৰ হৈ গ'ল। তিনিও বন্ধুৱে তেতিয়া হাঁহি হাঁহি সমুখলৈ আগবাঢ়িল।

* * * * * *

কেইমিনিট মানৰ ভিতৰতে ৰবিন হুড গৈ তেওঁৰ দলৰ লগ লাগিলগৈ। সঙ্গীসকল ইমান সময় ৰবিনৰ অপেক্ষাত বৈ আছিল। ৰবিনক পাই তেওঁলোক আনন্দত অধীৰ হৈ পৰিল।

ইয়াৰ এঘন্টাৰ পিছতে তেওঁলোক গৈ হাজিৰ হ'ল শ্বেৰ উড ফৰেষ্টৰ নিজৰ শিবিৰত।

ত্ৰয়োদশ অধ্যায়

(উইল স্কাৰলেটৰ বিপদ)

কিছুদিন পিছৰ কথা।

উইল স্কাৰলেট সেইদিনা লিঙ্কন চহৰলৈ গৈছিল সেউজীয়া কাপোৰ কিনিবলৈ। তেওঁলোকৰ ইউনিফৰ্মবোৰ ফালি ছিৰি গৈছিল বাবেই সেউজীয়া কাপোৰৰ আৱশ্যক হৈছিল।

এখন ডাঙৰ কাপোৰৰ দোকানলৈ গৈ স্কাৰলেটে ক'লে— মোক পাঁচ শ থান সেউজীয়া কাপোৰ দিব পাৰিব?

পাঁচ শ থান কাপোৰৰ কথা শুনি দোকানীৰ চকু দুটা থিৰ হৈ ৰ'ল। তেওঁ ক'লে— ইমান সেউজীয়া কাপোৰ নি কি কৰিব।

– সেই খবৰ আপোনাক কিয় লাগে?

– নাই, কোনো দৰ্কাৰ নাই। এনেয়ে সুধিছিলোঁ। আপুনি অলপ অপেক্ষা কৰক, মই গুদামৰ পৰা কাপোৰৰ থানবোৰ লৈ আহোঁ। ইমান কাপোৰ সকলো সময়তে দোকানত ৰখা নহয়।

এই কথা কৈয়ে দোকানী বাহিৰলৈ ওলাই গ'ল। ইফালে দোকানৰ চুকত বহি তেতিয়া কেইজনমান মানুহে গল্প কৰি আছিল। স্কাৰলেটৰ কথা শুনি তেওঁলোকৰ মাজৰ এজনে নিম্নস্বৰে ক'লে— এই মানুহজনক লক্ষ্য কৰিছা নে?

– কিয়; কি কৰিছে তেওঁ?

একো কৰা নাই। তেওঁ পাঁচ শ থান সেউজীয়া কাপোৰ কিনিবলৈ আহিছে। সেউজীয়া কাপোৰৰ ইউনিফৰ্ম কোনে পিন্ধে জানা নহয়?

ঠিক কৈছা, তেওঁ নিশ্চয় ৰবিন হুডৰ দলৰ মানুহ। আহা আমি তেওঁক

ধৰোঁ। তেওঁক ধৰি নটিংহামৰ শ্বেৰিফৰ ওচৰলৈ লৈ যাব পাৰিলে তেখেতৰ পৰা শকত বকচিচ পোৱা যাব।

তেওঁলোকে তেতিয়া একেলগে দৌৰি গৈ স্কাৰলেটক হেচা মাৰি ধৰি পেলালে।

স্কাৰলেটে তেতিয়া উধাই মুধাই ঘোচা মাৰি তেওঁলোকক কাহিল কৰি দোকানৰ পৰা বাহিৰহৈ যাবলৈ চেষ্টা কৰিলে।

ইপিনে সেই দোকানীয়ে তেতিয়া তিনিজন চিপাহী লগতলৈ দোকানলৈ ঘূৰি আহিছিল। স্কাৰলেটক পলাই যোৱা দেখি দোকানীয়ে কৈ উঠিল— সেই মানুহজনৰ কথাই কৈছিলোঁ। শীঘ্রে তেওঁক ধৰি পেলাওক।

দোকানীৰ কথা শুনি চিপাহীকেইজন দৌৰী গৈ স্কাৰলেটক ধৰি পেলালে। লগে লগে ৰাষ্টাৰ মানুহবোৰো আহি চিপাহীকেইজনৰ ওচৰত থিয় হ'ল।

স্কাৰলেটে গম পালে যে ইমানবোৰ মানুহৰ হাতৰ পৰা নিস্তাৰ পোৱা সম্ভৱ নহয়। সেয়ে তেওঁ বিনা প্রতিবাদে ধৰা দিলে।

চিপাহীকেইজনে তেতিয়া এমুঠি ৰচিৰে স্কাৰলেটৰ হাত দুখন বান্ধি তেওঁক টানি টানি ৰাষ্টালৈ লৈ আহিল। পথচাৰীমানুহবোৰো চিপাহীকেইজনৰ লগে লগে আগবাঢ়িল।

* * *

তেওঁলোকে যেতিয়া স্কাৰলেটক লৈ ৰাষ্টাৰে নটিংহাম অভিমুখে গৈ আছিল, তেতিয়া চাৰ হেনৰী কিবা এটা কামত সেই বাটেৰেই গৈছিল।

উইল স্কাৰলেটক দেখি তেওঁৰ চিনাকী চিনাকী যেন লাগিল। তেওঁ সেয়ে মনত পেলাবলৈ চেষ্টা কৰিলে— মানুহজনক ক'ত দেখিছিল। অলপ সময় চিন্তা কৰোতেই তেওঁৰ মনত পৰিল যে এই মানুহজনক তেওঁ ৰবিন হুডৰ শিবিৰত দেখিছিল।

এই কথা মনত পৰাৰ লগে লগে তেওঁ চিপাহী কেইজনৰ ওচৰলৈ আগবাঢ়ি গৈ সুধিলে— এই মানুহজনে কি কৰিছে?

চিপাহীহঁতৰ এজনে ক'লে— ই ৰবিন হুডৰ দলৰ মানুহ।

হয় নেকি? এতিয়া ইয়াক তোমালোকে ক'লৈ নিব বিচাৰিছা?

আমি যাম নটিংহামৰ শ্বেৰিফৰ ওচৰলৈ। ইয়াক পালে তেখেত বৰ সুখী হব।

মোৰ ধাৰণা কাইলৈ ৰাতিপুৱাই ইয়াক মৃত্যুদণ্ড দিয়া হব। নহয়

জানো?

আমাৰো সেয়ে ধাৰণা।

চিপাহীহঁতৰ কথা শুনি চাৰ হেনৰীয়ে আৰু পলম নকৰি দ্রুতবেগে তেওঁৰ ঘোড়া চেকুৰাই দিলে।

* * *

সন্ধিয়াৰ অলপ পিছতে চাৰ হেনৰী গৈ শ্বেৰ উড ফৰেষ্টত ৰবিন হুডক দেখা কৰিলে।

তেওঁক দেখি ৰবিন হুডে ক'লে— আপোনাক দেখি খুব সুখী হলো চাৰ হেনৰী। কিন্তু এই সময়ত ইয়ালৈ কিয় আহিল? কোনো বিপদ আপদ হৈছে নেকি?

চাৰ হেনৰীয়ে ক'লে— মোৰ কোনো বিপদ হোৱা নাই। মই আহিছো আপোনাৰ এজন সঙ্গীৰ খবৰ জানিবলৈ। আপোনাৰ কোনো সঙ্গী লিঙ্কন চহৰলৈ গৈছিল নেকি?

হয় উইল স্কাৰলেট তালৈ গৈছিল। তেওঁ এতিয়াও ঘূৰি নহাত মই খুব চিন্তিত হৈছো।

তেওঁ ধৰা পৰিছে। মই নিজ চকুৰে দেখি আহিছো— কেইজনমান চিপাহীয়ে তেওঁক ধৰি নটিংহামলৈ লৈ গৈছে। চিপাহীকিজনৰ ধাৰণা, কাইলৈ ৰাতিপুৱাই আপেনাৰ সঙ্গীজনক মৃত্যুদণ্ড দিয়া হব। তেওঁলোকৰ মুখত এই কথা শুনি মই পোনে পোনে আপোনাক খবৰটো দিয়াৰ কাৰণে ইয়ালৈ আহিছো।

খুব ভাল কাম কৰিছে চাৰ হেনৰী। ইয়াৰ বাবে মই আপোনাৰ ওচৰত কৃতজ্ঞ হৈ থাকিম।

চাৰ হেনৰীয়ে বিদায় লৈ যোৱাৰ পিছত ৰবিন হুডে তেওঁৰ সহচৰসকলৰ ফালে চাই ক'লে— বন্ধুসকল, চয়তান শ্বেৰিফে যাতে স্কাৰলেটক হত্যা কৰিব নোৱাৰে সেই ব্যৱস্থা আমি গ্রহণ কৰিবই লাগিব। কাইলৈ ৰাতিপুৱা ছদ্মবেশেৰে আমি নটিংহামলৈ যাম। স্কাৰলেটক আমি মুক্ত কৰিমেই।

চতুৰ্দ্দশ অধ্যায়

(স্কাৰলেটৰ মুক্তি)

ৰাতি নৌপুৱাওতেই ৰবিন হুড আৰু তেওঁৰ সহচৰসকল ছদ্মবেশেৰে নটিংহাম চহৰত উপস্থিত হ'ল। ৰবিন হুড আহিছে ভিখাৰীৰ দৰে ফটা ছিটা পেন্ট চাৰ্ট পিন্ধি। ফটা ছিটা পেন্ট চাৰ্ট লেতেৰা হলেও তেওঁৰ কান্ধত ওলোমাই থোৱা আছিল এটা বন্দুক আৰু পিঠিত বন্ধা আছিল বাণপূৰ্ণ তূণ। নটিংহামলৈ আহি তেওঁলোকে দেখিলে প্ৰাসাদৰ সমুখৰ প্ৰাঙ্গণ বিশেষভাৱে সজোৱা হৈছে। আৰু দেখিলে প্ৰাঙ্গণৰ মাজত এখন মঞ্চ তৈয়াৰ কৰা হৈছে। কোনো অপৰাধীক মৃত্যুদণ্ড দিবলৈ হ'লে যেনে মঞ্চৰ ওপৰত তাক বান্ধি ৰাখি কাঁড় মাৰি হত্যা কৰা হয়— মঞ্চখন ঠিক সেই ধৰণৰ।

ৰবিন হুডে বুজি পালে যে স্কাৰলেটক হত্যা কৰাৰ বাবেই এনেভাৱে আয়োজন কৰা হৈছে।

অলপ পিছতে দলে দলে মুনিহ-তিৰোতা উৎসৱৰ পোছাক পিন্ধি প্ৰাঙ্গণত উপস্থিত হ'ল। ৰাতিপুৱা সাত বজাৰ ভিতৰতে হেজাৰ হেজাৰ মুনিহ-তিৰোতা আহি প্ৰাঙ্গণৰ দুইফালে থিয় হ'ল। ৰবিন হুড আৰু তেওঁৰ সঙ্গীসকল জনতাৰ মাজত মিলি গ'ল।

ঠিক সাৰে সাতটাৰ সময়ত হঠাৎ ড্ৰাম বাজি উঠিল। লগে লগে দেখা গ'ল এদল সশস্ত্ৰ সৈনিক স্কাৰলেটক লৈ প্ৰাঙ্গণলৈ আহিছে।

তেওঁলোকে স্কাৰলেটক সেই মঞ্চৰ ওপৰত থিয় কৰাই তেওঁৰ হাত দুখন মঞ্চৰ দুয়োফালে দুডাল খুটাত বান্ধিলে। তাৰ পিছত মঞ্চখন আগুৰি থিয় হ'ল তেওঁলোক। অপৰাধী যাতে পলাই যাব নোৱাৰে, তাৰ বাবেই এই সতৰ্কতা।

ৰবিন হুডে তেতিয়া স্কাৰলেটক দেখা দিয়াৰ উদ্দেশ্যে প্ৰহৰীহঁতৰ

ওচৰলৈ গৈ ক'লে— এইবছৰ মে' দিৱসৰ উৎসৱটো দেখিছো তেনে ভালদৰেই উদ্‌যাপিত হব, নহয় জানো?

ৰবিন হুডৰ লেতেৰা পোছাক দেখি চিপাহীইঁতৰ মাজৰ কোনোবা এজনে গেঙেৰি মাৰি উঠিল— তুমি কোনহে বোপাই। যোৱা, আঁতৰি যোৱা সোনকালে ইয়াৰ পৰা। নহলে তোমাকো ইয়াৰ লগত বান্ধি পৃথিৱীৰ সিপাৰলৈ পঠোৱা হব।

তাৰ কথা শুনি ৰবিন হুডে যেন ভীষণ ভয় খালে— এনে ভাব দেখুৱাই ক'লে— দোষ হৈছে হুজুৰ, মই যাওঁ।

এই বুলি স্কাৰলেটৰ ফালে চাই তেওঁ ক'লে— হেৰ' পাষণ্ড অধম। তোৰ কাৰণেই আজি মোৰ এই দশা। মই যদি সুযোগ পালোহেঁতেন তেনে হ'লে তোক মই নিজ হাতে হত্যা কৰিলোহেঁতেন।

তেওঁৰ কথা শুনি প্ৰহৰীইঁতৰ অধিনায়কে আনন্দমনে ক'লে— তোমাক যদি সুযোগ দিয়া হয় তেনেহলে তুমি ইয়াক হত্যা কৰিব পাৰিবা?

নিশ্চয় পাৰিম হুজুৰ। এপাত কাঁড়েৰে ইয়াৰ কলিজা ফুটা কৰি দিম মই।

ঠিক আছে। তোমাক মই শ্বেৰিফ চাহাবৰ ওচৰলৈ লৈ যাম। তুমি ইয়াতে থিয় হৈ থাকা। শ্বেৰিফ চাহাব আহিলে মই তেওঁৰ ওচৰলৈ তোমাক লৈ যাম।

অলপ পিছতে ৰক্ষী পৰিবৃত হৈ শ্বেৰিফ আহিল। এই সময়ত আকৌ এবাৰ আনন্দধ্বনি হ'ল। ধীৰ পদক্ষেপে আহি বক্তৃতা মঞ্চৰ ওপৰত আসন গ্ৰহণ কৰিলে। চিপাহীইঁতৰ অধিনায়কে তেতিয়া ৰবিন হুডৰ ফালে চাই ক'লে— সেয়া চোৱা, শ্বেৰিফ চাহাব আহিছে। ব'লা তোমাক তেওঁৰ ওচৰলৈ লৈ যাওঁ।

ৰবিন হুডক লগতলৈ শ্বেৰিফ চাহাবৰ সমুখত থিয় হৈ অধিনায়কে ক'লে— হুজুৰ; এই মানুহজনে কৈছে এওঁক যদি সুযোগ দিয়া হয় তেনেহলে এওঁ হেনো সেই মানুহজনক হত্যা কৰিবলৈ সন্মত আছে।

এই কথা শুনি শ্বেৰিফ চাহাবে ৰবিন হুডৰ ফালে চাই ক'লে— তাক হত্যা কৰাৰ বাবে তোমাৰ ইমান ইচ্ছা কিয় কোৱা চোন।

ৰবিন হুডে ক'লে— মোৰ ইচ্ছা নহলে কাৰ ইচ্ছা হব হুজুৰ। মোৰ আজি যি দশা হৈছে তাৰ বাবে সেই কুকুৰটোৱে দায়ী। সি মোৰ সৰ্বনাশ কৰিছে। মোৰ যাৱতীয় ধন-সম্পত্তি লুটি নি সি মোক পথৰ ভিখাৰী কৰিছে।

সেইটো জানিলো। কিন্তু তুমি কাঁড় মাৰি তাক হত্যা কৰিব পাৰিবা জানো?

নিশ্চয় পাৰিম হুজুৰ। মই কাঁড় মাৰি তাৰ কলিজা ফুটা কৰি দিম দেখিব।

ৰবিন হুডৰ কথা শুনি শ্বেৰিফে ক'লে— বাৰু, তুমি ইয়াত অপেক্ষা কৰা। অলপ পিছতে তুমি সুযোগ পাবা।

শ্বেৰিফৰ কথা শুনি ৰবিন হুডে হাত জোৰ কৰি ক'লে— আজি আপুনি মোক যি সুযোগ দিলে তাৰ বাবে মই চিৰদিন আপোনাৰ ওচৰত কৃতজ্ঞ হৈ থাকিম।

এই কথা কৈয়ে তেওঁ পিঠিৰ ফালে বান্ধি থোৱা তূণৰ পৰা এপাত কাঁড় বাহিৰ কৰি ধনুত যোজনা কৰি ক'লে— আজি মই আপোনাক তীৰৰ খেলা দেখুৱাম হুজুৰ।

ৰবিন হুডৰ লগত যেতিয়া শ্বেৰিফৰ কথা হৈছিল, তেতিয়া হাজাৰ হাজাৰ নৰ-নাৰী আহি হাজিৰ হৈছিল প্ৰাঙ্গণত। তেওঁলোকৰ ভিতৰৰ বহুতেই তেতিয়া স্কাৰলেটৰ মৃত্যুদণ্ডৰ কথা লৈ আলোচনা কৰিছিল।

অলপ পিছতেই আকৌ এবাৰ আনন্দধ্বনি হ'ল। শ্বেৰিফ চাহাবে তেতিয়া ৰবিন হুডৰ ফালে চাই ক'লে— তুমি প্ৰস্তুত হোৱা। এতিয়া তুমি তীৰ নিক্ষেপ কৰিব লাগিব।

ৰবিন হুডে তেতিয়া তীৰ যোজনা কৰি ক'লে— মই প্ৰস্তুত হৈ আছো হুজুৰ।

শ্বেৰিফ চাহাব তেতিয়া থিয় হৈ জনতাক সম্বোধন কৰি ক'লে— বন্ধুসকল। আজি মই আপোনালোকৰ সমুখত এটি আনন্দ সংবাদ পৰিবেশন কৰিছো। আমাৰ সৈনিকসকলে কুখ্যাত ৰবিন হুডৰ প্ৰধান সহকৰ্মী উইল স্কাৰলেটক গ্ৰেপ্তাৰ কৰি আনিছে। এই মানুহজনৰ বিৰুদ্ধে বহু অভিযোগ আছে মোৰ ওচৰত। সেই অভিযোগবোৰ ইমানেই গুৰুতৰ যে তেওঁক মই মৃত্যুদণ্ডেৰে দণ্ডিত কৰিছো। এইবাৰ আপোনালোকৰ সমুখতেই তেওঁক বধ কৰা হব।

ইয়াৰ পিছত তেওঁ ৰবিন হুডৰ ফালে চাই ক'লে— এইবাৰ তুমি তোমাৰ তীৰৰ খেলা দেখুওৱা। উইল স্কাৰলেটক বধ কৰি মে' দিবসৰ আনন্দ উৎসৱ আৰম্ভ কৰা।

ৰবিন হুডে তেতিয়া কেইখোজমান আগবাঢ়ি গৈ থিয় হ'ল। তাৰ

পিছত জনতাৰ উদ্দেশ্যে ক'লে— মহামান্য শ্বেৰিফ চাহাবৰ আদেশমতে আজি মই তীৰৰ খেলা দেখুৱাম। আপোনালোকে এতিয়া ডকাইতটোৰ ফালে লক্ষ্য কৰক।

এই বুলি কৈয়ে ৰবিন হুডে তীৰ নিক্ষেপ কৰিলে। তীৰপাত পোনে পোনে গৈ স্কাৰলেটৰ বাওঁহাতৰ বান্ধোন কাটি পেলালে।

তাকে দেখি শ্বেৰিফ চাহাব খঙত জ্বলি উঠি ক'লে— হেৰ' চয়তান। এয়ে নেকি তোৰ তীৰৰ খেলা। তই তাৰ বাওঁহাতৰ বান্ধোন কাটি পেলালি কিয়?

ৰবিন হুডে ক'লে— ভয় নাখাব হুজুৰ। মই এই কুকুৰটোক লৈ অলপ খেলিছোঁ। বৰশিত মাছ ধৰাৰ সময়ত মানুহে যেনেকৈ মাছৰ লগত খেলা কৰে, মইও সেই ভাবেই ইয়াৰ লগত খেলা কৰিছো। এইবাৰ চাওক কি হয়।

এই কথা কৈয়ে ৰবিন হুডে আৰু এবাৰ তীৰ নিক্ষেপ কৰিলে। এইবাৰৰ তীৰপাতে স্কাৰলেটৰ সোঁহাতৰ বান্ধোন কাটি পেলালে।

অৱস্থা দেখি জনতাৰ মাজত হুলস্থূল আৰম্ভ হ'ল।

ৰবিন হুডে ইয়াৰ মাজতে আৰু এবাৰ তীৰ নিক্ষেপ কৰিলে। এইবাৰৰ তীৰপাতে প্ৰহৰীহঁতৰ অধিনায়কৰ বুকু ভেদ কৰি পিঠিৰে বাহিৰ হৈ গ'ল। লগে লগে আৰ্তনাদ কৰি অধিনায়ক বাগৰি পৰিল।

শ্বেৰিফ চাহাব তেতিয়া থিয় হৈ খঙত কঁপি কঁপি হুকুম দিলে— ইয়াক এতিয়াই গ্ৰেপ্তাৰ কৰা।

শ্বেৰিফ চাহাবৰ নিৰ্দ্দেশত ৰক্ষী সৈনিকহঁত ৰবিন হুডৰ ফালে আগবঢ়াৰ লগে লগে জনতাৰ মাজৰ পৰা এজাক কাঁড় আহি সিহঁতক খতম কৰি পেলালে। অৱস্থা দেখি জনসাধাৰণে ভীষণ ভয় খাই পলাবলৈ আৰম্ভ কৰিলে। সেয়া এক ভয়াবহ কাণ্ড। এফালে হাজাৰ হাজাৰ নৰ-নাৰী প্ৰাণৰ ভয়ত পলাইছে। আনফালে ৰবিন হুড আৰু তেওঁৰ সহকৰ্মীসকলে শ্বেৰিফ চাহাবৰ ৰক্ষী সৈনিকসকলক লক্ষ্য কৰি তীৰ নিক্ষেপ কৰিছে।

শ্বেৰিফ চাহাবৰ অৱস্থা তেতিয়া ৰীতিমত কাহিল। তেওঁ দেখিলে শত শত তীৰন্দাজে তেওঁক ঘেৰি ধৰিছে। মৃত্যুদণ্ডেৰে দণ্ডিত উইল স্কাৰলেটেও তেওঁলোকৰ লগত যোগ দিছে। শ্বেৰিফ চাহাব তেতিয়া ভয়ত থৰ থৰ কৈ কঁপিছে।

শ্বেৰিফ চাহাবৰ এই কম্পমান অৱস্থা দেখি ৰবিন হুডে ক'লে—

শুন চয়তান! মই ইচ্ছা কৰিলে এতিয়াই তোক হত্যা কৰিব পাৰো। কিন্তু সেইটো মই নকৰো। তোৰ বিচাৰ কৰিব মহামান্য কিং ৰিচাৰ্ডে। মই খবৰ পাইছো যুদ্ধ জয় কৰি তেওঁ লণ্ডনৰ ফালে ঘূৰি আহিছে।

এইবাৰ মই মোৰ সহকৰ্মী আৰু বন্ধু স্কাৰলেটক মুক্ত কৰি লৈ গ'লো। তোৰ শক্তি থাকিলে বাধা দিবলৈ চেষ্টা কৰিব পাৰ।

এই কথা কৈয়ে ৰবিন হুডে তেওঁৰ সহচৰসকলক লৈ বিজয়ী বীৰৰ দৰে শ্বেৰ উড ফৰেষ্ট অভিমুখে ৰাওনা হ'ল।

পঞ্চদশ অধ্যায়

(শ্বেৰ উড ফৰেষ্টত কিং ৰিচাৰ্ড)

কিছুদিন পিছৰ কথা।

ৰবিন হুড আৰু তেওঁৰ সঙ্গীসকলে সিদিনা শ্বেৰ উড ফৰেষ্টৰ শিবিৰত এক বিৰাট ভোজৰ আয়োজন কৰিছে। এই ভোজৰ আয়োজন কৰা হৈছে ৰজা ৰিচাৰ্ডৰ প্ৰত্যাগমনৰ সংবাদ শুনি। এমন ডেল আৰু মেৰীয়ো আহিছে ৰবিন হুডৰ ভোজসভাত যোগদান কৰিবলৈ।

এমন ডেলে আৰম্ভ কৰিছে তেওঁৰ বেহেলা বাদন। তেওঁৰ বেহেলাৰ সুৰত সেইদিনা আনন্দৰ হিল্লোল। এটা বাজনা শেষ হয় আৰু ৰবিন হুডৰ সহচৰসকলে আনন্দত হাততালি বজাই উৎসাহেৰে কয়— আৰু এটা বন্ধু আৰু এটা।

তেওঁলোকে যেতিয়া এইদৰে আনন্দত মচগুল হৈ আছে, ঠিক সেই সময়ত এদল অশ্বাৰোহী সৈন্য আহি তাত উপস্থিত হ'ল। ৰবিন হুড আৰু তেওঁৰ সহচৰসকলে লক্ষ্য কৰিলে যে অশ্বাৰোহী সৈন্যদলৰ সমুখ ভাগত আছে এজন মুখা পিন্ধা লোক।

ৰবিন হুডে সেই মুখা পিন্ধা মানুহজনৰ সমুখলৈ আহি ক'লে— কোন আপুনি? কি উদ্দেশ্য লৈ ইয়ালৈ আহিছে?

মুখা পিন্ধা মানুহজনে ক'লে— আমি ক্ষুধাৰ্ত্ত। আমাক কিবা অলপ

খাবলৈ দিব পাৰিবনে?

ৰবিন হুডে কোনোদিন ক্ষুধাৰ্ত অতিথিক বিমুখ নকৰে। আজি আমি মহামান্য কিং ৰিচাৰ্ডৰ সন্মানত ইয়াত ভোজৰ ব্যৱস্থা কৰিছো। আপোনালোকে অনুগ্ৰহ কৰি আমাৰ লগত এই ভোজত অংশ গ্ৰহণ কৰক।

ৰবিন হুডৰ কথাত মুখা পিন্ধা মানুহজনে ক'লে— কিং ৰিচাৰ্ডক তুমি জানো চিনি পোৱা?

নাই। নাপাওঁ চাব। তেখেতৰ লগত মোৰ পৰিচয় নাই। তদুপৰি তেখেতে যেতিয়া যুদ্ধযাত্ৰা কৰিছিল তেতিয়া মই নিতান্ত বালক।

তুমিয়ে ৰবিন হুড নেকি?

হয়। মানুহে মোকেই সেই নামেৰে মাতে।

মই শুনিছো তুমি হেনো এজন মহাবীৰ। মোৰ সমুখত তুমি বীৰত্বৰ পৰীক্ষা দিবলৈ সাজু আছানে?

কি পৰীক্ষা দিব লাগে?

মল্লযুদ্ধ।

এই সময়তে উইল স্কাৰলেট আগবাঢ়ি আহি ক'লে— মহামান্য অতিথিৰ অৱগতিৰ বাবে মই এষাৰ কথা নিবেদন কৰিব বিচাৰিছোঁ।

কোৱা! কি ক'ব বিচাৰিছা।

মই কব বিচাৰো যে আমাৰ নেতা ৰবিন হুডৰ লগত মল্লযুদ্ধ কৰিব পৰা বীৰ ইংলেণ্ডত আৰু কোনো আছে বুলি আমি নাজানো। সেয়ে কৈছো কোনে তেওঁৰ লগত মল্লযুদ্ধ কৰিব?

তোমাৰ নেতা যদি ৰাজী হয় তেনে মইয়ে তেওঁৰ লগত মল্লযুদ্ধ কৰিম।

ৰবিন হুডে তেতিয়া সদৰ্পে ক'লে— মই সাজু আছোঁ। আপুনি আহক, এতিয়াই মল্লযুদ্ধ আৰম্ভ হওক।

ঠিক আছে। সেয়ে হওক। কিন্তু মই মোৰ সমকক্ষ ব্যক্তিৰ বাহিৰে আনৰ লগত মল্লযুদ্ধ নকৰো। তুমি মোৰ সমকক্ষ হয় নে নহয় সেইটো মই পৰীক্ষা কৰি চাব বিচাৰো।

কি পৰীক্ষা কৰিব আপুনি?

মই তোমাৰ পিঠিত এটা ঘোচা মাৰিম। সেই ঘোচা খাই যদি তুমি

বাগৰি নপৰা, তেতিয়া মই বুজিম যে তুমি মোৰ সমকক্ষ।

মুখা পিন্ধা মানুহজনৰ কথা শুনি ৰবিন হুডে ক'লে— ঠিক আছে। এই মই আপোনাৰ ফালে পিঠি দি থিয় হৈছোঁ। আপুনি ঘোচা মাৰক।

এই কথা কৈয়ে ৰবিন হুডে তেওঁৰ ফালে পিঠি দি থিয় হ'ল।

মুখা পিন্ধা মানুহজনে এখোজ আগবাঢ়ি আহি প্ৰচণ্ড বেগে এটা ঘোচা ৰবিনৰ পিঠিত সোধালে। লগে লগে ৰবিন হুড লুটি খাই মাটিত পৰি গ'ল।

মানুহজনে তেতিয়া হো হোকৈ হাঁহি ক'লে— এইকণ শক্তি লৈয়ে তুমি মোৰ লগত মল্লযুদ্ধ কৰিব বিচাৰিছা?

ৰবিন হুড তেতিয়া কোনোমতে থিয় হৈছে। তেওঁ তেতিয়া মুখা পিন্ধা মানুহজনৰ ফালে বিস্মিত দৃষ্টিত চাই ক'লে— আপুনি কোন, অনুগ্ৰহ কৰি কবনে?

ৰবিন হুডৰ কথা শেষ নৌহওঁতেই ঘোড়াৰ শব্দ শুনা গ'ল। অলপ পিছতেই চাৰ হেনৰী আহি ঘোড়াৰ পৰা নামি ৰবিন হুডৰ ফালে চাই ক'লে— শুনা ৰবিন। মহামান্য কিং ৰিচাৰ্ড ৰাজধানীলৈ উভতি আহিছে। মই শুনিবলৈ পালো তেখেত হেনো তোমাক দেখা কৰিবলৈ শ্বেৰ উড ফৰেষ্ট অভিমুখে......।

হঠাৎ সেই মুখা পিন্ধা মানুহজনত দৃষ্টি পৰিল চাৰ হেনৰীৰ। তেওঁ তেতিয়া মুখা পিন্ধা মানুহজনৰ সমুখত আঠুকাঢ়ি ক'লে— মহামান্য কিং। আপুনি মোৰ অভিবাদন গ্ৰহণ কৰক।

চাৰ হেনৰীৰ কথা শুনি ৰবিন হুড একেবাৰে অভিভূত হৈ পৰিল। তেৰোঁ তেতিয়া ৰজাৰ সমুখত আঠুকাঢ়ি ক'লে— আপোনাক চিনিব নোৱাৰি যিদৰে আপোনাৰ লগত কথা কৈছো, তাৰ বাবে মই ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

ৰজা ৰিচাৰ্ডে তেতিয়া ৰবিন হুডৰ হাতত ধৰি তুলি লৈ ক'লে— মই তোমাক ক্ষমা কৰিছে ৰবিন।

সেই সময়তে চাৰ হেনৰীয়ে ক'লে— মহামান্য কিং-অৰ মুখ দৰ্শনৰ বাবে আমি উদগ্ৰীৱ হৈ আছোঁ। আপুনি দয়া কৰি মুখাখন খুলি পেলাওক।

চাৰ হেনৰীৰ অনুৰোধত মহামান্য কিং ৰিচাৰ্ডে তেওঁৰ মুখাখন খুলি পেলালে। ৰবিন হুডে তেতিয়া আনন্দত চিঞৰি উঠিল— কিং ৰিচাৰ্ড দীৰ্ঘজীৱি হওক।

ৰজাই তেতিয়া ৰবিনৰ ফালে চাই ক'লে— তোমাৰ সম্বন্ধে মই সকলো খবৰ ৰাখিছোঁ, ৰবিন হুড। অত্যাচাৰী ধনীইঁতে তোমাক সমাজ বিৰোধী, দুষ্কৃতিকাৰী আৰু ডকাইত বুলি অভিহিত কৰিলেও মই জানো তুমি কোনো অন্যায় কাম কৰা নাই। মই আৰু জানো মোৰ অনুপস্থিতিত নৰপশু আৰু অত্যাচাৰী জমিদাৰইঁতৰ হাতৰ পৰা তুমি মোৰ প্ৰজাসকলক ৰক্ষা কৰিছা। সেয়ে আজি মই নিজে তোমাক নিবলৈ আহিছোঁ।

এই সময়তে চাৰ হেনৰীয়ে ক'লে— মহামান্য কিং-এ বোধহয় ৰবিনৰ বংশ-পৰিচয় নাজানে। ৰবিন হ'ল আৰ্ল অৱ হাণ্টিংডনৰ একমাত্ৰ পুত্ৰ। আপেনাৰ অনুপস্থিতিত নটিংহামৰ শ্বেৰিফে অতৰ্কিতে হাণ্টিংডন প্ৰাসাদ আক্ৰমণ কৰি ৰবিনৰ পিতৃ-মাতৃক হত্যা কৰি প্ৰাসাদ অধিকাৰ কৰি লয়। ৰবিন তেতিয়া চৈধ্য বছৰৰ বালক মাথোন। তেওঁ কোনোমতে পলাই আহি আত্মৰক্ষা কৰে।

চাৰ হেনৰীৰ পৰা এই কথা শুনি ৰজাই স্নেহেৰে ৰবিন হুডক বুকুৰ মাজলৈ টানি আনি আলিঙ্গন কৰি ক'লে— তুমি মোৰ বন্ধু আৰ্ল অৱ হাণ্টিংডনৰ ল'ৰা। আজিৰ পৰা তুমিয়ে হ'বা আৰ্ল অৱ হাণ্টিংডন। মই ৰাজধানীলৈ গৈ দুৰাচাৰ শ্বেৰিফ আৰু গিচবোৰ্ণৰ চয়তান জমিদাৰক বন্দী কৰি আনি তেওঁলোকৰ বিচাৰ কৰিম।

ৰজাৰ কথা শুনি ৰবিন হুডে ক'লে— মই মোৰ বন্ধুসকলক এৰি জমিদাৰ হ'ব নিবিচাৰো হুজুৰ।

ৰজাই হাঁহি মাৰি ক'লে— তেওঁলোকৰ কথাও মই চিন্তা কৰিছে। আজিৰ পৰা তেওঁলোক মোৰ দেহ-ৰক্ষী বাহিনীৰ অন্তৰ্ভুক্ত হব।

ৰজা ৰিচাৰ্ডৰ কথা শুনি সকলোৱে জয়ধ্বনি কৰি উঠিল— কিং ৰিচাৰ্ড দীৰ্ঘজীৱি হওক।

* * * * *

সমাপ্ত

Digitized by:

Nibir Borpuzari

for

http://blogasom.blogspot.com

For more free eBooks like this keep on visiting BLOG অসম. Contribute your ebooks or other contents by mailing at-

nibirborpuzari@gmail.com